# গ্ৰীষ্মকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১/০৮/২০১৯ বৃহস্পতিবাৰ

**আজি ইংৰাজী ০১-০৮-২০১৯ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত নিৰ্দ্ধাৰিত সময়সূচীমতে সদনৰ কাম আৰম্ভ হয়।**

(প্ৰশ্নকালীন ঘন্টা)

**মাননীয় অধ্যক্ষ ঃ** এই সদনৰ আজি শেষ দিন, আজি প্ৰথম প্ৰশ্ন আমাৰ ইয়াত যিহেতু এইটো পিছুৱালো সেইকৰাণে এক নম্বৰ বুলি আছে প্ৰশ্নটো, শ্ৰী নুৰুল হুদা ডাঙৰীয়া। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, SVAYEM আঁচনি স্বামী বিবেকনন্দ অসম যুব সৱলিকৰণ যোজনা এই আঁচনিটো চৰকাৰে লোৱাৰ পিছত এই সদনতে কোৱা হৈছিল যে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ ভিতৰত ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত ১ লাখ যুৱক যুৱতীক ১ লাখকৈ টকা ঋণ দিয়া হ'ব আৰু ৩০ শতাংশ ৰেহায় দিয়া হ'ব। কিন্তু দেখা গ'ল এই বছৰ আজি যিটো উত্তৰ পালো সেই উত্তৰত দেখা গৈছে মাত্ৰ ৫৩৩৫ জন হিতাধাৰীকহে ঋণ দিব পাৰিছে। যিহেতু এই আঁচনিখনৰ নিৰ্দ্ধাৰিত সময় আছিলে ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব, গতিকে এই মাৰ্চ মাহৰ ভিতৰত এই আঁচনিখন সম্পূৰ্ণ কৰিব নোৱাৰিলে। ইয়াত যিটো কোৱা হৈছিল যে নিজৰ উত্তৰনত ভৰ্ত্তী হোৱাৰ বাবে কৰ্ম কৰাৰ আহ্বান জনাই যুৱ প্ৰজন্মক আগুৱাই নিয়াৰ কাৰণে এই স্বৰ্গীয় স্বামী বিবেকানন্দ ডাঙৰীয়াৰ নামত এই আঁচনিখন গ্ৰহণ কৰা হৈছিল। এই আঁচনিখন গ্ৰহণ কৰাৰ কাৰণে আমি ভাল পাইছিলো, যি আমাৰ অসমৰ আমাৰ মাতৃভূমিৰ যি চিৰসেউজ প্ৰতীক, সেউজৰ প্ৰতীক স্বৰ্গীয় স্বামী বিবেকানন্দ ডাঙৰীয়াৰ নামত এই আঁচনিখন লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰী নুৰুল হুদা ঃ** গতিকে এই আঁচনিখন সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে আৰু ব্যৰ্থ হোৱাৰ বাবে আমি ভাৱো এই আঁচনিখন অকল ব্যৰ্থই নহয় স্বামী বিবেকানন্দ ডাঙৰীয়াক অপমান কৰা হৈছে। ইয়াত তেখেতৰ মান মৰ্য্যদা লাঘৱ হৈছে। যিহেতু চৰকাৰৰ প্ৰতিশ্ৰুতি আছিল আৰু বাজেটতো ৩০০ কোটি টকা ধন ধাৰ্য্য কছিল, গতিকে সময়মতে কিয় এই আঁচনিখন ৰূপায়ন কৰিব পৰা নহ'ল?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰী নুৰুল হুদা ঃ** এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে আজি সদনত জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ নুৰুল হুদা ডাঙৰীয়াক ধন্যবাদ দিছো। ধন্যবাদ দুটা কাৰণত দিছো, এটা স্বামী বিবেকানন্দৰ প্ৰতি তেখেতৰ যিটো আনুগত্য সেইটো মই ভাল পাইছো। দ্বিতীয় কথাটো হ'ল এখন আঁচনি মাৰ্চৰ ভিতৰত ৰূপায়ন কৰা ব্যৰ্থ হোৱাটো, এইটো অধ্যক্ষ ডাঙৰীয়া অলপ টেক্‌নিকেল কথাটো বুজি পাব লাগিব। যে মাৰ্চৰ ভিতৰত মাননীয় সদস্য সকলকো ইয়াত আমি যিবিলাক SVAYEM ৰ form আছিল সেইবোৰ আপোনালোকক আমি দিছিলো, দিয়াৰ পিছত যিটো নিৰ্দ্দিষ্ট সময় সীমাটোৰ ভিতৰত আমি এইবিলাক সকলো চিলেক্‌চন কৰি বেংকত দি দিয়া হ'ল। গতিকে আঁচনিখন সেই হিচাপত ব্যৰ্থ

হোৱা নাই। কিন্তু এতিয়া কিমানে লোন পালে সেইটোৰ সংখ্যাটো যে আপুনি দেখুৱাইছে সেইটো ব্যৰ্থতা বুজোওৱা নাই। তাত কিছুমান টেক্‌নিকেল কথা আছে। সেইবোৰ এনেকুৱা ধৰণৰ যে যিবিলাকৰ লোন আমি পঠিয়ালো তাৰে কিছুমানৰ আগতে লোন লোৱা আছে, সি NPA হৈ আছে কিছুমানৰ। গতিকে কিছুমানৰ NPA হৈ থাকিলে লোনটো নিদিয়ে। কিছুমানত দেখা গৈছে যে তাতে আঁচনি, মানে যিটো দিব লাগে সেই আঁচনিখিনি তেওঁ ভালকৈ আঁচনিৰ বিষয়ে সবিশেষ দিয়া নাই। গতিকে এনেকুৱা ধৰণৰ বহুখিনি কথা চাইছে। এতিয়া মই প্ৰধান পইন্টলৈ আহো, যিহেতু আমি সকলোৱে এই কথাটোত অৱগত হোৱাটো উচিত। গতিকে আঁচনিখন ব্যৰ্থ হোৱা নাই। চিলেক্‌চন হৈ গ'ল বেংকে পালে, ন'ডেল বেংক হিচাপে ষ্টেটবেংককো দিয়া হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, আচলতে কথাটো হ'ল যে মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে আচল টেক্‌নিকেল পইন্টতো হ'ল এইটো যে ৰাষ্ট্ৰীয়কৃত বেংক যিখিনি আজি অসমত আছে তাৰ লগত C-D ratio টো আজি যদি চোৱা যায় it is less then 55 %. আজি যদি সেইটো UP ত চাই, আজি যদি আপুনি মহাৰাষ্ট্ৰত চাই তেনেহলে ৰাষ্ট্ৰীয়কৃত বেংক বিলাকৰ C-D ratio টো ২৫০ শতাংশ, আজি যদি কৰ্ণাটকত চাই তাতেও অতি কমেও ২০০ শতাংশকৈ বেছি। গতিকে C-D ratio টো এনেকুৱা ধৰণৰ যে আমি যিবিলাক পইচা আমি ইয়াত থলো, চৰকাৰে থলো, প্ৰাইভেদ মানুহে থলো, ব্যৱসায়ী সকলে থলো সেই থোৱা পইচাটোৰ ওপৰত যিখিনি আয় হ'ল সেই আয়খিনি ১০০.০০ টকা যদি আয় হৈছে তাৰে ৩৫.০০ টকা বেংক সমূহে অসমত খৰচ কৰে বাকী পইচা খিনি অসমৰ বাহিৰলৈকে লৈ যায়। কিন্তু আকৌ মহাৰাষ্ট্ৰত দেখা গৈছে যে যদি ১০০.০০ টকা তেওঁলোকে আয় কৰিছে তেওঁলোকে তাত ২০০.০০ টকা খৰচ কৰে। গুজৰাটত তেওঁলোকে ২০০.০০ টকা খৰচ কৰে, কৰ্ণাটকত তেওঁলোকে ১০০.০০ টকাৰ আয়ৰ বিপৰীতে ২৫০.০০ টকা খৰচ কৰে। সেই কাৰণে ৰাষ্ট্ৰীয়কৃত বেংক বিলাকৰ লগত আমি, মই এতিয়ালৈকে ৩ খন মিটিং পাতিলো নিজেই। তাৰ পিছত ৰাষ্ট্ৰীয়কৃত বেংকক যি কব লাগে সেইটো কৈছো। গতিকে তেওঁলোকক কলো মই আনকি ইমান পৰ্য্যন্ত তেওঁলোকক কৈছো যে তোমালোকে ইয়াত যেতিয়া বেংক খুলিবলৈ আহিছিলা বোম্বে হেড অফিচৰ পৰা পইচা বেগত লৈ আহি ইয়াত বেংক আৰম্ভ কৰিছা নেকি? আমি পইচা থৈছো, আমাৰ পইচাদি লাভ কৰিছা তাৰপিছত তোমালোকে পইচা কিয় নিদিয়া, C-D ratio টো ইমান কিয় কম। মই ইমান লেভেললৈকে বেংকক কৈছো আৰু বেংকৰ সৰু সুৰা বিষয়া নহয় উত্তৰ-পূৰৰ CGM লেভেলৰ বিষয়া। এতিয়া অধ্যক্ষ ডাঙৰীয়া আমাৰ জিলা উপায়ুক্ত সকলকো আমি এটা নিৰ্দ্দেশনা দিছো। এতিয়া শেহতীয়া যিখন বেংকৰ লগত মিটিং হ'ল সেই মিটিং খনৰ আগত আকৌ মাননীয় মুখ্যমন্ত্ৰীয়ে এই কথাটো খুব ভালকৈ তেওঁ তদাৰক কৰি আছে, মুখ্যমন্ত্ৰীয়ে কেইবাবাৰো এই কথাখিনি মোক কৈছে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই কলো যে আপুনি এখন নিৰ্মলা চিঠাৰমনক চিঠি দিব লাগে আমাৰ মাননীয় বিত্তমন্ত্ৰী ভাৰত চৰকাৰৰ, যে বেংকবিলাকে তেওঁলোকে আমাৰ অসমৰ আঁচনি বিলাক গুৰুত্ব দিয়াৰ ক্ষেত্ৰত অসুবিধা কৰিছে। তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে নিৰ্মলা চিঠাৰমনলৈকে চিঠি এখন দিছে আৰু নিৰ্মলা চিঠাৰমনে এই চিঠিখন পোৱাৰ পিছত বেংকৰ যি আমাৰ ডিভিজন থাকে বিত্তৰ, তাতে তেওঁ কিবা এটা নিৰ্দ্দেশনা দিছে, নিৰ্দ্দেশনাটো মই কিন্তু এতিয়া নাজানো কিন্তু নিৰ্দ্দেশনা দিছে, অসমৰ সপক্ষে দিছে যে এইটো হ'ব লাগে। এতিয়া অধ্যক্ষ ডাঙৰীয়া মই এটা কথা কও যে আমাৰ এতিয়া মই মাননীয় মুখ্যমন্ত্ৰীক এটা অনুৰোধ কৰিছিলো যে আপোনাৰ লেভেলত আৰু এখন মিটিং হ'ব লাগে। তেখেতে সেইকথাটোত সন্মত হৈছে। আমি এখন মুখ্যমন্ত্ৰীৰ লেভেলত বেংকৰ বিষয়া সকলক

মাতি আমি এখন মিটিং কৰিম যাতে তেওঁলোকে পইচাটো দিয়ে। তৃতীয় কথাটো হ'ল যিটো আপুনি কৈছে যে আমাৰ NPA কিয় হৈছে? ইয়াত যিসকল আমাৰ পুৰনি বিধায়ক আছে ৰাজেদ আলী চৌধুৰীয়ে হওঁক আমাৰ ডাঃ নজৰুল ইছলামে হওঁক এই আমাৰ যিখিনি পুৰণি বিধায়ক উৎপল দত্তই হওঁক, ৰমেন্দ্ৰ নাৰায়ন কলিতাই হওঁক আমৰ ইয়াত যিখিনি পুৰনি সদস্য আছে আমি সকলোৰে জানো যে DIC ১৯৮৫ চনত, ৰমেন্দ্ৰ নাৰায়ন কলিতাই জানিব, উৎপল দত্তই জানিব গতিকে ১৯৮৫ চনত যেতিয়া আমি প্ৰথম ইয়াত নিৰ্বাচিত হৈ আহিছিলো তেতিয়া আমি ২০০, ৩০০ লৰাক বেংকত DIC ৰ পৰা ১ লাখ ১লাখ টকা আমি দিছিলো। এতিয়া কিন্তু PMAY লোন আমি যদি ১০ টা বাচনি কৰো বেংকে এটা দিয়ে আজিৰ দিনত। কিয় দিয়ে বেংকৰ বিৰূদ্ধে কলো মই সেইটো ঠিক, কিন্তু বেংকৰ সপক্ষে কবলগীয়া কথা এটা আছে, কি আছে আমি যে একলাখ টকা দিলো এক লাখ টকা দিয়াৰ দিনা খনেই আমাৰ লৰা-ছোৱলী বিলাকে কি কৰিলে যে কোনোবাই যদি ভাবিছে যে ফাৰ্ণিচাৰৰ দোকান দিম, গেলামাল দোকান দিম কিন্তু সেইটো নকৰি মটৰ চাইকেল কিনি বাকী পইচা খিনিৰে তেল ভৰালে । বেংকত এক পইচা ঘুৰালে না বেংকত পইচা দিলেই। সেই কাৰণে আজিকালি বেংকে গুৰুত্ব নিদিয়া হ'ল । কাৰণ পইচা দিলে ঘুৰাই নিদিয়ে। সেই কাৰণে আমি বেংকৰ লগত কথা পাতিছে আৰু ১৯৮৫ চনৰ পাৰ কিমান ধনৰাশি দিব লগীয়া আছে আৰু one time sattlement কৰিব পাৰি নেকি, যদি পাৰো তোমালোকৰ পইচা খিনি আমি ঘুৰাই দিওঁ। তাৰ পিছত আমি যদি ৰিক'মেণ্ড কৰি দিও তেওঁলোকে মানিব । এই ধৰণৰ কথা এটা আমি পাতিছো অধ্যক্ষ ডাঙৰীয়া। শেহতীয়া ভাবে আমি এটা সিদ্ধান্ত লৈছে যে প্ৰত্যেক জিলাত বেংকৰ এটা নডেল অফিচাৰ থাকিব, আমাৰ ডিচি ও তাৰ জড়িত থাকিব, ডি আই চি ৰ যিজন জেনেৰেল মেনেজাৰ তেওঁ কনভেনাৰ হ'ব। আমিও লাগি আছো যে ১ লাখ ল'ৰা ছোৱালী সংস্থাপিত হৈ যায় ভাল হ'ব । অধ্যক্ষ ডাঙৰীয়া কথাটো clear কৰি দিলে supple-mentary বাৰে বাৰে হৈ নাথাকে। দ্বিতীয় কথাটো হ'ল অধ্যক্ষ ডাঙৰীয়া যে এইবাৰ যিটো লোন দিয়া হৈছে । যেনেকৈ আমাৰ পি এম ওৱাই লোনত আমাৰ হৈ NPA আছে, ডি আই চি লোনত NPA হৈ আছে । এইবাৰ লোনটোত বেংকৰ এটা বিশেষ সুবিধা আছে যে আমাৰ যিজন হিতাধিকাৰি তেওঁ দিব ২৫ হাজাৰ ১ লাখৰ ভিতৰত। আৰু আমি অসম চৰকাৰে দিম ২০ হাজাৰ চাব-চিডি, ৪৫ হাজাৰ হৈ গ'ল । গতিকে দিব লাগিব ৫৫ হাজাৰ । আৰু বেংকে যি ৫৫ হাজাৰ দিব, তাৰে ভিতৰত বেংকৰ এই ৫৫ হাজাৰ থাকিল তাৰ পৰা এটা ক্ৰেডিট গেৰান্টি থাকিব । আমি ইতিমধ্যে ষ্টেট বেংকক আমি পইচা জমা দি দিছো । অধক্ষ মহোদয়, ক্ৰেডিট গেৰান্টি থাকিব যে out of 55,000 **credit guarantee** পাব প্ৰায় ৩৩ হাজাৰ । তাৰমানে ল'ৰা বা ছোৱালী জনী লোনটো মাৰি নিদিয়ে তেতিয়া সেই **credit guarantee** ৰ পৰা ৩৩ হাজাৰ পাব । যদি বেংকৰ লষ্ট হয় তেতিয়াহ'লে ২০ হাজাৰ টকা বেংকৰ লষ্ট হ'ব । মই বেংকক ইমান পৰ্য্যন্ত কৈছে যে সেই ২০ হাজাৰ টকা দৰকাৰ হ'লে চৰকাৰে তোমালোকৰ কথা খিনি বিবেচনা কৰিম , কেৱল ল'ৰা-ছোৱালী খিনিক লোনটো দিয়া। অধ্যক্ষ ডাঙৰীয়া, সেই পৰ্য্যায়লৈকে আমি এই খিনি কাম কৰিছো । কৰাৰ পিছত যেতিয়া সকলো মাননীয় সদস্যৰ প্ৰতি মোৰ এটাই অনুৰোধ থাকিব যে লোনটো যাতে আমি সকলোৰে লাগি আমাৰ ল'ৰা-ছোৱালী সকলৰ লোন খিনি দিব পাৰো তাৰ ব্যৱস্থা কৰিম।

**শ্ৰী নুৰুল হুদা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে আচল কথাৰ পৰা আতৰি গৈ বেলেগ বেলেগ কথা কৈ তেখেতে সামৰিলে । মই ক'ব বিচাৰিছো যোৱা

ফেব্ৰুৱাৰী মাহৰ এই সদনতে মন্ত্ৰী মহোদয়ে কৈছিলে এই আঁচনি খন ২০১৮-১৯ বিত্তীয় বছৰৰ বাবেহে বৈধ। সেয়েহে মাৰ্চ ২০১৯ ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব । এতিয়া যে মাৰ্চ ২০১৯ ৰ ভিতৰত সম্পূৰ্ণ কৰিব নোৱাৰিলে ১ লাখৰ ভিতৰতে মাত্ৰ ৫০০০ কৰিলে ৯৫ হাজাৰে যে কৰিব নোৱাৰিলে, সেই খিনি এতিয়া কি কৰিব সেই কথাটো স্পষ্ট ভাবে ক'ব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মই ইমান খিনি বুজাই দিয়াৰ পিছত তেখেতে ক'লে যে মই আতৰি গলো কথাৰ পৰা। কিন্তু কথাটো জনা উচিত ১ লাখ ল'ৰা-ছোৱালীৰ যি বাচনি কৰিলো সকলোৰে, এই ১ লাখটো বেংকত আছেই। সেইটো ফেইল হোৱা নাই কিন্তু বেংকে গুৰুত্ব দিয়া নাই । সেইটো কথা আপুনি ভূলকৈ কিয় কয় । কথা খিনি মই ইমান আন্তৰিকতা আৰু সততাৰে মই কথা খিনি কলো আৰু আপুনি কলে ডাইভাৰ্ট কৰি দিলো । এই কি ধৰণৰ কথা আমাৰ বিধান সভাত। আমি সলাগ ল'ব লাগে, হয় চৰকাৰে ইমান ব্যৱস্থা লৈছে, মুখ্যমন্ত্ৰীয়ে ইমান ব্যৱস্থা লৈছে ।

**মাননীয় অধ্যক্ষঃ** বাকী খিনিও পোৱাৰ সম্ভৱনা আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গতিকে সেই ৫ হাজাৰ ইতিমধ্যে বেংকে দি দিছে ।

**মাননীয় অধ্যক্ষঃ** Next AKR Alam. ৫ নং প্ৰশ্নটো একেধৰণৰ, সেইটো চাম কাৰোবাক ৰিকোমেণ্ড কৰিবৰ কাৰণে।

**শ্ৰী আবুল কালাম ৰচিদ আলম, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৮৫ চনৰ পৰা আজিলৈকে বহুত নিবনুৱা যুৱক-যুৱতীৰ কাৰণে এনেকুৱা আঁচনি লোৱা হৈছে। মোৰ প্ৰশ্ন হ'ল যি সকল নিবনুৱাই এই ঋণটো মাৰিব পৰা নাই চৰকাৰে এনেকুৱা কিবা আঁচনি ল'ব নেকি যাতে মাপ কৰি দিয়া হয় ।

**মাননীয় অধ্যক্ষঃ** সেইটো ক'লে তেখেতে। উত্তৰ দিছে। বেংকক কৈছে যে যিমান outstanding আছে আমাক এটা হিচাপ দিয়ক । আৰু চৰকাৰে চাব one time settlement বেংকৰ লগত কৰিব পাৰে নেকি ।

**শ্ৰী আবুল কালাম ৰচিদ আলম, বিধায়কঃ** মোৰ আচল প্ৰশ্নটো হ'ল যিখিনি technical problem ৰ কাৰণে হোৱ নাই, কিছুমানে লোন লৈছিল কিন্তু আমাক সদনত যিখিনি ৫০০ কৈ ফৰ্ম দিছিল, মই নিজে ফৰ্ম যিটো দিছো। মই যিখিনি ফৰ্ম দিছো কাৰো লোন নাই তেওঁলোকে পাব লাগে ।

**মাননীয় অধ্যক্ষঃ** হ'ব । আপুনি সেইটো চাব কাৰণ হ'লেহে গম পাম । next Ramendra Narayan Kalita.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে বিস্তৃত ভাবে কলে, মই আচলতে বেংকৰ কথাই ক'ব ওলাইছিলো ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং -২ । আজিজ আহমেদ খান ।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ২৮-০৬-২০১৮ তাৰিখে অধিসূচনা যোগে নিলাম বজাৰত দক্ষিন কৰিমগঞ্জ উন্নয়ন খণ্ডৰ মখ্য কাৰ্য্যালয় ঘোষণা কৰে। ২৪-০৯-২০০৮ তাৰিখে চিঠিযোগে ভাৰা ঘৰ থকাৰ বিষয়ে জনায়। আৰু ভাৰা ঘৰৰ মালিকৰ সন্মতিৰ বিষয়ে জনায়। ইয়াৰ পিছতে পি আই এল-৬৮ /২০১৮ মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত ০৫-১০-২০১৮ তাৰিখৰ নিৰ্দ্দেশ মৰ্মে একাংশ ৰাইজে এখন স্মাৰক পত্ৰ দাখিল কৰে, আৰু উক্ত স্মাৰক পত্ৰযোগে মুখ্য কাৰ্য্যালয় নিলাম বজাৰত ঘোষিত কৰা ২৮-০৬-২০১৮

চনৰ অধিসুচনা আৰু ভাৰা ঘৰৰ উক্ত কাৰ্য্যালয় চলোৱাৰ বাবে ১৯-১২-২০১৮ তাৰিখত চিঠিযোগে জনোৱা অনুমোদনক খাৰিজ কৰিবৰ বাবে আবেদন কৰে। এই সন্দৰ্ভত কৰিমগঞ্জ জিলা উপায়ুক্তৰ পৰা ০৯-০৫-২০১৯ তাৰিখে এক চিঠিযোগে এখন প্ৰতিবেদন বিচৰা হৈছে। ইতিমধ্যে কৰিমগঞ্জ জিলাৰ উপায়ুক্তই ১০-০৭-২০১৯ তাৰিখে চিঠিযোগে জনাইছে যে পঞ্চায়ত প্ৰতিনিধিসকলে উক্ত স্থানান্তৰ বিৰোধিতা কৰিছে। উক্ত পৰিস্থিতিত আৰু আগন্তুক এন আৰ চি তালিকা প্ৰকাশৰ তালিকা প্ৰকাশৰ পৰিপ্ৰেক্ষিতত জিলাখনত অপ্ৰিতিকৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ সম্ভৱনা ব্যক্ত কৰে। এই সমূহ দিশৰ প্ৰতি লক্ষ্য ৰাখি উপায়ুক্তই মুখ্য কাৰ্য্যালয়ৰ হস্তান্তৰৰ বিষয়টো পুনৰ বিবেচনাৰ বাবে জনায়। এই সন্দৰ্ভত ১৫-০৭-২০১৯ তাৰিখে চিঠি যোগে কৰিমগঞ্জ জিলাৰ উপায়ুক্তৰ প্ৰশাসনিক দিশৰ সুবিধাৰ ফালে লক্ষ্য ৰাখি পুনৰ প্ৰতিবেদন বিচৰা হৈছে। জিলা উপায়ুক্তৰ প্ৰতিবেদন পালে বিষয়টোত চৰকাৰে ব্যৱস্থা ল'ব।

**শ্ৰীআজিজ আহমদ খান, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয় যিটো কথা কৈছে যে পি আই এল হৈছে ১৬-০৮-২০১৮ এইটোত লিখা আছে ছাৰ কেচটো নট এন্টাৰটেইন কৰিছে । যিহেতু কেচটো নট এন্টাৰটেইন হৈ গ'ল, ইয়াৰ পিচত আমাৰ ডি চিয়ে মৌখিক ভাবে কৈছে যে Law and Order situation হ'ব পাৰে। এই জন ডি চি আগতে মাটিৰ কেলেংকাৰীৰ বাবে বৰ্খাস্থ হৈছিল ছাৰ। আমাৰ কথা হল ছাৰ পি আই এল - ৬৮ যেটা কৰছে এইটা মাননীয় উচ্চ আদালতে বৰ্খাস্থ কৰছে যাৰ কাৰনে আমি বদৰপুৰ সমষ্টিৰ ৫ টা জি পিৰ কাৰনে আছে , এবং উত্তৰ কৰিমগঞ্জ সমষ্টিত ৫ টা জি পি আছে। আমি বোলেছি আমাৰ দক্ষিন কৰিমগঞ্জ সমষ্টিৰ ১১ টা জি পি , আমাৰ দক্ষিন সমষ্টিৰ কোনো মানুহে আজকেৰ দিন পৰ্য্যন্ত কোনো objection কৰা নাই। কিন্তু অন্য সমষ্টিৰ মানুহ objection কৰছে ছাৰ। আমাৰ বদৰপুৰ সমষ্টিৰ যিহেতু একটা Block আছে, ইয়াৰ পৰে তাৰা এই ব্লকৰ সঙ্গে জড়িত আছে ৫ টা জিপি ,এবং উত্তৰ কৰিমগঞ্জৰ ৫ টা জি পি আমাৰ ব্ল'কেৰ সঙ্গে সংযোগ আছে। আমি চাইতেছি যে আমাৰ দক্ষিন কৰিমগঞ্জ সমষ্টিৰ ব্লকটো - আসামেৰ ১২৬ জন বিধায়কেৰ মধ্যে ১২৫ জনেৰ ব্লক আছে, আমাৰ সমষ্টিতে কেনে নাই কেনে দিতে পাৰেন না। স্বাধীনতাৰ ৭০ দশকেৰ পৰ আমি কি পাব নাকি ছাৰ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপোনাৰ তাত উত্তৰ কৰিমগঞ্জ এল এ চি আছে, আৰু বদৰপুৰ আছে, আৰু আপোনাৰ চাউথ কৰিমগঞ্জ এই ৩ টা পঞ্চায়ত মিলি ব্লকটো হৈছে , আপুনি আগতেও কথাটো উত্থাপন কৰিছে। কথাটো যিহেতু এটা সম্ভাবনা আছে বুলি কৈছে এন আৰ চিৰ কাৰণে- আপুনি অলপ ধৈৰ্য্য ধৰক। আমিও বিচাৰো যে প্ৰতিটো সমষ্টিত মিনিমাম এটা ব্লক হোৱা উচিত। মই ভাবো যে এন আৰ চি পাব্লিকেশ্যনৰ পাছত আমি বিষয়টো ল'ম। মই নিজেও চাম এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম।

কমলাক্ষ দে পুৰকায়স্থ আপোনাৰ আছে নেকি, কি কাৰনে নিদিয়ে?

**শ্ৰীকমলেখ্য দে পুৰকায়স্থ, বিধায়ক ঃ** বিধায়ক পাৰ্চিয়েলী ৰাইট ছাৰ। এটা ব্ল'ক হ'ব লাগে কিন্তু মোৰ কথাটো হ'ল মোৰ সমষ্টিৰ ৫ টা জি পি কালিগঞ্জত আছে। বদৰপুৰৰ ৫ টা জি পি আছে। অধ্যক্ষ মহোদয়, মোৰ এটা Suggestion - প্ৰত্যেকটা জি পিত ২ টাকৈ ব্লক দিয়াৰ কথা আছিল। মোৰ নিলাম বাজাৰ আহিলে মোৰ সুবিধা হয় । দুটাকৈ ব্লক দিলে আমাৰ সকলোৰে problem solve হ'ব। Not only মোৰ সমষ্টি প্ৰত্যেকটো সমষ্টি।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে - আপুনি কিব ক'ব নেকি?

**শ্ৰীজামাল উদ্দিন আহমেদ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাউথ কৰিমগঞ্জৰ এটা ব্লক ৩

টা সমষ্টি থেকে ২১ টা জি পি নিয়ে এই ব্লক নির্দ্ধাৰিত কৰা হয়েছে। এই ব্লক আগে ছিল নিলাম বাজাৰে, আজকে থাকে প্ৰায় ৩০ বছৰ আগে স্থানান্তৰিত কৰা হয়েছে। ব্লক যেটা আছে ওখানে থাকবে কাৰন আমাৰ ৫ জি পি আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো নহয়। আপুনি বহক। আপোনাৰ কথাটো বুজি পালো। এতিয়া question No-3

অশোক কুমাৰ সিংহী।

**শ্ৰীৰিহন দৈমাৰী, মন্ত্ৰী, সমবায়, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীঅশোক কুমাৰ সিংহী , বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে Bilasipara Hole Sale Coopertive Consumer Society কিয় liquidation ত পঠোৱা হ'ল। অংশীদাৰসকলে তেওঁলোকৰ প্ৰাপ্য ধনখিনি পাবনেকি?

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিছ।

**শ্ৰীৰিহন দৈমাৰী, মন্ত্ৰী , সমবায়, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, আমাৰ সমবায় আইনমতে সমবায় সমিতিবিলাক যদি constitute নহয়, নিৰ্ব্বাচন পাতি যদি কমিটি গঠন নহয়, যদি বিত্তীয় খেলিমেলি বা বছৰেকত Audit যদি নকৰে, Deregister কৰাৰ ব্যৱস্থা আছে। Bilasipara Sub Divisional Hole Sale consumer Coopertive Store এই সমিতি একে অৱস্থাত আছিলে আৰু সেই কাৰনে বিভাগীয়ভাবে Deregister কৰি liquidation ত পঠোৱা হৈছে। এতিয়া যিখিনি

Share Holder আছিল তেওলোকৰ Share ৰ টকা ঘুৰাই দিয়াৰ ব্যৱস্থা আছে। ইতিমধ্যে আমাৰ মহামান্য গুৱাহাটী উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশমতে এই Coopertive Society ৰ যিমানখিনি মাটি আৰু সম্পত্তি আছিলে সেইটো ইতিমধ্যে২০১৫ চনতে নিলামযোগে বিক্ৰি কৰা হৈছে। নিলাম কৰি মুঠ ২২,১১৫১৭ টকা পাইছিলে। মই দায়িত্ব লোৱাৰ পাছত ফাইলবিলাক চাই আছো। বেংকত আমাৰ ১৮,১৪০১০ টকা আছে । যিসকলক আমাৰ দিবলগীয়া আছে তেওলোকক দিয়াৰ বাবে ইতিমধ্যে ব্যৱস্থা লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question No. 4 শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নিজানুৰ ৰহমান,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়,

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নিজানুৰ ৰহমান,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দিয়া ঘ) নং প্ৰশ্নৰ উত্তৰটোত মই সন্তোষ্ট হব পৰা নাই। মই জানিব বিচাৰিছো যে কৰ্মচাৰী সকলৰ বেতন বা কৰ্ম সময়ৰ ওপৰত স্পষ্ট কোনো উদ্যোগ নীতি আছে নেকি?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কৰ্মচাৰী সকলৰ নিয়োগ, বেতন বা কৰ্ম সময়ৰ ওপৰত যিটো প্ৰশ্ন দিয়া আছে সেই সংক্ৰান্তত আগতে কোনো নীতি নিয়ম নাছিল, কিন্তু আমাৰ দলে চৰকাৰ গঠন কৰাৰ পাচত আৰু শেষতীয়া ভাৱে কেবিনেটত এটা Resolution Pass কৰা হয়। এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰীয়ে এই ক্ষেত্ৰত তৎপৰতা গ্ৰহণ কৰাৰ বাবে তেখেতক ধন্যবাদ জ্ঞপন কৰিছো। এই নতুন নীতি অনুসৰি এতিয়াৰ পৰা উদ্যোগ প্ৰতিষ্ঠান বিলাকত নতুনকৈ যি বিলাক কৰ্মচাৰী নিয়োগ কৰিব ১) তাত ৮০ শতাংশ থলুৱা নিবনুৱা যুৱক-

যুৱতী হব লাগিব। ২) এই ব্যক্তিগত কোম্পানী সমুহত যিবিলাক থলুৱা নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিব , সেই কোম্পানীটোক তাৰ প্ৰতিজন কৰ্মচাৰীৰ হৈ চৰকাৰে বছৰি ১০,০০০ কৈ টকা প্ৰদান কৰিব। সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম অসমতেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**শ্ৰী নিজানুৰ ৰহমান,বিধায়ক ঃ** চাৰ, একোজন কৰ্মচাৰীয়ে ১২ ঘণ্টা ১৪ঘণ্টাকৈ কাম কৰি মাত্ৰ ৬০০০ বা ৭০০০ টকাকৈ বেতন পায়। গতিকে এইটো ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কিবা নীতি নিয়ম বান্ধি দিব পৰা যায় নেকি ?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত চৰকাৰৰ এখন আইন আছে, কিন্তু আমাৰ অসমত উদ্যোগীক খণ্ডটো বহু পিচ পৰি আছে। আমি অৱশ্যে আমাৰ দলে চৰকাৰ গঠন কৰাৰ পাচত Advantage Assam বা Road Show কৰি হলেওঁ বা নতুন Industrial Policy গঠন কৰি হলেওঁ আমি অসম খনক আগবঢ়ায় লৈ যাবলৈ চেষ্টা কৰি আছো।। আমি এই Industrial Policy টো অসমত যোৱা Cabinet ত এই কাৰণেই Pass কৰিছো, যাতে অসম ৰাজ্যখনত নতুন নতুন উদ্যোগ স্থাপন হয়। ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে তেনেকুৱা Industrial Policy নাই। আমাৰ অসমৰ উদ্যোগীক ক্ষেত্ৰ খনো যদি মহাৰাষ্ট্ৰ,পাঞ্জাৱ, হাৰিয়ানা বা গুজৰাটৰ নিচিনা উদ্যোগ আদিৰে ভৰপুৰ হৈ থাকিলেহেঁতেন তেতিয়া আমাৰ ইয়াৰ যুৱক-যুৱতী সকলেওঁ কোনোবা এটা কোম্পানীত কম বেতন পালে সেই কোম্পানীটো ত্যাগ কৰি বেলেগ এটা বেছি বেতন পোৱা কোম্পানীত গৈ যোগদান কৰিব পাৰিলেহেঁতেন। কিন্তু আমাৰ ইয়াত এই যুৱক যুৱতী সকলে তেনেকুৱা সুযোগ ইয়াত নোপোৱাৰ বাবে এই কোম্পানী বিলাকত যি বেতন পায় সেই বেতনতে কাম কৰিবলৈ বাধ্য হোৱা দেখা যায়। সেই কাৰণে মই এই বিধান সভাতেই কৈছিলো যে Act East Policy, Agriculture Sector, Industrial Sector, Skill Development আদিয়েই হল অসমৰ ভবিষ্যত।

গতিকে ইয়াত এটা ডাঙৰ সমস্যা হল যে, যদি আমি উদ্যোগ ক্ষেত্ৰটোত বেছি হেঁচা প্ৰয়োগ কৰো, তেতিয়া এই কোম্পানী স্বত্তাধিকাৰী সকলে অসমৰ থলুৱা নিবনুৱা যুৱক-যুৱতী সকলক নিযুক্তি নিদি বাহিৰৰ পৰা মানুহ আনি কম বেতনত কাম আদায় কৰাৰ সুবিধা লব। সেইবাবে প্ৰথমতে আমি উদ্যোগ সমুহৰ সমুহিয়া আন্তঃগাঠনিটো কৰি লওঁ যাতে অসম ৰাজ্যখন উদ্যোগেৰে ভৰি যাওঁক। তেতিয়া আমাৰ ইয়াৰ যুৱক-যুৱতী সকলেওঁ কোনোবা এটা কোম্পানীত কম বেতন পালে সেই কোম্পানীটো ত্যাগ কৰি বেলেগ এটা বেছি বেতন পোৱা কোম্পানীত যোগদান কৰিব পাৰিব। সেই কাৰণে দিল্লী, গুজৰাট, মহাৰাষ্ট্ৰ, কৰ্ণাটক আদি ঠাইত যুৱক-যুৱতী সকলে সঘনাই সিহঁতৰ কৰ্মক্ষেত্ৰ বিলাক সলনি কৰি থাকে আৰু মনপোত কোনো কোম্পানীত কাৰ্য্য সম্পাদন কৰে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসম ৰাজ্য খনেওঁ উদ্যোগীক বিকাশ লাভ কৰাটো বিচাৰিছে, সেইকাৰণে আমি অসমত Advantage Assam পাতিলো। গতিকে আমি উদ্যোগীক ক্ষেত্ৰখনত আগবাঢ়ি যাব পাৰিলে, আমিওঁ তেনেকুৱা সুবিধা বিলাক লাভ কৰিবলৈ সক্ষম হম আৰু মাননীয় বিধায়ক গৰাকীয়ে আজি যিটো প্ৰশ্ন সদনত উত্থাপন কৰিলে তেনেকুৱা প্ৰশ্ন পুনৰ সদনত উত্থাপন কৰিব লগীয়া নহয়। মাননীয় সৰ্বানন্দ সোনোৱাল চৰকাৰ খনেওঁ উদ্যোগীক ক্ষেত্ৰখনত অসমখন আগবাঢ়ি যোৱাটো বিচাৰিছে। এতিয়া আনি গাওঁৰ পৰা টিহুলৈকে Industrial Corridoor হৈছে। বৰ্তমান অসমত বহুতো নতুন নতুন উদ্যোগ প্ৰতিষ্ঠান গঢ় লৈ উঠিছে আৰু বহু নিবনুৱা যুৱক যুৱতী সকলেও চাকৰি পোৱাৰ সুযোগ লাভ কৰিব। আমাৰ এই নতুন Industrial Policy ৰ বিধি মতে কোম্পানী বিলাকে ৮০ শতাংশ থলুৱা নিবনুৱা যুৱক-যুৱতী দিবই লাগিব আৰু তাৰ

লগে লগে এই নতুন চাকৰিয়াল সকলে বৰ্ধিত হাৰত দৰমহা লাভ কৰাৰ উপৰিও চৰকাৰৰ ঘৰৰ পৰাও প্ৰতি জন কৰ্মচাৰীয়ে বছৰি ১০,০০০ টকাকৈ প্ৰতি বছৰে লাভ কৰিব। ইয়াৰোপৰি নিবনুৱা যুৱক-যুৱতী সকলে কোম্পানীবোৰৰ স্বত্তাধিকাৰী সকলকো বৰ্ধিত হাৰত বেতন দিয়াৰ বাবে জোৰ কৰিব পাৰিব। এইখিনিতে মই এটা মোৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা কবলৈ বিচাৰিছো যে - মোৰ এজন চিনাকি লৰাই তেওঁক ব্যক্তিগত কোম্পানীত কৰ্মত সোমোৱাই দিব লাগে বুলি মোক জোৰকৈ ধৰাত মই তাক এটা চিনাকি কোম্পানীত সোমোৱাই দিছিলো, পুনৰ এদিন সেই লৰাটো আহি তাক কোনো উদ্যোগ প্ৰতিষ্ঠানত সোমোৱাই দিবলৈ কলে। তেতিয়া মই তাক কলো কি হল আগৰ কোম্পানীৰ চাকৰিটো! লৰাটোৱে তেতিয়া কলে যে মাত্ৰ ৮০০০ টকা বেতন দিয়ে গতিকে সি কামটো এৰি দিলে। বহুতো শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে উপযুক্ত কাম নাপায় ঘূৰি থাকিব লগীয়া হৈছে আৰু এই মাত্ৰ অষ্টম শ্ৰেণীলৈকে পঢ়া লৰাটোৱে কাম পায়ো কম দৰমহা হোৱাৰ বাবে কাম এৰি দিছে। পাচত গম পোৱা গল যে এই লৰাটো যোৱাৰ লগে লগে আন বহুতো লৰা সেই প্ৰতিষ্ঠানটোলৈ কাম লাগে, কাম লাগে বুলি হেতাওপৰা লগায়। গতিকে অধ্যক্ষ মহোদয় বৰ্তমান অসমত চাকৰিৰ বাবে এনেকুৱা অৱস্থা এটাৰ সৃষ্টি হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Next Supplementary by Shri Zakir Hussain Sikddar.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, Advantage Assam পাতি বৰ্তমানৰ চৰকাৰ খনে উদ্যোগ প্ৰতিষ্ঠান স্থাপন কৰাৰ ক্ষেত্ৰত যি সদিচ্ছা দেখুৱাইছে আৰু নতুন নতুন উদ্যোগ প্ৰতিষ্ঠান অসমৰ স্থাপন কৰি শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলক কৰ্মসংস্থাপন দিয়াৰ যি প্ৰচেষ্টা অব্যহত ৰাখিছে সেইটো ভাল পাইছো। মই এইক্ষেত্ৰত আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ এটা বিষয়লৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে - মোৰ সমষ্টিৰ অন্তৰ্গত কয়াকুচিত ঢাৰি শিল্পটোৱে যথেষ্ট প্ৰসাৰতা লাভ কৰিছে আৰু আমি বহিঃ ৰাজ্যৰ পৰা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো। অধ্যক্ষ ডাঙৰীয়া, এইবাৰ অসমৰ বহুতো ঠাইৰ মানুহে বানপানীৰ সময়ত সৰ্বশ্ৰান্ত হৈ ককবকাই থাকিব লগীয়া অৱস্থাৰ সৃষ্টি হৈছিল, সেই সময়ত ঢাৰি শিল্পৰ লগত জৰিত এই লোক সকলে কিন্তু বানৰ বিভীষিকাময় পৰিস্থিৰ সময়তো নিজৰ অন্নমুঠি যোগাৰ কৰিবলৈ সক্ষম হৈছিল। তথাপিতো কিন্তু এই ঢাৰি শিল্পৰ লগত এতিয়াও চৰকাৰ ভালদৰে জৰিত হোৱা নাই। সেয়েহে মই মাননীয় উদ্যোগ মন্ত্ৰী যোগেদি চৰকাৰক অনুৰোধ কৰিছো যে - Advantage Assam ৰ জৰিয়তে অসমত উদ্যোগ স্থাপন কৰোতে কোন কোন ক্ষেত্ৰত কি কি উদ্যোগ স্থাপন কৰিলে আমি অধিক ৰাজহ সংগ্ৰহ কৰিব পাৰিম বা নিয়োগ সৃষ্টি কৰিব পাৰিম সেই বিষয়টোৰ ওপৰতো দৃষ্টি ৰখা উচিত। Advantage Assam ৰ জৰিয়তে অসমত উদ্যোগ স্থাপন কৰোতে এই ঢাৰি শিল্পটোৰ ওপৰতো পদক্ষেপ লব লাগে যেন এই ঢাৰি শিল্পটোৱেও অগ্ৰাধিকাৰ পায় তাৰ কাৰণে মই আগতীয়াকৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই থলো। ইয়াৰ আগতেও মই এই সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰিছিলো, সদায় বিবেচনা কৰি চোৱা হব বুলি উত্তৰ দি থৈ দিয়ে।

অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী মহোদয়ক আমাক কয়াকুচিলৈ নিমন্ত্ৰন জনাইছো, আমি যাতে তেখেতক তাত উৎপাদিত থলুৱা শাক-পাচলি, গাখীৰ-মাছেৰে যাতে তেখেতক আপ্যায়ণ কৰিব পাৰো তাৰ সুযোগটো মন্ত্ৰী ডাঙৰীয়াই আমাক দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীক ধন্যবাদ দিছো। মই মাজতে এবাৰ মাননীয় সদস্য গৰাকীক ফোন কৰিছিলো যে কয়াকুছি মাজেৰে পাৰ হও, আপুনি তাতে আছে নেকি? মই ভাবিলো যে তেখেতে যিটো আমন্ত্ৰণ দিলে, সেই দিনাই আমন্ত্ৰণটো ৰক্ষা কৰিলো হেতেন। গতিকে

যি নহওক পৰবৰ্তী সময়ত আপোনৰা নিমন্ত্ৰণ ৰক্ষা কৰিম। এতিয়া Advantage Assam ৰ কথা যিটো আপুনি কৈছে। Advantage Assam ত পৃথিৱীৰ ২৩ খন দেশে অংশ গ্ৰহণ কৰি প্ৰথমবাৰ বাবে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো সপোন আছিল, সেইটো বাস্তৱত ৰূপায়িত হ'ল। আৰু আমাৰ ৭৯ হাজাৰ কোটি টকাৰ MoU হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনত জনাবলৈ পাই সুখি হৈছে যে ৭৯ হাজাৰ কোটি টকাৰ ভিতৰত ৫২ হাজাৰ কোটি টকাৰ কাম অসমত আৰম্ভ হৈছে। এইটো ভাৰবৰ্ষত যেনেকৈ ভাইবেল গুজৰাটত পাতিছে, গ্লোৱেল স্বামীত উত্তৰ প্ৰদেশত পাতিছে, গ্লোৱেল স্বামীত কলিকতাত পাতিছে, প্ৰবাশি ভাৰতীয় দিৱস বাঙ্গলোৰত পাতিছে । গতিকে তাত যিমান MoU হৈছে আৰু যিমান commitment হৈছে, তাৰ তুলনাত মাননীয় প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই যেনেকৈ কৈছিল যে A for Assam। গতিকে আমি ভাৰতবৰ্ষত সকলো ৰাজ্যতকৈ যিমান MoU হৈছিল প্ৰথম গ্লোৱেল স্বামী হিচাপে আমাৰ অসমত উৰ্ধত আছিল আজিৰ দিনলৈকে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ জৰিয়তেদি petroleum sector ত আমাৰ বহুত invest আহিব। তেনেকৈ মৰাপাটৰ ক্ষেত্ৰত আমাৰ খেতিয়ক সকল অন্তত কষ্ট কৰে, কিন্তু মৰাপাটৰ ক্ষেত্ৰত দাম নাপাই। কাৰণ JCI ইয়াৰ পৰা বিভাগবিলাক উঠাই লৈ গ'ল। গতিকে তেওঁলোকে সমপৰিমানৰ মুল্য নোপোৱা হৈছে। সেই কাৰণে আমি অসমত এটা মৰাপাটৰ উদ্দ্যেগ স্থাপন কৰাৰ কথা চিন্ত কৰি আছো। তেনেকৈ চুগাৰ মিল বৰুৱা বামুন গাওঁত আছিল , কামপুৰত চুগাৰ মিল আছিল, কাছাৰত চুগাৰ মিল আছিল। এই চুগাৰ মিল বিলাকো বন্ধ হৈ গ'ল। এতিয়া আমি চুগাৰ মিলৰ কথাও চিন্তা কৰিছো, যাতে চুগাৰ মিল কৰিব পাৰো। গতিকে ক্ষেত্ৰত এইটো এটা record যে আমাৰ অসমত ৫২ হাজাৰ কোটি টকাৰ investment ৰ কাম আৰম্ভ হৈছে। আৰু ইয়াৰ জৰিয়তেদি অসমত বহুত নিবনুৱা নিযুক্তি পোৱাৰ সুবিধা হব। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ নুমলিগড় ৰিফাইনেৰি মনিপুৰৰ বোৰ্ডাৰ মোৰলৈকে টেঙ্কাৰৰে তেল লৈ তাৰ পৰা পিছত ম্যানমাৰৰ তামুলৈ, তেওঁলোকে গোটেই নৰ্থ ম্যানমাৰ এলেকালৈ যোগান ধৰি আছে। নুমলিগড় ৰিফাইনেৰিয়ে বাংলাদেশলৈ এডাল পাইপ লাইন বহুৱাছে, চিলিগুৰলৈ গৈছে আৰু মাত্ৰ পাঁচ কিলোমিটাৰ বাকী আছে। নুমলিগড় ৰিফাইনেৰি লৈকে আকৌ এডাল পাইপ লাইন পাৰাদীপৰ পৰা আহিব। এই পাইপ লাইনডাল আহিলে তাৰ পৰা crude আহিব, তাতো যথেষ্ট নিবনুৱা নিযুক্তি পাব। গতিকে এনেকুৱা ধৰণৰ এখন ধুনীয়া ছবি ভৱিষ্যতৰ দিনৰ কাৰণে হৈছে। তাৰ কাৰণে মই সকলো credit অসমৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক দিছো। কাৰণ তেখেতৰ সহায় আৰু তেখেতৰ ভিজন নহলে এইখিনি হব নোৱাৰিহতেন। গতিকে মই ভাৱে যে মূখমন্ত্ৰী ডাঙৰীয়াই যিটো ভিজন লৈছে এই যে ৫৩ হাজাৰ কোটি টকা আহিছে, বিভিন্ন কোম্পানি আহিছে। আজি আপুনি শুনি সুখ পাব Sun Pharma Industry গোটেই বিশ্বৰ ভিতৰত ৰেংকিংত ৫ নম্বৰ। আৰু ভাৰতবৰ্ষৰ নম্বৰ ১ কোম্পানী মেডিচিনৰ। Sun Pharma Industry উদ্ধোধন কৰিলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু কোম্পানীৰ মালিক দীলিপ চাঙভিক সুধিলে যে আপুনি ইমান অটোমেটিক মেচিন লগাইছে। এই বিলাক ঔষধ আপুনি কত বিক্ৰী কৰে আৰু তেখেতে কৈছে যে এইবিলাক European country যাব। তাৰ মানে পলাশবাৰীত উৎপাদিত ঔষধ (তাত লিখা থাকিব পলাশবাৰী বুলি) European country চলিব।আমাৰ মাননীয় সদস্য সত্যব্ৰত কলিতা ডাঙৰীয়াৰ সমষ্টিত পৃথিৱীৰ প্ৰথম আটোমেটিক মেচিন এটা তেখেতৰ তাতে বহিছে। গতিকে আমাৰ মাননীয় সদস্য গৰাকীৰ যিটো সমস্যা, সেই সমস্যাটোৰ দুটা কথা আছে - এটা সময়ত টেষ্ট বেংকৰ পৰা আমাৰ কাহঁৰ শিল্পী সকলে লোণ লৈছিল। কিন্তু কিবা misun-

derstanding ৰ কাৰণে তেওঁলোকে খালী হৈ বহি থাকিল। গতিকে তেওঁলোকে এক পইচাও তেওঁলোকে নাপায়। বেংকৰ পৰাও নাপায়, সুবিধাও নাপায়। গতিকে আপুনি শুনি সুখ পাব যে আমাৰ মাননীয় মূখ্যমন্ত্ৰী তাত যাওঁতে গোটেই খিনি সমস্যা কথা কলে আৰু মোয়ো তেওঁলোকৰ লগত বহিলো। বেংকৰ লগত resettle হৈছে, বেংকক চৰকাৰৰ ফালৰ পৰা তেওঁলোকে যিখিনি লোণ লৈছিল, সেই খিনি পইচা বেংকক দি দিছো। গতিকে এতিয়া আপোনাৰ সমষ্টিত থকা যিখিনি কাহঁৰ শিল্প, সেইখিনিয়ে এতিয়া পইচা পাই যাব। কাৰণ বেংকৰ পৰা তেওঁলোকৰ লিংকেচটো হৈ যাব, এইটো আমি clear কৰি দিছো। বৰপেটাৰ ডি চিক এতিয়ালৈ চাৰিবাৰ কৈছো যে আমাৰ তাতে অলপ মাটি দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, অসমত কোনোবা মানুহ আহিলে শৰাই এখন দিওঁ, সেই বিলাকৰ বেছিভাগ শৰাই মূৰাদাবাদৰ পৰা আহে। কিন্তু আমাৰ অসমৰ সৰ্থেবাৰীত কাহঁৰ শৰাই বনাই, এই শৰাই বিলাকৰ তুলনতা মূৰাদাবাৰ পৰা অহা শৰাই বিলাক মেচিনত বনাই, বহুত বনাব পাৰে। সৰ্থেবাৰী শৰাই বিলাক হাতেৰে বনাই কাৰণে এদিন বেছিকৈ বনাব নোৱাৰে। সেই কাৰণে বজাৰত মূৰাদাবাৰ শৰাই বিলাকৰ দম কম হোৱা বাবে supply ও বেছি হৈছে। গতিকে সেই কাৰণে আমি বিচাৰিছো যে সৰ্থেবাৰীত মূৰাদাবাদত যিটো কৰিছে তেনেকুৱা আৰ্হিত এখন পাৰ্ক কৰিব পাৰো নেকি। আমাৰ যিটো স্থানীয় শিল্প উদ্দ্যেগ যাতে বাছি থাকে। সেইটো মোৰ চিন্তাত আছে আৰু কৰাৰ বাবে আমি ব্যৱস্থা কৰি আছো। আপুনিও ডি চিৰ লগত অলপ আলোচনা কৰি মাটিখিনি সোনকালে Industry department ক দিয়াৰ ব্যৱস্থা এটা কৰক। মাটিটো পালে আমি ব্যৱস্থা কৰিম অসুবিধা নাই। যিহেতু মোৰ interest আছে মই কৰাৰ বাৱে নিশ্চয় ব্যৱস্থা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো ঢাৰী শিল্পৰ কথা কৈছে সেইটো মোৰ মনত আছে। এইটো এতিয়াৰ কথা নহয়। এক বছৰৰ আগতে মোক কৈছে। ইতিমধ্যে মই market linkage ৰ কাৰণে দিল্লীত ব্যৱস্থা কৰিছো।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য অতুল বৰা।

**শ্ৰী অতুল বৰা, দিশপুৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উদ্দ্যোগ মন্ত্ৰী মহোদয়ে যি কথা কৈছে তাৰ মাজৰ পৰা দুটা বিষয় উত্থাপন কৰিব বিচাৰিছো। এটা হ'ল Skill Development। এই Skill Development দ্বাৰা বহুত যুৱক -যুৱতি প্ৰৱঞ্চিত হৈছে। তেখেতৰ বোধয় বিষয়টো দৃষ্টিগোচৰ হোৱা নাই। মোৰ দিশপুৰ সমষ্টিৰ electrician চাকৰিৰ বাবে তেখেতসকল বাহিৰলৈ গৈছিল। চাকৰিৰ বাবে ইয়াৰ পৰা বাহিৰলৈ পঠিয়াই দিয়া হৈছিল। বাহিৰলৈ যোৱাৰ লগে লগে তেওঁলোকৰ নিম্নমানৰ কাম কৰিবলৈ দিয়া হৈছিল আৰু লগে লগে প্ৰত্যেকজনৰ পৰা ক্ৰমে ৮ হাজাৰকৈ টকা লৈছিল। ২০ জনৰ ৪ হাজাৰকৈ লৈয় পেলায় পিছত তেওঁলোকৰ ওপৰত অত্যাচাৰ হ'ল, তেওঁলোকে ২০ দিনৰ পিছত উভতি আহিল। গতিকে Skill Development শব্দটোৱে অসমীয়া ডেকা লৰা-ছোৱালীৰ অন্যায়হে কৰিছে। কিবা উপকাৰ হৈছে বুলি মোৰ দৃষ্টিগোচৰ হোৱা নাই। ৪ হাজাৰ টকা Skill Development ৰ sales men ৰ কাৰণে 'বিগ বজাৰত' পাঞ্জাবাৰীৰ পৰা গৈ ছোৱালীজনীয়ে চাকৰি কৰিব, ২ হাজাৰ টকা খৰছ হ'ব অহা -যোৱা কৰোতে। মই কোৱাৰ বাবে 'ছয়মাইলৰ ৰিপোজ' খনত চাকৰিটো দিছে।

দ্বিতীয়তে তেখেতৰ মুখৰ পৰা Petroleum Engineer ৰ কথাটো ওলাইছে। অসমত কিমান বেকাৰ Petroleum Engineer আছে, মোৰ ওচৰলৈকে চাৰি পাচজন মান Petroleum Engineer আহিছে। তেওঁলোক বেকাৰ, এতিয়া তেওঁলোকৰ কোনো কাম কাজ নাই।

ইতিমধ্যে ২/৩ বছৰ হৈ গৈছে পাছ কৰা। কিন্তু চাকৰি নাই। Petroleum ৰ ক্ষেত্ৰত কি ধৰণৰ Industry অসমত আছে। যিটো Industry ত লৰা-ছোৱালীবোৰে Petroleum Engineer হোৱাৰ পিছতো চাকৰি নাপাই বেকাৰ হৈ বহি থাকিব লগা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই ক্লাছ অষ্টম, নৱম লৈ পঢ়া লৰা-ছোৱালীবোৰৰ কথা বাধ দিছো। কিন্তু Skill Development ৰ এই যে প্ৰৱঞ্চনাটো, ২০ টা লৰা যে উভতি আহিছে, ৮ হাজাৰকৈ টকা দি ২০ দিন থাকি, এই বিষয়বোৰ আমাৰ তদন্তৰ ভিতৰলৈ আনিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-অধ্যক্ষ ডাঙৰীয়া, বিধায়ক গৰাকীয়ে যিটো কথা কৈছে, Skill Development ৰ কথাটো মই নাজানো,কিন্তু তেখেতে কৈছে যেতিয়া সেইটো মই চাম, কি হৈছে। কিন্তু Development টো এক মাত্ৰ ৰাস্তাআজিৰ দিনটোত। সেইটো আমি সকলোৰে নাম ল'ব লাগিব আৰু সহযোগ কৰিব লাগিব ।এতিয়া মই উদাহৰণ স্বৰূপে কৈছো, আজি দিনত আমাৰ ইয়াতে ২০ ৰ পৰা ২২ লাখ নিবনুৱা আছে ধৰি লওঁক। বছৰি চৰকাৰী চাকৰি অধ্যক্ষ ডাঙৰীয়া পিয়ন, কেৰানী ইটো-সিটো, বছৰত খুব বেছি যদি খালী হয়, ৫ হাজাৰ খালী হয়। আৰু ACS আৰু APS ষ্টেট লেভেলত বা UPSE, সেইটোত কেইটা পোষ্ট ওলাব? খুব বেছি ১০০ টা পোষ্ট হ'ব। খুব বেছি চৰকাৰী চেক্টৰত ১০ হাজাৰ পোষ্ট খালী হ'ব। তেতিয়া হ'লে ২০ লাখ নিবনুৱা ল'ৰা-ছোৱালী ক'ত যাব। তেওঁলোকৰ ৰাস্তা এটায়ে আছে, সেইটো হ'ল Skill Development । তাৰ বাহিৰে কোনো ৰাস্তা নাই। আজি বৰা ডাঙৰীয়াই যিটো কথা কৈছে, আমাৰ কোনোবা ইলেক্ট্ৰিচিয়ানে ইয়াত Skill Development ত, ট্ৰেনিং ললে তাত গ'ল, বেয়া ব্যৱহাৰ কৰিলে ঘুৰি আহিল। আমাৰ অসমৰ মানুবোৰৰ সেইটো অলপ আছেয়ে। আমি আমাৰ অলপ আত্ম মৰ্য্যদাবোধ টো বেছি আছে, আমাৰ স্বাভিমানটো অলপ বেছি আছে। থকাটো স্বাভাৱিক, থকাটো উচিটো। কিন্তু এটা ইলেক্ট্ৰিচিয়ান তাৰ পৰা ঘুৰিলে আহিলেও তাত যদি তেওঁ ইলেক্ট্ৰিচিয়ান হিচাপে শিকিলে, তেওঁ ইয়াত বহি থাকিব নালাগে বাহিৰত গৈ শিকিলে ঘুৰি আহিব পাৰে, ঘুৰি আহিলে তেওঁ ইলেক্ট্ৰিচিয়ানৰ ট্ৰেনিং টো ললে, তেওঁ বহি থাকিব নালাগে ইটো সিটো , অত ত'ত কাম কৰি তেওঁ ধুনীয়াকে চলি থাকিব পাৰে, এইটোত কোনো অসুবিধা নাই। গতিকে Skill Development is the only way আজিৰ দিনটোত আমাৰ মানুহখিনিৰ কাৰনে। অধ্যক্ষ ডাঙৰীয়া মই মাজতে এই কথাটোৰ কালি বিত্ত মন্ত্ৰীয়েও কালি কৈছে যে নিজৰ ঢোল বজাবলৈ বেয়া লাগে। সেই কাৰনে মই বহুত কথা কোৱা নাই। ইতিমধ্যে জাপানৰ কোম্পানী সমুহৰ লগত আমি আলোচনা কৰিলো অধ্যক্ষ মহোদয়,। কথা হৈছে যে জাপানত পইচা বহুত হৈছে খৰচ কৰিব জাগা নাই, জাপানত ইমান চাকৰি আছে, কাম কৰিবলৈ মানুহ নাই । জাপানৰ কেইবাটাও কোম্পানী আহি দিশপুৰতে মোৰ লগত কথা পাতিলে। তেওঁলোকে কলে যে আপোনালোকে জাপানী ভাষাটো অলপ চলপ শিকাই দিয়ক। যাতে জাপানী ভাষাটো অলপ চলপ বুজি পায় অলপ চলপ ক'ব পাৰে। তেতিয়া whatever the number যিমান number আছে, নিবনুৱা , আমি জাপানৰ কোম্পানীত নিযুক্তি দিম with good salary তাতে মানুহবোৰে বহুত চেলাৰী পায়। মাজতে মই নিমৰান, ৰাজস্থানত এখন মিটিং এটেন কৰিছিলো। তাতে আমি দেখিবলৈ পাইছো, তাতে এখন জেট্ৰ' চিটি আছে। সেইজেট্ৰ' চিটিখনত সকলো জাপানী কোম্পানী বিলাক আহিছে। তেওঁলোকৰ আণ্ডাৰত চব কোম্পানী বিলাক আছে। জেট্ৰ' হ'ল Japan External Trade Organisation তেওঁলোকে Government Company গতিকে আমি

এতিয়া নন্দিতা দাসৰ সমষ্টি নগৰবেৰাত ২ হাজাৰ বিঘা মাটি আমি চিহ্নিত কৰিছোআমি জেট্ৰ'ক কৈছো যে তোমালোক আহি পেলাই যাতে এখন জেট্ৰ'চিটি এখন কৰা , তাত তোমালোকে জাপানিজ কোম্পানী বিলাক আনা। উদ্যোগ বিলাক আনা, অধ্যক্ষ ডাঙৰীয়া, এতিয়া Language টো এটা আমি স্কীল হিচাপে ধৰিছো। মাননীয় মন্ত্ৰীক মই কব বিচাৰিছো যিটো গুণ থাকিব, অধ্যক্ষ ডাঙৰীয়া, এই স্কীলটো যেতিয়া মানুহে ল'ব লোৱাৰ লগে লগেই এই স্কীলটোৱে ভৱিষ্যতে তেওঁক নিজৰ ভৰিৰ ওপৰত ঠিয় দি থকাৰ সুযোগ দিব। ২য় কথাটো হ'ল তেওঁ প্ৰেট্ৰ'লিয়ামৰ কথাটো কৈছে। প্ৰেট্ৰ'লিয়াম ইঞ্জিনিয়াৰিংৰ ল'ৰা ৪,৫ জন তেওঁৰ ওচৰত গৈছে। ক'ত হ'ব চাকৰি? প্ৰেট্ৰ'লিয়ামত আমাৰ চাৰিটা ৰিফাইনেৰী । আমাৰ ডিগবৈৰ ৰিফাইনেৰী capacity .65 million ton not even 1 গুৱাহাটী ৰিফাইনেৰীৰ capacity 1 million ton । আমাৰ নুমুলিগড় ৰিফাইনেৰীৰ হ'ল ৩ মিলিয়ন টন। বঙাইগাও ৰিফানেৰীৰ হ'ল ২.৯৫ মিলিয়ন টন । কিন্তু অধ্যক্ষ ডাঙৰীয়া মঠুৰাত এটা ৰিফাইনেৰীৰ capacity 15million ton হাইজেকট এটা ৰিফাইনেৰীৰ capacity 15 million ton বাৰানসীৰ এটা ৰিফাইনেৰীৰ capacity 15 M. ton আৰু জামনগৰত যিটো আম্বানীয়ে কৰিছে সেইটোৰ capacity 60 million ton গতিকে এই বিলাকত বহুত ইঞ্জিনিয়াৰ ওলাব গতিকে এই আমাৰ যি কেইটা ৰিফাইনেৰী আছে এই কেইটাৰ Total capacity আছে 7million ton , গতিকে আমাৰ ইয়াত ক'ত চাকৰি ওলাব? সেই কাৰনে অধ্যক্ষ ডাঙৰীয়া, এইবাৰ মোডী ডাঙৰীয়াক আমি ধন্যবাদ জনাব লাগিব, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো, যে নুমুলীগড় ৰিফাইনেৰীৰ শোধন ক্ষমতা এই বাৰ 9 million ton লৈকে বৃদ্ধি হ'ব আৰু হোৱাৰ লগে লগে চাকৰিও ওলাব তাত। তাত যিবিলাকে প্ৰট্ৰ'লিয়াম ইঞ্জিনিয়াৰিং পাছ কৰিছে, তাত চাকৰি হ'ব। ঠিক তেনে ধৰনে যিডাল পাইপ এতিয়া বাংলাদেশলৈকে গৈছে, তাত চাকৰি হ'ব। যি ডাল পাইপ লাইন এতিয়া নিয়াৰ কথা চিন্তা কৰিছে ম্যানমাৰলৈকে, এই বিলাকত কাম ওলাব। সেই কাৰনে অধ্যক্ষ ডাঙৰীয়া, আমাৰ বৰা ডাঙৰীয়াই যিটো কথা কৈছে বৰা ডাঙৰীয়াই অলপ খোলাকে কয় কথাখিনি,তেখেতে খোলাকৈ কলেও মনত বেয়া ভাৱ নাৰাখে। গতিকে তেওঁৰ কথাখিনিৰ মই উত্তৰ দিলো গতিকে আমি Skill Development ক সকলোৱে আমি আদৰি ল'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, Thank you এতিয়া কমল সিং নাৰ্জাৰী।

**শ্ৰীকমল সিং নাৰ্জাৰী** , সদস্য ঃ- অধ্যক্ষ মহোদয় মন্ত্ৰী ডাঙৰীয়াই, Advantage Assam Act East Policy ৰ আদাৰত যিবিলাক বিনিয়োগকাৰী সকলৰ দ্বাৰা ইয়াত industry হ'ব তাত যিবিলাক আমাৰ যুবক সকল নিয়োগ হ'ব, সেইটো শুনি ভাল লাগিছে। তথাপিও মই তেখেতক এটা প্ৰশ্ন শুধিব বিছাৰিছো, আপোনাৰ জৰিয়তে চাৰ, যে অসমৰ নিজাকৈ উদ্যোগনীতি নাই নেকি? যদি উদ্যোগনীতি আছে, তেনেহ'লে আপুনি যিটো উত্তৰ দিছে Annexure-1 ত, ৯ টা উদ্যোগ ইতিমধ্যে আমাৰ বন্ধ হৈ আছে। কি কাৰনত এই উদ্যোগ সমুহ বন্ধ হৈ থাকিল? আমাৰ যিটো ভাটিপাৰা বঙাইগাৱত যিটো ভাটিপাৰা spinning mill আছিল সেইটোও বন্ধ হৈ আছে, অশোক পেপাৰ মিল জোগীঘোপা সেইটোও বন্ধ হৈ আছে, আপুনি ইয়াতে ৯ টা উদ্যোগ বন্ধ হোৱা বুলি ঘোষনা কৰিছে। এই উদ্যোগ সমুহৰ পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হৈছেনে? নিজাকৈ উদ্যোগনীতি লৈ সেই উদ্যোগ নাতিৰ জৰিয়তে আমাৰ যি সকল নিবনুৱা যুৱক-যুৱতী আছে, তেওঁলোকে কৰ্ম সংস্কৃতিৰ জৰিয়তে কৰ্মৰ সন্ধান দিব পৰা ব্যৱস্থা কিবা লোৱা হৈছেনে? এই কথাটো মই আপোনাৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- Thank you মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ-অধ্যক্ষ ডাঙৰীয়া, আমাৰ অসমত নিজাকৈ State Industrial Policy আছে। কেবিনেটে পাছ কৰিছে আৰু মই ভাবো, আজি বোধয় উদ্যোগনীতিৰ notification হৈ যাব। মই যোৱা কালি file টো approve কৰিছো। গতিকে অধ্যক্ষ ডাঙৰীয়া আমাৰ যিটো উদ্যোগনীতি আছে, এইখন ভাৰতৰ ভিতৰত best উদ্যোগনীতি আমাৰ State ৰ। আমাৰ ২ টকাকৈ per unit আমি চাবচিদি দিম। গতিকে আমাৰ উদ্যোগনীতিত বিভিন্ন ধৰনৰ ব্যৱস্থা আছে। আৰু এই উদ্যোগনীতি সমুহৰ জৰিয়তে এমেচিমিৰ যিটো চেক্টৰ, সেই চেক্টৰ সমুহতো বহু পৰিমানে লাভাৱান্বিত হ'ব। গতিকে তেনেকুৱা উদ্যোগনীতি আছে। এতিয়া আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে ইয়াতে বাকী ইমানকেইটা উদ্যোগ বন্ধ হৈ আছে, সেইটো ২০০৬-০৭ চনতেই বন্ধ হৈ আছিল, এই বিলাক। গতিকে ২০০৬-০৭ চনতেই বন্ধ হৈ থকা কাৰনটো হ'ল এইটো। সময় নাই আচলতে ন'হলে মই বুজাই দিব পাৰিলো হয়, কিহৰ কাৰনে বন্ধ হৈছে আৰু কিয় নচলে ? যিটো আপোনাৰ অঞ্চলৰ কথা কৈছে, বৈঠামাৰীৰ, বা নোৱাপাৰা নোৱাপাৰাৰটো ইতিমধ্যে আমি প্ৰেট্ৰ'কেমিকেলৰ এটা ইউনিট কৰিবলৈ লৈছো। আপুনি জানে নিশ্চয় এইটো কথা। ইতিমধ্যে যিটো বৈঠামাৰিত বন্ধ হৈ গ'ল, তাত আমি APL ৰ পৰা Industry Department ৰ পৰা আমি এটা উদ্যোগ তাত এটা উদ্যোগ আমি তাত কৰিবলৈ লৈছো, ইথানল বনোৱাৰ কাৰনে। আৰু তাৰ উপৰিও এটা অধ্যক্ষ ডাঙৰীয়া যে আচলতে এই যে নোৱাপাৰা বৈঠামাৰি, টিহু, স্পিনিং, জাপকুছি আৰু আমাৰ জাগিৰোড, চিনট্ৰেক্স এইটো বন্ধ কিয় হ'ল ? অধ্যক্ষ ডাভৰীয়া, এই ভিচকাচটো আমি গুজৰাটৰ পৰা আনিছিলো। আমি ইয়াতে আমি সূতা তৈয়াৰ কৰিছিলো, সূতা তৈয়াৰ কৰি সেই সূতাৰে এপ'ল বুলি ৰঙিয়াৰ তুলসীবাৰীত এটা মিল হৈছিল। তাত কাপোৰ বনাইছিল। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমাৰ বঙাইগাওঁ পফাইনেৰীৰ যিটো ভিচকাচ সেই ভি চকচটো আগতে গুজৰাটৰ পৰা লোৱা নাছিলো, বঙাইগাওঁৰ পৰা লৈছিলো। কিন্তু বঙাইগাওঁত যিটো ভিচকচ প্ৰডিউচ কৰে বঙাইগাওঁ ৰিফেনাৰীৰ সেইটো বন্ধ হৈ গ'ল। বন্ধ হোৱাৰ ফলত ভিচকচটো আনিব লগা হ'ল গুজৰাটৰ পৰা । গুজৰাটৰ পৰা ভি চকচ আনি নোৱাপাৰা জাপ জাপকুছি, টিহু চিনটেক্স, জাগীৰোড বৈঠামাৰী এই গোটেই মিল চলাব লগীয়া হ'ল। বঙাইগাওঁ ৰিফাইনেৰী যেতিয়া বন্ধ হৈ গ'ল , গতিকে তাৰ পৰা যেতিয়া ভিচকচ আনি সূতা তৈয়াৰ কৰি চাৰ্ট বনাওঁ সেই চাৰ্টটোৰ costing যদি ১০০০ টকা হয়, সেইটো চাৰ্ট যদি গুজৰাট বা মহাৰাষ্ট্ৰৰ পৰা আহে, সেইটো ৩৫০ টকা পায়। গতিকে সেই viable নহয়। গতিকে গুজৰাটৰ পৰা ভিচকচ আনি কাপোৰ প্ৰস্তুত কৰাটো কোনো প্ৰকাৰে viable নহয়। গতিকে সেই কাৰনে এই মিলকেইটা বন্ধ হৈছে। এই মিল কেইটা বন্ধ হ'লে আপোনাক এটা কথাই জনাও অধ্যক্ষ মহোদয়, এই মিলকেইটাৰ মাটিখিনি আমাৰ Land Bank ত আহিছে। আমি তাতে উদ্যোগ কৰাৰ কাৰনে আমি ব্যৱস্থা গ্ৰহন কৰিম। এইখিনি কথা আপোনালোকক

মই জনালো কি সেইটো আমাৰ industry Department ৰ under ত থকা Assam Petrochemical Limited, Assam Gas Company Limited, D&TL limited, Assam tea Corporation limited এই কেইটা আমাৰ industry Department ৰ Company এই Company কেইটা চলি আছে। আৰু Assam Tea corporation ৰ বহিৰে বাকী কেইটা profitable Company ভালকৈ চলি আছে।

**Shri Abdur Rahim Ajmal (Jamunamukh):** Respected Speaker Sir, I will make it very short. The biggest reason I feel that the need to attract any kind of industry in Assam. The climate situation of Assam State has also been stablilised. The main concern is that the flood situation in Assam. Sir, if Assam is under water for one or two months in a year, no kind of industry will come here. which will.. So, from long time, AIUDF is demanding in Parilament also to declare this flood situation of Assam as National Calamity. So, if the Centre also put up the suggestion and fights through it and it's been declared as National Calamity, then, it can help the industries come in Assam too.

**মাননীয় শ্ৰী নোমল মমিন, (বোকাজান)ঃ** অধ্যক্ষ মহোদয়, Unstarred Q. No. 46 , য'ত Excise Minister এ দিছিল যে অৰুণাচল প্ৰদেশৰ পৰা legally যিবিলাক alcohol transport হৈ তাত digital System থাকিব লাগে আৰু গাড়ীত GPS system টো থাকিব লাগিব। তাতে গাড়ীৰ খিড়িকীত destination quantity permit আদি লগাই থ'ব লাগে । কিন্তু, যান-বাহন সমূহত এইবোৰ লগোৱা দেখা পোৱা নাযায়। মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনি কথাকে আপোনাৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে' পুৰকায়স্থ।

**মাননীয় শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Act East Policy ৰ যোগেদি South Asian Country সমূহত Business Hub কৰা হ'ব।এইটো অতি ভাল কথা। কিন্তু, অধ্যক্ষ মহোদয়, ১৯৩৭ চনৰ ৭ এপ্ৰিলত আমাৰ অসম বিধান সভাৰ প্ৰথম গৰাকী অধ্যক্ষ বাবু বসন্ত দাস আছিল। তেতিয়া আমাৰ অসমখন শ্বিলঙৰ লগত composite state আছিল। এইবোৰ তথ্য আমি জানিব লাগে আৰু তাৰ বাবে কিতাপ বা তেনেধৰণৰ ব্যৱস্থা ৰাখিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ে বেলেগে আগতেও কৈছে। এতিয়া point of order চলি আছে গতিকে বেলেগ কথা নক'ব।

**মাননীয় শ্ৰী দুৰ্গা ভূমিজ (ডুমডুমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালিৰ Unstarred Q. No. 214 ত চাহ-জনগোষ্ঠীৰ উন্নয়নৰ বাবে লোৱা আঁচনি মাননীয় বিধায়ক পবিন্দ্ৰ ডেকাই প্ৰশ্ন সুধিছিল যে বহু দীঘলীয়া আঁচনিৰ নাম আছে কিন্তু আচৰিত যে এই বিষয়ে আমি আগতে শুনা নাছিলো। এতিয়া এই আঁচনি সমূহৰ ২০% ও কাৰ্যকৰী হোৱা নাই। খোৱা-পানী যোগানৰ আঁচনি সমূহ হোৱা নাই। এইবোৰ কাৰ্যকৰী হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই বিষয়ে সংশ্লিষ্ট মন্ত্ৰীক লগ কৰিব। যদি উত্তৰত সন্তুষ্ট নহয় তেন্তে মোক জনাব।

**মাননীয় শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Starred Q. No. 5 ত সন্মানীয় সদস্য শ্ৰী গুনিন্দ্ৰ নাথ ডাঙৰীয়াই সুধিছিল যিটো বৰপেটা জিলা অৰ্থাৎ মোৰ জিলাখনৰে বিষয়। SVAYEM আঁচনিৰ বিষয়ে আলোচনা হৈছে আৰু মন্ত্ৰী মহোদয়ে ইতিমধ্যে উত্তৰো দিছে। এই আঁচনিটোৰ ক্ষেত্ৰত তেখেতে এটা প্ৰশ্ন কৰিছিল যে সময়ে সময়ে বেংক কৰ্মচাৰী

সকলে অসহযোগিতাৰ অভিযোগ বিভাগে কিবা পাইছেনে? অৰ্থাৎ বেংকে এইটো ক্ষেত্ৰত সহযোগিতা কৰিব নিবিচাৰে নেকি? এই বিষয়টোৰ ক্ষেত্ৰত চৰকাৰৰ এতিয়ালৈকে দৃষ্টিগোচৰ হোৱা নাই। এইটো হৈছে মূল কথা। এই আঁচনিটো সফল কৰিবলৈ হ'লে বেংকে সহযোগিতা কৰিব লাগিব। কিন্তু, আজিলৈকে কেৱল বৰপেটাতে নহয়, সমগ্ৰ অসমৰ জিলা সমূহতে বেংকে respond নিদিয়ে। কিন্তু, এই কথাটোৰ বিষয়ে মন্ত্ৰী মহোদয় বা বিভাগ যেতিয়ালৈকে অৱগত নহ'ব, তেতিয়ালৈকে এই আঁচনিটো সফল নহ'ব। গতিকে, এই বিষয়ে মই মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** উদ্যোগ মন্ত্ৰী ডাঙৰীয়া, আপুনি এইটো প্ৰশ্নৰ এতিয়া উত্তৰ দিব নালাগে। কিন্তু এই বিষয়টো আপুনি অলপ চাব আৰু মাননীয় বিধায়ক গৰাকীক জনাব।

**মাননীয় শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of Order ত Starred Q. No. 8 ত মাননীয় দেৱব্ৰত শইকীয়াদেৱে Reorganization of Block ৰ ক্ষেত্ৰত কৈছিল আৰু এইটো বিষয়ত যোৱা বছৰো প্ৰশ্ন উত্থাপন হৈছিল। যোৱা বছৰ যি উত্তৰ দিছিল এইবছৰো সেই একে উত্তৰ দিছে। আমাৰ হাজোৰ ক্ষেত্ৰত, ডিমুত নতুন Block আৰু ক্ষেত্ৰীহাৰ্ডিয়াত নতুন Block হ'ব। এইটো কাৰণে আমি বিৰোধিতা কৰিব লাগে। এইটো আমি মানি নলৈ নতুনকৈ Reorganization ৰ ক্ষেত্ৰত proposal submit কৰিছিলো আৰু DC য়ে forward কৰিছিল। তাৰ পিছতো একেটা উত্তৰ পোৱাৰ বাবে আমি বৰ দুঃখিত।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, এই বিষয়ে আপুনি চাব।

**মাননীয় হাফিজ বচিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Q. No. 5 ত আছিল যে প্ৰত্যেক জিলাত blockwise এখন Vigilance Monitoring Committee থাকে। বেলেগ জিলাৰ বিষয়ে ক'ব নোৱাৰিম কিন্তু, ধুবুৰী জিলাত ছয় বছৰ আগতে এই কমিটিখন গঠন হৈছিল। কিন্তু এতিয়া নতুন চৰকাৰ অহাৰ পিছতো কমিটিখন পুনৰ গঠন কৰা হোৱা নাই। যাৰ কাৰণে Vigilance Monitoring Committee ৰ মিটিং পাতিব পৰা নাই। যাৰ কাৰণে মই সংশ্লিষ্ট মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলো যে অতি শীঘ্ৰে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰে যেন।

**মাননীয় অধ্যক্ষঃ** P&RD Minister, please note.

এতিয়া ৰূপজ্যোতি কুৰ্মীয়ে কওঁক।

**মাননীয় শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদনৰ শাসক আৰু বিৰোধী উভয়ৰে এটা ডাঙৰ concern আছিল যে যোৰহাটৰ মহিলা বিশ্ববিদ্যালয়।

**মাননীয় অধ্যক্ষঃ** আপুনি এই বিষয়ে কথা পাতিবলৈ কাইলৈ মোৰ ওচৰত আহিব।

এতিয়া শূন্যকালীন ঘণ্টা আৰম্ভ কৰিছো। মই প্ৰথমে মাননীয় সদস্য ডঃ ৰণোজ পেগু ডাঙৰীয়াক বাতৰি কাকতত প্ৰকাশিত Act East Policy ৰূপায়ণৰ ক্ষেত্ৰত যিটো বাতৰি তাৰ ওপৰত ক'বলৈ অনুৰোধ কৰিছো।

**ডঃ ৰণোজ পেগু, (ধেমাজী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয় হ'ল- Act East Policy আৰু Advantage Assam । এই বিষয়টোৰ ওপৰত মোক বক্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। কেৱল সমস্যাৰ কথা পাতিলে নহ'ব তাৰ সমাধানৰ বা সম্ভাৱনাৰ কথা আমি পাতিব লাগিব। যোৱা পৰহি Act East Policy ৰ ওপৰত ৰূপায়ণৰ এক অনুষ্ঠানত মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই

ঘোষণা কৰিছিল। তেখেতে কৈছে যে চঞ্জৰজ্জ চনত আমাৰ যি Advantage Assam ত বিনিয়োগৰ conclave হৈছিল, সেই বিনিয়োগৰ conclave ত এতিয়ালৈকে ৰাজ্যখনত প্ৰায় ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ পথ মুকলি হৈছে। আমাৰ ৰাজ্যৰ য'ত এতিয়াও বাৰ্ষিক বাজেট ১ লাখ কোটি টকাও স্পৰ্শ কৰা নাই বা কৰিব পৰা নাই, সেইখন ৰাজ্যৰ বাবে ৫০ হাজাৰ কোটি টকা বেচৰকাৰী খণ্ডত উদ্যোগীকৰণৰ বাবে বিনিয়োগ হৈছে সেইটো আমাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ কথা আৰু ইয়াৰ সবিশেষ আমি সদনত সকলোৰে জানিবৰ বাবে উদ্‌গ্ৰীৱ। ইয়াৰ লগতে আমি সকলোৰে জানো যে আজি কেইদিন মান আগতে ভাৰতবৰ্ষৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ব্যক্ত কৰিছিল যে তেখেতে ভাৰতবৰ্ষৰ অৰ্থনীতি ২০২৪ চনৰ ভিতৰত ৫ ট্ৰিলিয়ন ডলাৰ হোৱাটো বিচাৰে আৰু সেই লক্ষ্যত উপনীত হ'বৰ বাবে তেওঁ এক দৃঢ় পৰিকল্পনাৰ কৰিছে আৰু তাৰ কাম আৰম্ভ হৈছে। ভাৰতবৰ্ষৰ অৰ্থনীতি ৫ ট্ৰিলিয়ন ডলাৰ স্পৰ্শ কৰিবলৈ হ'লে আমি আমাৰ উত্তৰ-পূৰ্বাঞ্চল আৰু অসমে তাত কি অৱদান আগবঢ়াম তাৰ বাবে আমাৰ পৰিকল্পনাৰ প্ৰয়োজন। আমি যদি Act East Policy চাওঁ, তেন্তে ২০০৭ চনত ইয়াক Look East Policy বুলি কোৱা হৈছিল। ২০১৪ চনত নৰেন্দ্ৰ মোদী ডাঙৰীয়া কেন্দ্ৰীয় চৰকাৰলৈ অহাৰ পিছত তেখেতে ক'লে যে-চাই থাকিলে কি হ'ব, কাম কৰিব লাগিব। তাৰ কাৰণে আজি Act East Policyখন আহিল। অৰ্থাৎ এক নিৰ্দিষ্ট পৰিকল্পনা লৈ নিৰ্দিষ্ট কিছুমান কাম-কাজ আগবঢ়াই নিব লাগিব। যাৰ ফলশ্ৰুতিত Advantage Assam ত Act East Policy য়ে আটাইতকৈ বেছি গুৰুত্ব লাভ কৰিছে আৰু আমাৰ চৰকাৰখনে Act East Policy ৰূপায়ণ কৰিবৰ বাবে এক সুকীয়া দপ্তৰ - Act East Policy Affairs Department ইতিমধ্যে মুকলি কৰিছে। ইয়াত যদি আমি চাওঁ ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ আগত আমাৰ এই উত্তৰ-পূৰ্বাঞ্চল কি আছিল আৰু ১৯৪৭ চনৰ পাছত আমাৰ কি হ'ল। প্ৰাচীন কালৰে পৰা আমি জানো চীন দেশৰ লগত আমাৰ ব্যৱসায়-বাণিজ্য আছিল, বাৰ্মাৰ লগত আমাৰ ব্যৱসায়-বাণিজ্য আছিল। আজি যি বাংলাদেশ হৈছে, এই বাংলাদেশৰ লগত আমাৰ ব্যৱসায়-বাণিজ্য আছিল। কিন্তু দেশ বিভাজনৰ কাৰণে ১৯৪ চনত বৃটিছে দেশ বিভাজন কৰিলে, দেশ বিভাজন কৰাৰ কাৰণে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আমি এটা ভৌগলিকভাৱে বিচ্ছিন্ন Land Lock অঞ্চলত পৰিণত হ'লো। আমাৰ পিছফালৰ সকলোবিলাক দুৱাৰ বন্ধ হৈ গ'ল, মাত্ৰ এখনহে দুৱাৰ খোলা থাকিল। সেইখন হ'ল এটা Narrow Corridor. শিলিগুৰিয়েদি ভাৰতবৰ্ষৰ মূল ভূ-খণ্ডৰ লগত। বাৰ্মাৰ লগত আমাৰ যোগাযোগ বন্ধ হৈ গ'ল, চীনৰ লগত আমাৰ যোগাযোগ বন্ধ হৈ গ'ল । East পাকিস্তান তেতিয়াৰ বা এতিয়াৰ বাংলাদেশৰ লগত যোগাযোগ বন্ধ হৈ গ'ল। আৰু তাৰ কাৰণে আমাৰ যি অৰ্থনৈতিক অনগ্ৰসৰতা, আজি উদ্যোগৰ ক্ষেত্ৰত সমগ্ৰ ভাৰত বৰ্ষৰ ভিতৰত যদি পিছপৰি আছো, পিছ পৰি থকা অন্যতম প্ৰধান কাৰণ হ'ল যে আমি ভৌগলিকভাৱে ভাৰতবৰ্ষৰ মূল ভূ-খণ্ডৰ পৰা বিচ্ছিন্ন হৈ পৰিলো আৰু আমাৰ চুবুৰীয়া যিসমূহ ৰাষ্ট্ৰ আছিল, সেই চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ লগতো আমাৰ যোগাযোগ, যাতায়ত বিলাক সম্পূৰ্ণ বন্ধ হ'ল। আমি এতিয়াহে জানিব পাৰিছো যে ১৯৪৭ চনৰ আগত লিডুৰ পৰা এটা ৰেল লাইন আহিছিল। যিটো ৰেল লাইন ছিটাগং বন্দৰলৈকে, সেই ৰেল লাইন গৈছিল। ম'ৰে হৈ ইয়াংগুনলৈকে আমাৰ পথ যোগাযোগ আছিল। কিন্তু সেই সকলোবিলাক বন্ধ হৈ গ'ল। কিন্তু আজি মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া অহাৰ পিছত যেতিয়া Act East Policy হৈছে আৰু এই Act East Policy ৰ জৰিয়তে এতিয়া কৈছে যে সেই ৰাস্তাবিলাক মুকলি কৰা। তেওঁ এই ৰাস্তাবিলাক খুলিবলৈ কৈছে। পঞ্চপথ, যেনে- ৰাস্তা, ৰেল, Air connectivity, Water Ways আৰু

Information ways. এই পাঁচটা পথ চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ লগত তেওঁ মুকলি কৰি ব্যৱসায়, বাণিজ্য, সাংস্কৃতিক, শৈক্ষিক আদান-প্ৰদান এই পৰিসৰটো বৃদ্ধি কৰিবৰ কাৰণে পৰিকল্পনা ল'বলৈ আহ্বান জনাইছে। যাৰ প্ৰতি সঁহাৰি জনাই অসমেই একমাত্ৰ ৰাজ্য ভাৰতবৰ্ষত, যি ৰাজ্যত Act East Policy Department এটা খুলিছে আৰু এই Act East Policy Department ক লৈ আমি এই ব্যৱসায়-বাণিজ্যক কেনেধৰণে আৰম্ভ কৰিব পৰা যায়, কেনেধৰণে সাংস্কৃতিক, শৈক্ষিক আদান-প্ৰদান কৰিব পৰা যায়, এই বিষয়টো লৈ চৰকাৰ আগবাঢ়িছে আৰু এই Act East Policy ৰ অধীনত আজি কিছুদিন আগত ২৬ জুনৰ পৰা ৪ জুলাই লৈকে আমাৰ বিধায়কৰ দল আৰু অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়া এই Act East Policy Department এ আমাক এক বাচ Tour ত লৈ গৈছিল বাংলাদেশ আৰু ম্যানমাৰৰ কাৰণে। আমি ইয়াৰ পৰা একেদিনাই গৈ চিলেট চিটি পালো। পিছদিনাখন আমি আকৌ চিলেটৰ পৰা চুতাৰকান্দি বোৰ্ডাৰেদি আমি কৰিমগঞ্জ আহিলো। তাৰ পিছদিনা আমি আকৌ ইম্ফললৈ গৈ, ইম্ফলৰ পৰা গাড়ীৰে আমি ম'ৰে হৈ, ম'ৰেৰ পৰা মান্দা চিটিলৈ আমি প্ৰায় দুদিনীয়া যাত্ৰা কৰিলো বাছেৰে আৰু এই যাত্ৰাকালত মোৰ সতীৰ্থ হিচাপে গৈছিল এতিয়া মাননীয় উপাধ্যক্ষ শ্ৰী আমিনুল হক লস্কৰ ডাঙৰীয়া, প্ৰাক্তন উপাধ্যক্ষ শ্ৰী দিলীপ পাল ডাঙৰীয়া, মাননীয় বিধায়ক শ্ৰী দেৱানন্দ হাজৰিকা ডাঙৰীয়া, শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া, শ্ৰী কুশল দুৱৰি ডাঙৰীয়া, শ্ৰী মতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানী তেওঁলোকো মোৰ লগত সতীৰ্থ হিচাপে গৈছিল। আমি বহুত সম্ভাৱনা দেখিলো। ম্যানমাৰলৈ গৈ এনেকুৱা লাগিল যেন আমি এখন বেলেগ দেশলৈ অহা নাই। আমি নিজৰ দেশৰ ভিতৰতে আছো। তাৰ Landscap, তাৰ মাটি, বায়ু, পানী, মানুহৰ চেহেৰা এই সকলোবিলাক চাই দেখিলো, মোৰ এনেকুৱা লাগিল যে মই পাঁচিঘাটৰ ফালে আছো নেকি, অৰুণাচলৰ ভিতৰত বা নগালেণ্ডৰ ভিতৰৰ কোনোবা অঞ্চলত আছো নেকি ? তেনেকুৱা এক পৰিৱেশ আমি দেখিলো আৰু বহুত সম্ভাৱনা দেখিলো, যি সম্ভাৱনাই এই পথসমূহ মুকলি হ'লে আমাৰ দুয়োখন দেশৰ মাজত যি বিনিময় হ'ব, কেৱল ব্যৱসায়-বাণিজ্যই নহয়, আমাৰ সাংস্কৃতিক, শৈক্ষিকভাৱে আৰু সাংস্কৃতিক ভাবে আমি সকলোৱেই জানো আমাৰ এটা খুব সুন্দৰ ইতিহাস আছে। আমাৰ সংস্কৃতি একে, আমাৰ ইতিহাসৰ লগত বাৰ্মাদেশ বা আজি ম্যানমাৰ তেওঁলোক আমাৰ লগত জড়িত। কিন্তু আমাৰ আজি সেইবিলাক দেশৰ লগত যোগাযোগ টো বহুত দূৰ । মই কিমান দূৰ সেইটো এটা উদাহৰণ দিব বিচাৰো। আমাৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া, তেখেতে আমাৰ লগত বাচেৰে যাত্ৰা কৰিছিল। বাংলাদেশ গৈছিল, বাংলাদেশৰ পৰা ঘূৰি আহিল, ঘূৰি অহাৰ পিছত যিহেতু ১ জুলাই তাৰিখে গুৱাহাটী-ঢাকা এৰোপ্লেনখন উদ্বোধন কৰিব লগা আছিল, গতিকে তেখেতে ইম্ফলৰ পৰা ম'ৰে হৈ মান্দালৈ যি বাচ যাত্ৰা আছিল, এইটোত তেওঁ নগৈ তেওঁ ক'লে যে এই এৰোপ্লেনখনৰ উৰণটো উদ্বোধন কৰি মই কলিকতা হৈ পুনৰ মান্দালয়লৈ এৰোপ্লেনেৰে আহিম। আমি যেতিয়া মান্দালয়লৈ গৈ পালো পিছদিনা ৰাতিপুৱা ১১ টা বজাত মান্দালয়ৰ আঞ্চলিক তেওঁলোকৰ ৰাজ্যিক চৰকাৰ আৰু তেওঁলোকৰ চেম্বাৰচ অফ কমাৰ্চৰ লগত ১১ বজাত আমাৰ মিটিং আছিল। মন্ত্ৰী ডাঙৰীয়া আহি পালে। মই তেখেতেক সুধিলো আপুনি কোনফালে আহি পালে। তেখেতে ক'লে যে মই গোটেই ৰাতিটো এক বিন্দুও শুব পৰা নাই। কাৰণ মই কলিকতা আহি পালো ঠিকেই গধূলি সময়ত। কিন্তু কলিকতাৰ পৰা মই যাব লগা হ'ল চীনৰ ইউনান প্ৰদেশত থকা কুনমিং এয়াৰপোৰ্টলৈ মাজনিশা। প্ৰায় আঢ়ৈ ঘণ্টা সময় উৰি কুনমিং পালো ৰাতিপুৱা। কুনমিংৰ পৰা পুনৰ এখন এৰাপ্লেনত উঠি মই মান্দালয় চিটিলৈ ৯.৩০ বজাত আহিলো, আহিয়েই মই ১১টা বজাত মিটিঙত উপস্থিত হৈছো আৰু মই এক বিন্দুও শুব

পৰা নাই। পিচত মই তদন্ত কৰি গম পালো যে হয় তেখেতে বহুত দূৰ ইয়াৰ পৰা কলিকতা, কলিকতাৰ পৰা কুনমিং, কুনমিং ক'ত ? ইউনান প্ৰদেশত। যিখন ইউনান প্ৰদেশৰ পৰা আমাৰ পূৰ্ব পুৰুষ টাই আহোমসকল স্বৰ্গদেউ চুক্যুফা এই ইউনান প্ৰদেশৰ পৰা আমাৰ অসমলৈ আহিছিল, ৰাজ্যত প্ৰৱেশ কৰিছিল। কিন্তু সেইখন দেশ, যিখন দেশৰ পৰা চাউলুং চুকাফা আহিছিল, সেই অঞ্চলটো আমাৰ ইয়াৰ পৰা এতিয়া বহুত দূৰত হ'ল। কিন্তু আচলতে দূৰ নহয়। তেখেতে ইমানবোৰ বাট ঘূৰিব নালাগিলহেঁতেন, যদি ডিব্ৰুগড়ৰ পৰা ইউনান প্ৰদেশৰ কুনমিংলৈ যদি এটা এয়াৰ চাৰ্ভিচ থাকিলেহেঁতেন, এখন ফ্লাইট থাকিলেহেঁতেন, সেই ফ্লাইটখনত সময় লাগিলেহেঁতেন মাত্ৰ ৪৫ মিনিট। অৰ্থাৎ মাত্ৰ ৪৫ মিনিট দূৰত্বত ইউনান প্ৰদেশ আছে। কিন্তু আমাৰ লগত যোগাযোগ নাই। আমাৰ ইতিহাস আছে, আমাৰ লগত কোনো যোগাযোগ নাই। উত্তৰ বাৰ্মা, যি বাৰ্মাত যেতিয়া মানে অসম আক্ৰমণ কৰিছিল, সেই মান্দালয়লৈ, তেওঁলোকৰ তাত ৰাজধানী আছিল। তেওঁলোকে যেতিয়া অসম আক্ৰমন কৰিছিল, আমাৰ বহুত ধৰি লৈ গৈছিল। সেইবিলাক মানুহৰ সতি-সন্ততি তাত এতিয়াও বাৰ্মা দেশত আছে। আমাৰ তেওঁলোকৰ লগত সম্পৰ্ক আছে, কিন্তু এটা ৰাজনৈতিকভাৱে সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হ'ল, আমাক land lock কৰি দিয়া হৈ গ'ল, আমি যাব নোৱাৰা হৈ গ'লো, সকলো ইতিহাস মৰহি গ'ল। সেই ইতিহাস এতিয়া Act East Policy ৰ জৰিয়তে পুনৰ উজ্জীৱিত হ'ব। কিন্তু মই উত্থাপন কৰাৰ বিষয়টোৰ মূল কাৰণ হ'ল- আমি সম্ভাৱনা বহুত দেখি আহিলো কিন্তু প্ৰকৃতাৰ্থত Act East Policy অধীনত চৰকাৰে কি কি পদক্ষেপ লৈছে, সেইটো এই পৱিত্ৰ সদনে আমি জানিব লাগে আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ সেইটো আমি জানিব পাৰিম বুলি ভাৱিছো আৰু জানিলে আমি উপকৃত হ'ম বুলি ভাৱিছো। ব্যৱসায়-বাণিজ্য কি কি আগবাঢ়িছে। আমি উপলব্ধি কৰিছো যে এই চুবুৰীয়া দেশৰ ইউনিৰ্ভাচিটি আৰু আমাৰ দেশৰ ইউনিৰ্ভাচিটিৰ মাজত যদি কোৰ্পোৰেশ্যন হয়, আমি বহুত ক্ষেত্ৰত আগবাঢ়ি যাবও পাৰিম, তেনেকুৱা কিবা কোৰ্পোৰেশ্যন হৈছে নেকি ? আমাৰ সংস্কৃতিৰ এটা মিল আছে। তাৰ কাৰণে সাংস্কৃতিক বিনিময়ৰ কিবা পৰিকল্পনা আমাৰ চৰকাৰখনে কৰিছে নেকি ? আমি সম্ভাৱনা দেখিছো। Tourism বিশেষকৈ মেডিকেল Tourism ৰ প্ৰচুৰ সম্ভাৱনা আছে। বাংলাদেশত সুধিছো, তেওঁলোকে আমাক জনাইছে যে আমাৰ জটিল কিছুমান চিকিৎসাৰ কাৰণে আমি কলিকতালৈ যাবলগীয়া হৈছে। আমি ইয়াৰ পৰা হায়দৰাবাদ, চেন্নাই, দিল্লীলৈ যাব লগা হয়, কিন্তু তাতকৈ ওচৰত আপোনালোক গুৱাহাটীত আছে। ম্যানমাৰত তাৰ মানুহে জনাইছে তেওঁলোকে lever transplant ৰ কাৰণে, Kidney transplant ৰ কাৰণে বেংকক হৈ ১৪ ঘণ্টা তেওঁলোকে ভ্ৰমণ কৰি তেওঁলোক হায়দৰাবাদ, কলিকতালৈ আহিব লগা হয়। কিন্তু তাৰ পৰা যদি এখন পোনপটীয়া ফ্লাইট থাকে গুৱাহাটীলৈ, গুৱাহাটীয়ে যদি সেই মেডিকেল Tourism ৰ সেই চিকিৎসাৰ সুবিধা যদি দিব পাৰে, আমাৰ যদি আন্তঃগাঁথনি তেনেকুৱা হয়, তেনেহ'লে এক ডেৰ ঘণ্টাতে ইয়াংগুনৰ পৰা তেওঁলোকে গুৱাহাটীলৈ আহিব পাৰবি আৰু ইয়াৰ জৰিয়তে মেডিকেল Tourism টো বিকশিত হ'ব। অন্যান্য Tourismৰ নিশ্চিতভাৱে পাৰে। গতিকে এই সম্ভাৱনা বিলাক যে আগতে যেনেকৈ মাননীয় শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আহি কলে যে চাই থাকিলে কি হ'ব। যদি আমি নিৰ্দিষ্টকৈ আমি কিছুমান কাম নকৰো। ঠিক তেনেকৈ এতিয়াও কেৱল Act East Policy বুলি কৈ থাকিলে নহব। ইয়াৰ কাৰণে নিৰ্দিষ্ট কিছুমানাম action ল'ব লাগিব আৰু ইয়াৰ লগত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো আছে যে Civil Society ৰ responsibility। আজি গুৱাহাটী খন উত্তৰ-পূৰ্বাঞ্চলৰ এটা শিক্ষাৰ কেন্দ্ৰ, শৈক্ষিক hub হিচাপে বিকশিত

হৈ আছে। ইয়াৰ মাজতে কিছুমান আমাৰ ইয়াত অৰুনাচলৰ ছাত্ৰ-ছাত্ৰী, নগালেণ্ড, মণিপুৰ, মিজোৰামৰ ছাত্ৰ-ছাত্ৰীয়ে ভৰি পৰিছে গুৱাহাটীত। তাৰ মাজত কেতিয়াবা অপ্ৰীতিকৰ ঘটনা ঘটে যিটো দূৰ্ভাগ্যজনক। আমাৰ অৰ্থনীতিলৈ এইসকল চুবুৰীয়া ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়ে ডাঙৰ অৱদান আগবঢ়াই আছে এই কথাটো আমি সকলোৰে উপলব্ধি কৰিব লাগিব। ঠিক তেনেকৈ এই গুৱাহাটীখনক যদি সমগ্ৰ South East Asia ৰ এক শৈক্ষিক চেন্টাৰলৈ বিকশিত কৰিব পৰা যায়, যি শৈক্ষিক চেন্টাৰত ম্যানমাৰৰ পৰা ছাত্ৰ-ছাত্ৰী আহিব, ভূটানৰ পৰা ছাত্ৰ-ছাত্ৰী আহিব, লাউচ ভিয়েটনাম কামব'ডিয়াৰ পৰা ইয়ালৈ ছাত্ৰ-ছাত্ৰী আহিব, বাংলাদেশৰ পৰা ছাত্ৰ-ছাত্ৰী আহিব। শৈক্ষিক ভাৱে তেনে এক পৰিবেশ সৃষ্টি কৰিব পাৰিলে সিও আমাৰ অৰ্থনীতিলৈ ডাঙৰ অৱদান আগবঢ়াব। যোৱা এখন বাতৰি কাকত, এটা বাতৰি পঢ়িছো যে পৃথিৱীৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ কাৰণে আটাইতকৈ অনুকূল মহানগৰখন হ'ল লণ্ডন। ছাত্ৰ-ছাত্ৰীৰ সকলো সা-সুবিধা আন্তঃগাথনিৰ লগতে নিৰাপত্তা এইখিনি লাভ কৰে। ভাৰতবৰ্ষৰ ভিতৰত এই চহৰখন হ'ল বেংগেলুৰ যে ছাত্ৰ-ছাত্ৰীৰ কাৰণে খুব অনুকূল। এতিয়া আমি তেনেকুৱা অনুকূল পৰিবেশ যদি গুৱাহাটীখনত গঢ়ি তুলিব পাৰো তেনেহলে গুৱাহাটীৰ সেই সম্ভাৱনা আছে যে গুৱাহাটীখন International Educational Institution ৰ এটা hub হ'ব পাৰে, য'ত পঢ়িবৰ কাৰণে ম্যানমাৰ, লাওচ, ভিয়েটনাম, কম্বোদিয়া, ভুটান, বাংলাদেশ আদি বিভিন্ন দেশৰ পৰা ছাত্ৰ-ছাত্ৰী আহিব। তেতিয়া আমি এই South-East Asia ভিতৰত এটা major player হ'ব পাৰিম। কিন্তু এইবিলাকৰ কাৰণে ৰাইজৰ মাজতো সজাগতাৰ সৃষ্টি হ'ব লাগিব আৰু চৰকাৰখনেও নিৰ্দিষ্ট কিছুমান পদক্ষেপ গ্ৰহন কৰিব লাগিব। তাৰবাবে চৰকৰখনে কি ধৰণৰ নিৰ্দিষ্ট পদক্ষেপ গ্ৰহন কৰিছে তাৰ বিষয়ে মই জানিব বিচাৰিছো। লগতে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক সকলো বিধায়কৰ হৈ ধন্যবাদ জনাম যে তেওঁ বাংলাদেশ আৰু ম্যানমাৰলৈ উৰাজাহাজেৰে নহয়, বাছেৰে যোৱাৰ সুযোগ কৰি দিলে। বাকী সকল বিধায়ককো এনেকুৱা ধৰণৰ সুবিধা প্ৰদান কৰিবলৈ মই তেখেতক আহ্বান জনাইছো। ইয়াৰ উপৰিও South-East Asia ৰ অন্যান্য ৰাষ্ট্ৰ যেনে ভিয়েটনাম, কম্বোদিয়া এইবিলাকলৈও যোৱাৰ কাৰণে সকলো বিধায়কক যাতে এটা সুবিধা দিয়ে তাৰকাৰণে মই আপেনাক আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ "প্ৰতিদিন কাকতত" উল্লেখিত এটা বাতৰিৰ সম্পৰ্কত ৰণোজ পেগু ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে সেই কথাটো আমাৰ চৰকাৰৰো দৃষ্টিগোচৰ হৈছে। পেগু ডাঙৰীয়াক মই ধন্যবাদ জনাইছো যে তেখেতে ইমান সাৱলীল ভাৱে গোটেই কথাখিনি কম সময়ৰ ভিতৰত বৰ্ণনা কৰিছে। তেখেত দীৰ্ঘদিন ধৰি অসমীয়া সমাজ জীৱনৰ লগত জড়িত এজন ব্যক্তি। যদিও তেখেত এজন ডক্টৰ, জনজীৱনৰ উন্নয়ণৰ কাৰণে নিজৰ ডাক্টৰী জীৱিকা বাদ দি সমাজৰ কামত আত্মনিয়োগ কৰিছে। গতিকে তেখেতৰ যিটো সামাজিক commitment, সেইটো মই ভালদৰে জনো। সেইকাৰণে তেখেতে গোটেই কথাখিনি ভালদৰে হৃদয়ঙ্গম কৰিছে। আমি শেহতীয়াভাৱে যিটো tour লৈছিলো, মই দেখিছো আমাৰ প্ৰায় কেইজন বিধায়কে তাত গুৰুত্ব দিছিল আৰু পেগু ডাঙৰীয়াকো মই দেখিছিলো যে তেওঁ প্ৰতিটো ঠাইত নিজে এটা কেমেৰা ফটো সংগ্ৰহ কৰিছে আৰু গোটেইখিনি documentation কৰিছে। সকলোৰে তাত আৰু দুদিনমান বেছিকৈ থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল।

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিটো দলৰ বিধায়কৰ নাম দিছিল কিন্তু বি.জে.

পি. দলৰ  বিধায়কৰ বাহিৰে আন দলৰ কোনো বিধায়ক এই tour  লৈ নগল। গতিকে আমাৰ পেগু ডাঙৰীয়াই কোৰাৰ নিচিনাকৈ আমি বাকী সকল বিধায়ককো  এই সুবিধা দিয়াৰ বাবে চেষ্টা কৰিম।

আগতে আমি Look East Policy ত পূৰলৈ চাই থাকি লো। কিন্তু পূৰৰ পৰা একো নাহিল আৰু আমাৰ পৰাও একো নগল। তাৰপিছত মোদী ডাঙৰীয়াই আহি ক'লে যে Stop Looking and Start Acting.  তাৰ পিছতে Act East Policy  হ'ল। মই কিছুদিন আগতে বিধানসভাতো কৈছিলো Act East Policy, Skill Development Industry আৰু Agriculture এই কেইটা হৈছে অসমৰ ভৱিষ্যত।  গতিকে এই কেইটা ক্ষেত্ৰত আমি আগবাঢ়িবলৈ হ'লে আমাক connectivity ৰ প্ৰয়োজন হ'ব। পেগু ডাঙৰীয়াই কৈছিল যে আগতে আমাৰ ৰাস্তা আছিল,  পাছত এই ৰাস্তা সমূহ বন্ধ হৈ গল আৰু আমি land lock  হৈ গলো। গতিকে শিলিগুৰিত থকা মাত্ৰ ১৮ কিলোমিটাৰৰ এটা  stress, chicken neck  ৰ জৰিয়তে main land India  ৰ লগত আমি জড়িত হৈ থাকিলো।

আমি পূৰলৈ চাই থাকিলো কিন্তু তাৰপৰা একো নাপালো। গতিকে মোদী ডাঙৰীয়াই কৈছে যে আমাৰ যি ৮৫ কোটি মানৰ বজাৰ আছে এইখনক লৈ তোমালোকে কাম কৰা। তাৰ ওপৰত কাম কৰিলে তোমালোকৰ উদ্যোগ, বাণিজ্য সেইবিলাক বাঢ়িব আৰু ৰাজ্যখনো আগবাঢ়ি যাব। অসমখন তেতিয়া ভাৰতবৰ্ষৰ এখন অন্যতম ধনী ৰাজ্য হিচাপে গঢ়ি উঠিব। অধ্যক্ষ ডাঙৰীয়া, ১৮৯৫ ত এটা Railway line  আছিল চিতাগং পোৰ্টৰ পৰা মাকুমলৈ। ১৯১৫ ত এটা Railway line  আছিল  Cox Bazar ৰ পৰা লিডুলৈকে। হাইড্ৰকাৰ্বণ চেক্টৰত অসম যথেষ্ঠ ধনী আছিল আৰু কাঠ , কয়লা,  এইবিলাক দিশত আমি ধনী আছিলো। যেতিয়া অসমত বৃটিছৰ ৰাজত্ব আছিল ভাৰতৰ ভিতৰত অসমতেই per capita income  সকলো ৰাজ্যতকৈ বেছি আছিল। তেতিয়া ভাৰতবৰ্ষৰ GDP ৰ ভিতৰত অকল অসমৰে ২২ শতাংশ GDP ৰ contribution  আছিল। আজি আমাৰ  GDP মাত্ৰ ২শতাংশ। ইয়াৰ কাৰণ আছিল সেই সময়ত আমাৰ বেপাৰ-বাণিজ্য বিলাক চিতাগং পোৰ্টলৈ গৈছিল আৰু তাৰপৰা আমি গোটেই বিশ্বত বেপাৰ কৰিব পাৰিছিলো।

১৯৬৫ ত যেতিয়া Indo -Pakistan war  হ'ল তেতিয়া চিতাগং পোৰ্টলৈকে আমাৰ access  টো বন্ধ হৈ গল। তাৰ লগে লগে  আমাৰ বেপাৰ বাণিজ্য আৰু উদ্যোগ কমি আহিল। তাৰ পিছত মোদী জী ভাৰত বৰ্ষৰ প্ৰধানমন্ত্ৰী হোৱাৰ পিছত বাংলাদেশ cabinet এ সিদ্ধান্ত লৈছে যে চিতাগং পোৰ্টলৈকে ভাৰতৰ অকল উত্তৰ-পূৰৰ ৰাজ্যকেইখনক তেখেতলোকে access দিব। অধ্যক্ষ ডাঙৰীয়া, without connectivity  এখন ৰাজ্য বা এখন দেশ কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। আমেৰিকাত এটা popular slogan  আছে যে American Roads are good not because America is a rich country. America is a rich country because its  Roads are good. তাৰমানে connectivity আটাইতকৈ গুৰুত্বপূৰ্ণ। আজি মোদী ডাঙৰীয়াই ৫ টা connectivity ৰ কথা  কৈছে। এটা হৈছে Highway- আজি আমাৰ Highway ৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। কাজিৰঙাৰ ওচৰত এটা-দুটা stress আছে এইখিনি অতি সোনকালে হৈ যাব। দ্বিতীয়টো হৈছে Railway-  আমাৰ public Rail way আৰম্ভ হৈছে, Electric railway  আৰম্ভ হ'ল। তৃতীয়টো হ'ল Airways- আমাৰ চৰকাৰ অহাৰ আগত গুৱাহাটী Airport ৰ পৰা প্ৰায় ৫০-৬০ খন উৰাজাহাজ গৈছিল কিন্তু

আমাৰ চৰকাৰ অহাৰ পিছত তাৰ পৰা প্ৰতিদিনে ১২৫ খন উৰাজাহাজ যায়। প্ৰায় ৬০ লাখ যাত্ৰী প্ৰতিবছৰে ইয়াৰ পৰা গৈ আছে। এতিয়া গুৱাহাটী Airport ত এটা নতুন Terminal হৈ আছে যিটো দিল্লী P3F Airport ৰ নিচিনা আটকধুনীয়াকৈ তৈয়াৰ কৰা হ'ব আৰু দুবছৰৰ ভিতৰত ইয়াৰ কাম সম্পূৰ্ণ হ'ব। এতিয়া গুৱাহাটী এয়াৰপোৰ্টৰ পৰা ১২ শ ৫০ কোটি নতুন টাৰমিনেল হৈ আছে। যিটো এতিয়া দিল্লী বি থ্ৰি এফ এয়াৰপোৰ্টৰ নিচিনা আটকধুনীয়া এয়াৰপোৰ্ট এটা আমাৰ দুবছৰৰ ভিতৰত সম্পূৰ্ণ হৈ যাব। ঠিক তেনেকৈ শিলচৰত আমি গ্ৰীন ফিল্ড এটা এয়াৰপোৰ্ট বনাবলৈ লৈছো। যিটো এয়াৰপোৰ্ট South East Asia connectivity হ'ব।অধ্যক্ষ মহোদয় আমি যোৰহাটতো এটা এয়াৰপোৰ্ট বনাবৰ বাবে পৰিবহন বিভাগৰ ফালৰ পৰা পইচা দিছো। ডি চি ক আমি মাতি ৰিকুইজেশ্যন কৰি আমি এয়াৰপোৰ্টটো এক্সটেইন কৰিবলৈ লৈছো। লখিমপুৰৰ যিটো এয়াৰপোৰ্ট ইতিমধ্যে তাত ফ্লাইট অপাৰেশ্যন আৰম্ভ হৈছে। আমি স্পাইচ জেটক লখিমপুৰ, গুৱাহাটী, দিল্লীলৈকে ডাইৰেক্ট ফ্লাইট এখন দিবৰ কাৰণে অনুৰোধ কৰিছো। যিটো এতিয়া কলিকতালৈ দি আছে। তেজপুৰলৈ আমি আৰ চি এচ ৰ জৰিয়তে ফ্লাইট অপাৰেশ্যনৰ কাম আৰম্ভ কৰিছিলো যিটো বেংগলোৰ বা চিকিমলৈ কানেকটেড হৈ থাকিব। ধুবুৰীৰ ৰূপসী এয়াৰপোৰ্টৰ কাম চলি আছে অধ্যক্ষ ডাঙৰীয়া। মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৈ আধাৰশিলা স্থাপন কৰিছে আৰু আশা কৰো এইবছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগে। এইটো সম্পূৰ্ণ হ'লে তাৰ পৰা ফ্লাইট অপাৰেশ্যন আৰম্ভ হ'ব। এইটো নেশ্যনেল লেভেলত। ইণ্টাৰনেশ্যনেল ক্ষেত্ৰত আমি ছয়টা ডেচটিনেশ্যনত ফিক্স প্ৰাইচৰ টিকেটত যাব পাৰিব। ইয়াত প্ৰাইচ ফ্লেকচুৰেশ্যন নহ'ব। গতিকে যদি ফিক্স প্ৰাইচত যায় ফ্লাইট অপাৰেটৰ বিলাকে যিখিনি পইচা পাব লাগে সেইখিনি নাপালে লোকচান হ'ব আৰু ফ্লাইট বন্ধ হৈ যাব। যদি এখন ফ্লাইট চলাবলৈ দহ হাজাৰ টকাৰ টিকট হ'ব লাগে, কিন্তু যদি তিনি হাজাৰ টকা ফিক্স প্ৰাইচত যায় সাত হাজাৰ টকা ফ্লাইটৰ লোকচান হ'ব আৰু এই যিটো viability gap funding হ'ব তাৰে 90% Government of India ই দিব আৰু 10% অসম চৰকাৰে দিম। তাৰবাবে মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে অসম চৰকাৰৰ পৰা Civil Aviation Department ক এশ কোটি টকা জমা কৰি দিছো। ইতিমধ্যে ঢাকা-গুৱাহাটী ফ্লাইট তিনি হাজাৰ পাঁচশ টকা ফিক্স প্ৰাইচত আৰম্ভ হ'ল আৰু পোন্ধৰ-বিশ দিনৰ ভিতৰত ঢাকা-বেংককলৈ পৰৱৰ্ত্তী ফ্লাইটখন আৰম্ভ হ'ব। তাৰপিছত হ'ব ঢাকা-ইয়াংগন্, তাৰপিছত গুৱাহাটী-ইয়াংগন্, তাৰপিছৰখন গুৱাহাটী-কুৱালালামপুৰ ফ্লাইট। এনেদৰে ছয়খন এচিয়ান কান্ট্ৰীৰ ডেচটিনেশ্যনৰ লগত আমাৰ ফ্লাইট কানেকটিভিটি এইবছৰৰ ভিতৰতে আৰম্ভ কৰিম। ইতিমধ্যে মই তিনিটা কানেকটিভিটিৰ কথা ক'লো। Highways, railways, air ways and water ways. Water ways ৰ ক্ষেত্ৰত 1965 ৰ পিছত চিতাগং পোৰ্টলৈ আমাৰ এক্সেচ বন্ধ হৈ গ'ল। সেয়ে আমি এতিয়া ব্ৰহ্মপুত্ৰ খননৰ কাম আৰম্ভ কৰিছো। বৰাকৰ খনন কাৰ্য্য ইতিমধ্যে সম্পূৰ্ণ হৈছে। তাত জাকিগঞ্জৰ পৰা বাংলাদেশলৈ যিটো পাৰ্ট, গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ যিটো পাৰ্ট, ধুবুৰী দৈখোৱাৰ পৰা বাংলাদেশলৈকে যি দুটা পাৰ্ট বাংলাদেশত পৰিছে এইখিনিত দুশ পঞ্চাশ কোটি টকা ইতিমধ্যে ভাৰত চৰকাৰে এচিয়ান বেংকৰ জৰিয়তে বাংলাদেশক দিছে আৰু বাংলাদেশে খননৰ কাম আৰম্ভ কৰিছে। আমি এনেদৰে নেভীগেব'ল স্পেচ এটা ৰাখিম যিটো পাঁচ মিটাৰ দ' হ'লেও হ'ব। পাঁচ নম্বৰটো হৈছে আই-ৰেজ। আই-ৰেজ ৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে। যিটো ইণ্টাৰনেশ্যনেল গেট আছে সেইটো মুম্বাই আৰু বেংলোৰত আছে আৰু এটা পইণ্ট আছে Cox's Bazar ত। গতিকে অধ্যক্ষ ডাঙৰীয়া Cox's Bazar পৰা এইটো অনতিপলমে ত্ৰিপুৰালৈ

আহিব আৰু ত্ৰিপুৰালৈ optical fibre অহাৰ পিছত APDCL য়ে ওপৰেদি অসমলৈ আনিব। যিহেতু APDCL ৰ International bidding ৰ experience নাই সেয়ে তাত এটা পাৰমিশ্যন ল'বলগীয়া হৈছে। গতিকে Highways, railways, air ways, water ways and I-ways ৰ South East Asia ৰ লগত ইতিমধ্যে infrastructure হ'ল। তাৰকাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সদনত ধন্যবাদ জনাইছো। তেখেতৰ বলিষ্ঠ পদক্ষেপৰ কাৰণে ভাৰতৰ স্বাধীনতাৰ পিছত প্ৰথম বাৰৰ কাৰণে অসমত এই infrastructure টো গঢ়ি উঠিছে। আগন্তুক দিনত আমাৰ দুটা কথাৰ প্ৰয়োজন আছে। এটা হৈছে আমি এটা six industrial corridoor বিচাৰিছো। ভাৰতবৰ্ষত পাঁচটা industrial corridoor আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিম বুলি কৈছে। যদি six industrial corridoor হৈ যায় তেতিয়া এই six industrial corridoor টোৱে North Estern Region ৰ পৰা আমাক Laos, Cambodia, Vietnam লৈ কৰিদৰ হৈ যাব। কৰিদ'ৰ হৈ যোৱাৰ লগে লগে আমি value change ৰ লগত আমি জড়িত হৈ যাম আৰু ইয়াৰ লগে লগে আমাৰ ল'ৰা-ছোৱালী সকলৰ বাবে যথেষ্ট চাকৰি হৈ যাব। অধ্যক্ষ মহোদয়, আপুনি জানি সুখ পাব যে প্ৰথম বাৰৰ বাবে এই 1965 ৰ পিছত আমাৰ এই চৰকাৰৰ দিনত আজি দুমাহ আগত ডাঙৰ বৃহৎ জাহাজ মানে ফ্লাইয়াৰচ্ লৈ বিহাৰৰ পৰা গংগা নদীৰ মাজেৰে, বাংলাদেশৰ মাজেৰে আহি ব্ৰহ্মপুত্ৰৰে পাণ্ডুলৈকে প্ৰথমখন ডাঙৰ জাহাজ অসমলৈ আহি পাইছে। গতিকে এতিয়া কথাটো হ'ল যে এই যিটো ব্যৱস্থা আমি কানেকটিভিটিৰ ক্ষেত্ৰত কৰিছো ইয়ে South East Asia ক আগন্তুক দিনত আমাৰ বেপাৰ-বাণিজ্য, উদ্যোগ, আমাৰ ল'ৰা-ছোৱালী বিলাকৰ যিখিনি কাম এইখিনি ধুনীয়াকৈ হৈ যাব। মাননীয় অধ্যক্ষ মহোদয়, আমি Act East Policy ৰ জৰিয়তে কেইবাধৰণৰ ব্যৱস্থা আমি গ্ৰহণ কৰিছো। ইতিমধ্যে আমাৰ বাংলাদেশ আৰু ভূটানৰ দুটা কনচুলেট হ'ল। বাকী South East Asia ৰ দেশ সমূহৰ লগত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন মিটিং পাতিছিলে। তেওঁলোকৰ প্ৰতিনিধি সকলক ইয়াত এইটো কৰিবৰ কাৰণে আমি কৈছো আৰু তেওঁলোকেও আমাক এই বিষয়ে সহাঁৰি জনাইছে আৰু তাৰ উপৰিও ইতিমধ্যে আমাৰ পেগু ডাঙৰীয়াই কৈছে যে এটা কালচাৰেলী আমাৰ এনেকুৱা লাগিছিল যেন আমি তাত য'ত আছো যেন নাগালেণ্ডৰ ভিতৰত আছো , যেন আমাৰ ওচৰতে আছো। হয় একেই কালচাৰ, একেই কথা। আমি বাংলাদেশলৈ যেতিয়া গৈছিলো তেতিয়া তেওঁলোকে ডিনাৰৰ আগত যিটো কালচাৰেল প্ৰগ্ৰেম দেখুৱাইছিল সেইটো আছিল মণিপুৰী নৃত্য। বাংলাদেশত সেই মণিপুৰী নৃত্যটো আছে যিটো কাছাৰত দেখিবলৈ পোৱা যায়। আমাৰ মাননীয় উপাধ্যক্ষ মহোদয়ে নিজেই এইটো প্ৰত্যক্ষ কৰিছে। ইতিমধ্যে আমি এটা যোগাযোগৰ goodwill mission আৰম্ভ কৰিলো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সহযোগত আৰু তাৰ উপৰিও অধ্যক্ষ মহোদয়, আমি অলপতে ইণ্ডো-বাংলাদেশ চামিট এখন কৰি আছো। তাত ৬ জন বাংলাদেশৰ কেবিনেট মন্ত্ৰী, ৬ জন ভাৰত চৰকাৰৰ কেবিনেট মন্ত্ৰী আৰু ৬০ জন বাংলাদেশৰ অফিচাৰ প্লাচ বিজিনেচমেন, ৬০ জন ভাৰত চৰকাৰৰ অফিচাৰ কাম বিজিনেচমেনকলৈ এখন ইণ্ডো-বাংলা চামিট কৰিম। এই চামিটখন যোৱা ২০ আৰু ২১ তাৰিখে অনুষ্ঠিত কৰা কথা আছিল কিন্তু বানপানীৰ কাৰণে আমি পিছুৱাই দিলো। এতিয়া এই চামিটখন অক্টোবৰত অনুষ্ঠিত কৰিম। তাৰ উপৰিও আমি চেষ্টা কৰি আছো যে ইণ্ডো-জাপান আৰু ইণ্ডো-কোৰিয়া দুখন আমি চামিট কৰাৰ বাবে আমি চিন্তা কৰি আছো। তাৰোপৰি আমাৰ পেগু ডাঙৰীয়াই এটা কথা কৈছিল যে আমাৰ কালচাৰেল ৰিকোভাৰটো কি হ'ব? কালচাৰেলৰ ক্ষেত্ৰত ইতিমধ্যে আমি ইণ্ডিয়া ফাউণ্ডেশ্যনৰ

লগত লগ হৈ South East Asia ৰ কালচাৰেল গ্ৰুপৰ লগত হোটেল ৰেডিচন ব্লু ত দুদিনীয়া কাৰ্য্যসূচীৰে এটা Cultural Orginise কৰিছিলো, India foundation and Asian Act East Policy department 3rd and 7th February 2019 ত। তাত খুব সুন্দৰ আলোচনা হৈছিল মাননীয় মুখ্যমন্ত্ৰীয়ো তাত উপস্থিত আছিল আৰু বাকী এনেকুৱা ধৰণত আমি আমাৰ ৰাজ্যখনক আগবঢ়াই লৈ যাবলৈ হলে, এনেকৈ আগবাঢ়িব। অধ্যক্ষ ডাঙৰীয়া, মই শেষ কথা এটা কব লৈছো সেইটো হ'ল এনেকুৱা যে six Industrial corridor টো যদি হৈ যায় তেতিয়া হলে আজি ৫২ বা ৫৩ হাজাৰ কোটি বিনিয়োগ আহিছে তাৰ ফলত আমাৰ শোধানগৰ বিলাকৰ উৎপাদন ক্ষমতা বাঢ়িব। তাৰ ফলত আমাৰ বানিজ্যিক দিশটো আগবাঢ়ি যাব। দ্বিতীয়তে, আজি যিবিলাক কোম্পানী মহাৰাষ্ট্ৰত আছে, পাঞ্জাৱত আছে, তেওঁলোকৰ আজি এদিনত আমাৰ ভাৰত বৰ্ষৰ যিবোৰ উদ্যোগ আছে তাৰ ঘৰোৱা উৎপাদন ৰাহি হ'ব। আৰু যদি surplus ত যদি আমাৰ উৎপাদনখিনি যায় তেতিয়াহলে আমাৰ এই ৰাহি উৎপাদন বিলাক আমাৰ দেশীয় উদ্যোগ বোৰে ক'ত বিক্ৰী কৰিব। কাৰণ ইউৰোপীয়ান দেশত বিক্ৰী কৰিব নোৱাৰে কাৰণ আমাৰ কামৰূপত যিমান জনসংখ্যা আছে ইউৰোপত থকা দেশ বিলাকৰ ৪ খন দেশ মিলালেও ইমান জনসংখ্যা নহয়। গতিকে এই বজাৰখন ল'ব লাগিলে আমি যাব লাগিব দক্ষিণ পূব এচিয়া আৰু BBN ভূটান, বাংলাদেশ, নেপাল আৰু লগতে ভাৰত। গতিকে এই ৮০ বা ৮৫ কোটি মানুহৰ যি বজাৰ এই বজাৰ খন লববলৈ হলে এদিন এই যিবোৰ কোম্পানী আজি মহাৰাষ্ট্ৰত আছে বা বিভিন্ন ঠাইত আছে সেই কোম্পানী সমূহে এদিন দক্ষিণ পূব এচিয়াক বজাৰ হিচাপে লৈ অসমত আহিবলৈ বাধ্য হ'ব। এতিয়া অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কৈ আছে এই ৫ খন বহিৰাজ্যৰ ভিতৰত অসমৰ মুখ্যমন্ত্ৰীৰ যিটো সপোন সেই সপোন এদিন বাস্তৱত ৰূপায়িত হ'ব। মাননীয় সকলো সদস্যকে মই ধন্যবাদ দিছো Act East Policy reference ৰ ওপৰত সেইদিনা এটা Presentation দিয়া হৈছিল। আপোনালোক সকলোৱে তাত পত্যক্ষ কৰিছিল। গতিকে আগন্তুক দিনতো মই সকলো আমাৰ মাননীয় বিধায়কক এটা কথাই অনুৰোধ কৰো যে নতুন প্ৰজন্ম সমূহ অসমৰ লৰা-ছোৱালী বোৰ যে বাহিৰলৈ যায় আছে, এই যে প্ৰৱনতাটো হৈছে, গতিকে আমাৰ সকলো মানুহ Across the party line, সকলো মাননীয় বিধায়কে Act East Policy ৰ Ambassador ৰ হিচাপে কাম কৰক, আমাৰ নতুন প্ৰজন্মৰ যিখিনি যুৱক যুৱতী আছে তেওঁলোকক আমি আস্বস্ত কৰো যে Act East Policy ৰ জৰিয়তে দি এটা দিনত Assam will be the Hub, গতিকে ইয়াৰ পৰা আমাৰ কোনো মানুহ যাব নালাগে ইয়াতে ঘৰৰ লৰা ঘৰতে কাম কৰি চলি থাকিব পাৰিব এইখিনিৰ কাৰণে মই সকলো মাননীয় বিধায়ক across the party line মই অনুৰোধ কৰিছো to be an ambassador of Act East Policy afairs,with this I conclude my speech.

**মাননীয় অধ্যক্ষ ঃ** Thank you very much, আমি সেইদিন পৰহিও এই কথাখিনি অলপ পাতিছো, গতিকে মই ভাৱো যে এইটোকো আমি আগবঢ়াই লৈ যোৱাতো ভাল হব। আজি আমাৰ সদনৰ শেষ দিন আৰু আমি আকৌ শীত কালীন অধিবেশনৰ কাৰণে নবেম্বৰ বা ডিচেম্বৰত মিলিত হম। আজি কেইবাখনো শুণ্য কালীন ঘন্টাৰ জাননী দিছিল, যোৱাকালি কেইবাজনো বিধায়কে মোক লগ কৰিছিল। এই বিষয়টো অকমান sensitive কিন্তু আমি হয়তো পিছত আলোচনাৰ আৰু সুযোগ নাপাম যে আমি সকলোৱে জানো যে NRC এখন প্ৰস্তুত কৰি থকা হৈছে আৰু এই কামটো হৈ আছে উচ্চতম ন্যায়ালয়ৰ পোনপতীয়া নিৰীক্ষণত। আৰু কেতিয়া এই NRC খন প্ৰকাশ হ'ব

তাৰ কথাও কোৰা হৈছে। সেই বিষয়টো এটা বেলেগ বস্তু কিন্তু আমি ভাৱো যে এই খন প্ৰকাশ হোৱাৰ পিছত যাতে ৰাজ্যখনত শান্তি সম্প্ৰীতি আৰু আইন শৃংখলা অতুত ৰখাত আমাৰ সকলোৰে এটা উমৈহতীয়া কৰ্তব্য আছে। সেই কাৰণে মই কালি দুখন জাননী লৈছো এখন জাননী হল 'No policy yet on status of persons not figuring in NRC'. এইটো The Assam Tribune কাকতত প্ৰকাশ হৈছে। আৰু এখন লৈছো যে '১৯৫১ চনৰ NRC ত নাম থকাৰ পিছতো বিদেশী ঘোষণা, মানষিক চাপত ভুগি মৃত্যুক সাবতি লয় জুৰীয়াৰ বজৰুল হকে'। এই দুটা জাননী লৈছো এইটোৰ কাৰণে, কেৱল মই এটা I would like to remind the Hon'ble Members, the just preparation of NRC is a subject, which is monitoring by the Apex Court. So, we should be careful not to touch the sub-judice part as per our Rules of the Procedure and Conduct of Business in Assam Legislative Assembly. সেই অংশটো আপোনালোকে চাব। The respect or an honour of both the Legislators as well as Judicary should be maintained by all the honourable Members.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, অনুমতি দিলে মই এটা কম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া নালাগে, বহকচোন। ইমান গুৰুত্বপূৰ্ণ কথা এটা আলোচনা কৰিবলৈ গৈ আছো। এতিয়া মই মাননীয় সদস্য দেবানন্দ হাজৰিকা, ড০ নোমল মমিন, শিলাদিত্য দেৱ তেখেতে যিটো বাতৰিৰ ওপৰত কব বিচাৰিছে 'No policy yet on status of persons not figuring in NRC'. এই বিষয়টোত মই কবৰ বাবে অনুৰোধ কৰিছো, দেবানন্দ হাজৰিকাই বোধ কৰো Move কৰিব, বাকী কেইজনে কলে অলপ অলপ কব।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সচাকৈ এইটো এটা বৰ sensitive বিষয় আৰু যোৱা ২৫ তাৰিখৰ বাতৰি কাকতত এইটো বিষয় ওলাইছে। তাৰবাহিৰেও বহুতো বাতৰি কাগজত বহু ধৰণে ওলাই আছে মই এই বিষয়টোৰ ওপৰত অকমান অৱগত কৰিবৰ কাৰণে আজি ভাৱিছো আৰু মোক সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, বৰ্তমান সময়ত অসম ৰাজ্য খনৰ বাবে ডাঙৰ এটা প্ৰত্যাহ্বান হৈ পৰিছে। ১৯৮৫ চনৰ অসমচুক্তিৰ আধাৰত আৰম্ভ হোৱা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নিতকৰণৰ দ্বাৰাই অসমবাসীৰ মনত আশাৰ সঞ্চাৰ কৰিছিল। অসম বাসীয়ে যি দীঘলিয়া অসম আন্দোলন কৰি বিশ্বৰ চকু থিয় কৰিবলৈ সক্ষম হৈছিল তাৰ পৰিপেক্ষিতত NRC ৰ উন্নিত কৰণৰ দ্বাৰা এক বিদেশীমুক্ত অসমৰ সপোন পুৰা কৰিব পাৰিব বুলি বিশ্বাস হৈছিল। যদিও কিন্তু সময় পাৰ হোৱাৰ লগে লগে বহুতো বিসংগতি ৰাইজৰ চকুত পৰিলে প্ৰায় ৪০ লাখতকৈ অধিক লোকৰ নাম NRC ত অন্তৰ্ভূক্ত নহ'ল। তাৰ পিছত আৰম্ভ হ'ল Inclusion and delition পদ্ধতি আৰু বহুতো উত্তৰ নোপোৱা প্ৰশ্ন মনলৈ আহিলে। NRC ৰ উন্নিতকৰণৰ কামত জড়িত কিছু ব্যক্তিৰ ওপৰত সন্দেহ কৰিবলৈ ঠাই ওলাল। কাৰণ পইচা লৈ NRC ত নামভৰ্ত্তী কৰিবলৈ কৰা প্ৰয়াস অসমৰ ৰাইজে জানিলে। কিছুলোকে যি NRC উন্নিতকৰণৰ কামত জড়িত হ'ল তেওঁলোকৰ কিছুমানৰ নিজৰে নাম NRC ত পোৱা নগল। D voter ৰ নামত যি সকলৰ বিদেশী ন্যায়ধীকৰণতো নাম নাই, পুলিচৰ তাতো কেছ ৰেজিষ্টাৰ নাই কিন্তু তেওঁলোকৰ ভোটাৰ আই ডি কাৰ্ডৰ আগত D লিখি দিয়াৰ কাৰণে তেওঁলোক D voter হ'ল। আৰু ন্যায়লয়ে ৰায় দিয়াৰ পিছতো সেই কাগজ পত্ৰ NRC ৰ কতৃপক্ষই মানি নললে। ঠিক তেনেকৈ যিবিলাক মানুহক গ্ৰেজিং পাৰমিট দিয়া হৈছে, মাটিৰ চৰকাৰী ৰিচিপ দিয়া হৈছে, ফৰেষ্ট

ৰাজহৰ ৰিচিপ দিয়া হৈছিল, খাচী ৰজাৰ দ্বাৰা তথ্যবোৰ দিয়া হৈছিল, নেফাৰ পৰা তথ্য দিয়া হৈছিল, কাৰ্বিআংলঙৰ পৰা মাটিৰ পাৰ্মিট দিয়া হৈছিল, সেইবিলাকো NRC ৰ কতৃপক্ষই গ্ৰহণ নকৰিলে। বাপেকৰ নাম NRC ত আছে  কিন্তু পুতেকৰ নাই। কৰবাত উপাধি সলনি হোৱাটো পৰিলক্ষিত হ'ল, কৰবাত ভোটাৰ লিষ্টত নাম আৰু submitted documents ৰ অমিল হোৱাৰ কাৰণেও তেওঁলোকৰ নাম তাত নাহিল। যিবিলাক ঠাইত বিদেশী নাগৰিকৰ সংখ্যা বেছি হোৱাৰ সম্ভৱনা আছিল তাত ওলোটা ছবি দেখা গ'ল। গতিকে এই NRC খন সচাঁকৈ এখন শুদ্ধ NRC হ'ব নে? গেৰান্তী থাকিবনে যে This NRC will be free from any single foreigner. কাৰণ এই NRC খন শুদ্ধ ভাৱে তৈয়াৰ হ'লে ই অসমৰ কাৰণে হ'ব এক মেগ্‌নাকাৰ্টা। কাৰণ NRC ৰ লগত অসমীয়া মানুহৰ আশা, স্বাভীমান জড়িত হৈ আছে। যদি NRC খন বিদেশী মুক্ত নহয় It will be a threat to stability, National Intigrity, Sovereignty and Unity of our Country. চৰকাৰে বিচাৰিছিল যে খুব কমেও ২০ শতাংশ চেম্ব'ল verification কৰিব লাগে। State cordinator ইয়াত দৰকাৰ নাই বুলি কলে আৰু কলে যিহেতু ৮০ লাখ atuo verification কৰা হৈছে। এতিয়া মোৰ প্ৰশ্ন হ'ল যে এই আমাৰ ৰাজ্য চৰকাৰৰ Solicit General Tushar Meheta আৰু কেন্দ্ৰীয় চৰকাৰৰ  Attorney General K K Venugopal ডাঙৰীয়াই যুক্তি পদৰ্শণ কৰিছল যে এখন শুদ্ধ NRC ৰ বাবে re-verification অতি প্ৰয়োজন। ১০০ শাতাংশ শুদ্ধ NRC  আমাৰ কাম্য আৰু এই প্ৰক্ৰিয়াত কোনো সন্দেহ থকা হ'ব নালাগে। আদালতত বেনুগোপাল ডাঙৰীয়াই যুক্তি দিছিলে, খিলিঞ্জীয় অধ্যোশিত বিভিন্ন জিলাত ১২ শতাংশ লোকৰ নাম NRC ত অন্তৰ্ভূক্ত হোৱা নাই। কিন্তু সীমান্তবৰ্তী জিলা বিলাকত বাংলাদেশী নাগৰিক বেছি আছে বুলি সন্দেহ কৰা হৈছিল তাত বাদ পৰিছিল মাত্ৰ ৭ শতাংশ। গতিকে খচৰা তালিকাৰ re-verification নহ'লে অসমৰ ভূমিপুত্ৰৰ জীৱনলৈ বিপদ আহিব পাৰে। প্ৰশ্ন হ'ল এই auto verification নো কি? আজি ডাঙৰ প্ৰশ্ন উদয় হৈছে, আৰু প্ৰশ্ন হৈছে যে whether atuo verification is error free? আৰু যদি error free নহয় তেনেহলে what is the error percentage. State Co-ordinator ৰ দ্বাৰা হয়তো ১০-০৮-২০১৮ তাৰিখে কোৱা হৈছিল যে 10% sample verification কৰা হৈছে। কিন্তু time limit টো নাই, আৰু এই সম্পৰ্কত কোৰ্টৰ অৰ্ডাৰ আছিলনে নাই এই বিষয়েও কোনো উল্লেখ নাই। আমাৰ চৰকাৰে এখন শুদ্ধ NRC পোষকতা কৰি আহিছে। কিন্তু কিছুমান নেষ্ঠ স্বাৰ্থৰ মানুহে চৰকাৰ খনৰ এই বিষয়ত সদইচ্ছা নাই বুলিও প্ৰকাশ কৰি আহিছে। এনেবোৰ কথাতে আমি চিন্তা কৰিছো, কাৰণ প্ৰশ্ন হ'ল It is a premonition of impending danger for the indigenous people of Assam. It is a fact that the Hon'ble Court has been kept in dark this matter by the  State Co-ordinator. মহামান্য আদলতৰ State Co-ordinator জনক চৰকাৰৰ লগত সম্পৰ্ক ৰক্ষা কৰিছিল বুলি কোৱা হৈছিলে। কিন্তু ৰাজ্যিক সমন্বয়কে চৰকাৰৰ লগত সম্পৰ্ক  ৰক্ষা কিমান কৰিছে এইটো এটা প্ৰশ্নবোধক চিহ্ন হৈ পৰিছে । এতিয়া ভূতৰ ওপৰত দানৱ। ২০০৪ চনৰ ৩ ডিচেম্বৰৰ পিছত জন্ম হোৱা বিদেশীৰ পুত্ৰ-কণ্যা বিলাকে এন আৰ চি ত অন্তৰ্ভুক্ত হ'ব । সন্দেহ হৈছে হাজাৰ-হাজাৰ অবৈধ বিদেশীৰ সতী-সন্তপ্তী এন আৰ চিত  অন্তৰ্ভূক্ত হ'ব । আৰু এইটো আমাৰ বাবে এক চিন্তাৰ বিষয় । এতিয়া এন আৰ চিত বাদ পৰা  ৪০ লাখ লোকৰ কি দশা হ'ব । কলৈ যাব তেওঁলোক, এইটো এটা ডাঙৰ প্ৰশ্ন। আমি ভাৰতবৰ্ষৰ পৰা কোন দেশলৈ তেওঁলোকক পঠিয়াই দিম । যদি আমি বাংলাদেশৰ কথাই কওঁ

তেওঁলোকে ল'ব লগা হ'লে, verification নকৰাকৈ প্ৰত্যাপন মানি নল'ব আৰু এইটো দীঘলীয়া প্ৰচেছ্ হ'ব । এন আৰ চি ত নাম নাম বাদ পৰা খিলঞ্জীয়া লোক সকলৰ জনজীৱত ধুমুহাৰ সৃষ্টি হ'ব। ৪০ লাখ লোকে আদালতলৈ যাব আৰু এইখিনি মিমাংসা হওঁতে হওঁতে কিমান বছৰ অতিক্ৰম কৰিব তাৰ কোনো নিশ্চয়তা নাই । ইতিমধ্যে তেওঁলোক কোনোবাই হয়তো ভোটবেংক হিচাপে ব্যৱহাৰ কৰিব আৰু আসন্ন বিপদ আমাৰ ৰাজ্য খনৰ বাবে ইয়াৰ উন্নয়নৰ বাবে, সুৰক্ষাৰ বাবে, একতাৰ বাবে এক প্ৰত্যাহ্বান হ'ব। গতিকে এই চিন্তাৰ পৰা অসমবাসীয়ে কেতিয়া পৰিত্ৰাণ পাব । এইটো এটা প্ৰশ্ন হৈছে। এখন ১০০ শতাংশ এন আৰ চিৰ বাবে সময়সীমা বঢ়োৱাটো ২০ শতাংশ re-varification শুদ্ধ ভাৱে কৰাটো অত্যন্ত আৱশ্যকীয়। নহ'লে man power and affort বিলাক কাম নিদিব । অসমৰ পাৰ বিদেশী আতৰোৱাৰ সপোন সপোন হৈয়ে ৰ'ব । মহোদয়, এই প্ৰশ্নতো যিহেতু প্ৰতি অসমীয়াৰে প্ৰশ্ন ইয়াৰ গুৰুত্ব সহকাৰে চিন্তা কৰাটো আমাৰ সকলোৰে কৰ্তব্য। আৰু আজি পৱিত্ৰ সদন এই প্ৰশ্ন এই কাৰণে ৰখা হৈছে যে আমি অতি সোনকালে ইয়াৰ সমাধান উলিয়াব লাগে । এতিয়া এই সময়ত ভূপেন দাই আমাক দিয়া গীত এটা premonition of imbounding danger আমাৰ মনত পৰিছে। **"আমি অসমীয়া নহয় দুখীয়া, বুলি সান্তনা লভিলে নহ'ব, আজিৰ অসমীয়াই নিজক নিচিনিলে, অসম ৰখাতলে যাব আৰু হাতে কামে নকৰিলে অসমতে মগণীয়া হ'ব"** । গতিকে আমি মগনীয়া হ'বলৈ গৈ আছো। সেইবাবে আজিৰ সদনত প্ৰশ্নটো উত্থাপন কৰিছো যে এখন শুদ্ধ আৰু সকলোৰে বাবে ১০০ শতাংশ এখন এন আৰ চি যাতে আমাৰ উন্নীতকৰণ কৰি উলিয়াই দিব পাৰে তাৰ কাৰণেই ২০ শতাংশ varification, আৰু সময়ৰ সীমা বঢ়োৱাতো অতি জৰুৰী। অসম চৰকাৰৰ যি আবেদন আছিলে সময় বঢ়োৱাতো সেইটো কিন্তু মানি নললে। কিন্তু বানপানীৰ কাৰণে ৰাজ্যিক সমন্বয়কে দিয়া আবেদন খনহে মানি ল'লে। সেইটো এটা পৰিতাপৰ বিষয় আৰু মই বিশেষ কথা নকওঁ আৰু দুজন সতীৰ্থই এই বিষয়ত ক'ব ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ জলাইত আসাম ট্ৰিবিউনৰ এটা বাতৰি কাকতত no policy yet on status of persons not figure in NRC. তাৰ ওপৰত শূণ্যকালীন ঘন্টাত কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো । অধ্যক্ষ মহোদয়, উচ্চতম ন্যায়ালক সম্পূৰ্ণ সন্মান জনাই মোৰ বক্তব্য আৰম্ভ কৰিব খুজিছো। আমাৰ যি NRC update হ'ল, প্ৰথম খচৰা যেতিয়া প্ৰকাশ পালে তেতিয়া আমি দেখিবলৈ পালো যি আন্তঃৰাষ্ট্ৰীয় সীমা এই আন্তঃৰাষ্ট্ৰীয় সীমাত ৫ শতাংশ, ৬ শতাংশ মানুহৰ নাম সোমোৱা নাই। পাহাৰীয়া অঞ্চলত য'ত ভূমিপুত্ৰ খিলঞ্জীয়া ট্ৰাইবেল সমূহ থাকে এই অঞ্চলত ১৮ শতাংশলৈ মানুহৰ নাম NRC ত নোসোমালে। ৰাইজৰ সন্দেহ তাতেই উপজে যে NRC খন শুদ্ধ ভাবে হৈছে নে নাই ? এই NRC খন আমাৰ ৪০ বছৰ আন্দোলন কৰি ৮৫৫ গৰাকী শ্বহীদ হৈছিল অসমৰ যুৱক, তাৰ পিছত আমি NRC পাইছো। এই NRC খন এটা শুদ্ধ NRC হ'বলাগীব আৰু অসমৰ ৰাইজে বিচাৰে। শূণ্য বিসংগতি থকা NRC আমাক লাগে। কোনো বিদেশীৰ নাম এই NRC ত অন্তৰ্ভুক্ত হ'ব নোৱাৰিব । আৰু কোনো ভাৰতীয় খিলঞ্জীয়া অসমীয়া ভূমিপুত্ৰৰ নাম এই NRC ৰ পৰা বাদ পৰিব নোৱাৰিব । অধ্যক্ষ মহোদয়, আমি বিচাৰো এটা শুদ্ধ NRC লাগে । অধ্যক্ষ মহোদয় মই ক'ব বিচাৰিছো যে আমাৰ উচ্চতম ন্যায়ালয়ৰ যি নিৰ্দেশ আমাৰ ৰাজ্যিক সমন্বয়ক দিছিল যে তথ্য ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীক চৰকাৰৰ লগত চেয়াৰ কৰিব লাগে । কিয়া এই তথ্য চেয়াৰ কৰা ন'হল,

সেইটো আমাৰ মনত সন্দেহৰ ভাব এটা উদগনি কৰে । অধ্যক্ষ মহোদয়, NRC ত আমাৰ যি সকল খিলঞ্জীয়া ব্যক্তিৰ নাম নাই, নিশ্চিত ভাবে তেওঁলোকে আশংকাত ভুগিছে। তেখেত সকলে ভাবিছে কি হ'ব । ভৱিষ্যৎ অন্ধকাৰ। আৰু কৰবাত আমি চুইচাইড কৰা আমি দেখিবলৈ পাইছো । অধ্যক্ষ মহোদয়, আমি যেতিয়া আমাৰ ভৱিষ্যতটো গঢ়িবলৈ এই NRC কৰিবলৈ গৈছো আৰু NRC ত অন্তৰ্ভুক্ত কৰিবলৈ লোৱা এই কাৰ্য্যক্ৰমত ভাৰতৰ ভিতৰত অসমেই হৈছে প্ৰথম খন ৰাজ্য। এই ভাৰতবৰ্ষ ত থকা ৰাজ্যবোৰৰ কাৰণেও এটা উদাহৰণ হ'ব। ইয়াৰ মডেল হিচাপে অসমৰ NRC টোক লৈ আগন্তুক দিনত তেওঁলোকৰ ৰাজ্যত NRC উন্নীকৰণ কৰিব পাৰিব। গতিকে আমাৰ NRC শুদ্ধ হ'ব লাগে । আৰু ইয়াত অসমৰ খিলঞ্জীয়া, অসমৰ ভূমিপুত্ৰ আৰু ভাৰতীয় কাৰো নাম যাতে বাদ পৰি নাযায় তাৰ কাৰণে আমি অসমৰ ৰাইজে উচ্চতম ন্যায়ালত বা আমাৰ ৰাজ্যিক সমন্বয়ক আমাৰ ফালৰ পাৰ এই পবিত্ৰ সদনৰ পৰাই আমি অনুৰোধ জনাইছো । অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো কেনেকৈ আমাৰ খিলঞ্জীয়া লোক সকলৰ নাম কৰ্তন গৈছে। উদাহৰণ হিচাপে আমাৰ মাননীয় বিধায়ক ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ NRC ত নাম নাই ।তেতিয়াহ'লে আমাৰ এই সন্দেহটো কি দৰে আতৰিব যে NRC update টো যে ভূলকৈ কৰা হৈ আছে । আৰু আমি মৰিগাও আৰু নগাওঁ সন্দেহযুক্ত বিদেশী তেখেতেই NRC ৰ কাম কৰি আছিল । তেখেতক ইতিমধ্যে এৰেষ্ট কৰা হৈছে। গতিকে আমাৰ সন্দেহ সৃষ্টি হোৱাটো স্বাভাৱিক আৰু সন্দেহযুক্ত ব্যক্তিক যিটো কৰ্টে ইতিমধ্যে জাননী জাৰি কৰিছে যে বাংলাদেশী আৰু বিদেশীৰ নাম আৰু এই সকল ব্যক্তিৰ নাম NRC ত অন্তৰ্ভূক্ত হৈ আছে । অধ্যক্ষ মহোদয়, তেতিয়াহ'লে নিশ্চয়কৈ এই NRC ত আমাৰ সন্দেহ থাকিব পাৰে । অধ্যক্ষ মহোদয়, ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাই ডাঙৰীয়াই কৈছে যে ২৭ শতাংশ ভেৰিফিকেশ্যন কৰিছে, তাৰ মানে ৭০-৭২ লাখ লোকৰ ভেৰিফিকেশ্যন হৈছে । এই NRC verification, what bassis, he has been done the verification. অসমৰ ৰাইজে এইটো জনাৰ প্ৰয়োজন আছে, অসমৰ ৰাইজক জনোৱা উচিত আছিল। কিহৰ সুত্ৰকলৈ এই NRC update কৰিছে । অসমৰ ৰাইজক এন্ধাৰত ৰাখি, অসমৰ ৰাইজক নজনাই ভেৰিফিকেশ্যন কৰিছে, তেন্তে কাৰ কাৰণে এই NRC টো বনাইছে । অসমৰ ৰাইজৰ ভৱিষ্যতৰ কাৰণে যিটো NRC বনাবলৈ গৈছে তাত যদি নিজেই নাজানো কিহৰ বেচিচত ভেৰিফিকেশ্যন হৈছে । নিজেই নাজানো NRC ৰ পৰা মানুহৰ নাম কটা গৈছে। অধ্যক্ষ মহোদয়, এইটো এটা চিন্তনীয় বিষয় আৰু এই বিষয়টো আমি গুৰুত্ব সহকাৰে ল'ব লাগিব । অধ্যক্ষ মহোদয়, আমি ৰাইজক সহায় কৰিম বুলি, ৰাইজৰ সৈতে কাম কৰিম বুলি এটা জনগোষ্ঠিৰ পৰা মই বিধান সভাত প্ৰতিনিধিত্ব কৰিছো য'ত মই মেডিকেলত চাকৰি কৰি বাদ দি গুছি আহিছিলো যে ৰাইজৰ কাম কৰিম বুলি । কিন্তু আজি দেখিছো ৰাইজৰ কাম কৰিবলৈ গৈ সেই ৰাইজৰ ভৱিষ্যত অন্ধকাৰ, তেন্তে অধ্যক্ষ মহোদয় আমাৰ ভৱিষ্যৎতো কি হ'ব । গতিকে অধ্যক্ষ মহোদয়, এই NRC ৰ ওপৰত আমাৰ ভয় আছিল, শংকা আছিল আৰু সেয়েহে মই আপোনাৰ জৰিয়তে ব্যক্ত কৰিলো যাতে খিলঞ্জীয়া অসমীয়া আৰু ভাৰতীয়ৰ নাম NRC ৰ পৰা বাদ নপৰে আৰু এজনো বিদেশী NRC ত সোমাব নোৱাৰে। এখন শুদ্ধ NRC অসমৰ কাৰণে অত্যন্ত প্ৰয়োজন। আৰু এইটো আমাৰ মৌলিক অধিকাৰ হিচাপে আমাৰ অসমৰ জনগণে এইটো আমি গণ্য কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ আৰু এটা বিষয় ইয়াত আছে । গতিকে অকমান চাব । এতিয়া শিলাদিত্য দেৱ ।

Shri Shiladitya Dev : Speaker Sir, Following partition of India in

1947 soley on the basis of religion and subsequently communal riots in the country, Assam initially saw an influx of refugees and other migrants from East Pakistan.

But many agencies reported that the number of illegal migrants was for move than the number of refugees and therefore it had a tremendous advise impact on the socio economic and culture of assamese people and thus created a dent in its demography. Even Act like "Immigrants ( Expulsion from Assam) Act, 1950 could not deter the illegal migrants to settle in Assam due to political patronage by the then government.

To identify illegel migrants the National register of citizens was prepared for the first time in Assam during th cunduct of 1951 census. This was conducted under the directive of the Ministry of Home Affairs.

The register general of Census in his report on 1961 Census assessed 2,20,691 infiltraints to have entered Assam.

In 1965 the Government of India took up with Government of Assam to expedite completion of N.R.C. and to issue National Identity Cards on the basis of this register to Indian citizens towards identification of illegal immigrants. But in 1966 the Government of India dropped the proposal.

In a notification issued by Government of India in 1976, The State Government was instructed not to deport persons coming from Bangladesh to India prior to March, 1971.

Between 1948-1971 there were large scale migrations from Bangladesh ( then East Pakistan) to Assam. The Assam Agitation started in 1979 and after 6 years the Assam Accord was signed 15th August, 1985.

After 25 years of signing of Assam Accord the State Government with was never serious about the N.R.C. updation process due to its "Mi-nority Vote Bank" policy took up a pilot project in two circles

(1) In Kamrup District and

(2) In Barpeta District in 2010.

Which ended in 4 weeks due to huge law and order problem.

Finding no hope to the illegal immigrants issue few organisation Assam Public Works and Assam Sanmilata Mahasanga and Others, went to Supreme Court of India with writ petition and

the order came in 2013 that N.R.C. should be updated in adherence to citizenship Act 1955 and the citizenship rules 2003 and subsequently after the order the register general of India via its notification No.S.O.3591E dated December 6, 2013 notified commencing of N.R.C.

The Supreme Court in its order 21st July, 2015 had mentioned about the mandate contained in Article 144 of the constitution on India. As per Artice 144 of the Constitution of India,, "Civil and Judicial authorities to act in aid of the Supreme Court.

But now it seems the mandate has not been regarded as it should be, since the Government in Central and State has been almost censured. The entire process is left in the hands and mercy of one persons who is called the Chief Coordinator of the State for N.R.C. updation.

No body is to be beared on it. The Home Ministry in Central, the Chief Minister of the State no body.

Only whatever Mr. Hazela the Chief Coordinator will provide is the only truth.

Speaker Sir, Is the N.R.C. process of updation been given to one person as a "Contract" or is it a process of "Contributing by different agencies involved with democracy.

Am I not responssible for my beloved State and Country as a Member of the legislature.

Is not the Chief Minister of the State respossible for his beloved people of the State.

Is nor the Prime Minister, Home Minister of the present government.

Is not the Prime Minister, Home Minister of the present government responssible in securing the country from external aggression.

Then what stop every one from discussing N.R.C. and getting information about it.

I bow down speaker Sir, In this August House and offer my respects to the 855 Swahid who sacrificed then life to secure our motherland from the foreign aggressors which we have seen from the days of Saiddullah.

The previous government were not sincere to update the N.R.C.

but the present government both in central and State is very much in favour of N.R.C. 1400 crores of public money has been spent for the purpose. But the one man show has resulted in a faulty N.R.C. And I am convinced that if this one man show continues we will never get a 100% correct N.R.C. What we have seen till now is that declared foreigners have found their names in N.R.C. and genuine indian citizen have not found their names in N.R.C. Supreme Court provides standered operating procedure in every decision. But the one man show violates. 15 documents were considered but the Chief Coordinator wanted 5 of the documents cancelled. i.e. - NRC of 1951, Voter list of 1971, Citizenship Certificate, Refugee Certificate and Ration Card.

Why was the chief coordinator so interested getting these documents cancelled. We have heard him saying that legacy data were being sold. We have seen NRC officials arrested for taking bribe. We have heard about NRC officials who himself is a dclared foreigner. It seem Mr. Hazela is fufilling somebodies agenda due to compulsion known to him. It was heard that the Computer Operator be paid a sum of Rs.14000/- per month, But later Rs.6000/- only was paid. Therefore is it possible for youths to take up this job. Say for example somebody take up a job from Dibrugarh and work at Dhubri or in the Char areas it is never possible to work in such a need an amount. So local boys are working at this low cost and their credentials are also very much doubtful.

Speaker Sir, There is difference between the term refugee and illegel migrants. Who are the refugees from East Pakistan Now Bangladesh we know and who are the illegal migrants from Bangladesh we know very well. But in the N.R.C. updation work the illegal migrants how found themselves more comfortable position then the refugee due to corrupt practice in the N.R.C. process.
Modalities have to be made safegaurd the refugees who came to India from East Pakistan due to religious persecution and at the sometime ensure modalities to identify the illegal migrants and throw them out of the country.

A resolution should be taken by this August House to inform the Hon'ble Supreme Court on India to see that the chief coordinator should not be made the sole persons responsible for the completion

of N.R.C. because the people of Assam has already see large scale discrepency in his works else we the people of Assam will lose our identity, our culture and our political rights and control.

As a matter of fact I would like to mention here that recently I mentioned in the media that one Md. Hannan who was declared a foreigner by the Foreigner Tribunel Court and now presently in jail found his name in N.R.C. but overnight his name was deleted and the NRC officials said that my statement was false.

So, therefore one man show can manupulate the computers at any point of time. During last hearing Chief Coordinator reported that 80 lakh cases were reverified accounting to about 27% but what was the SOP in this regard nobody knows. Because everytime the Supreme Court gives a decesion there is a S.O.P.

One hand Central and State government wants atleast 20% reverification in the districts of Assam borderding Bangladesh this was because 96% of the people staying in the bordering districts have already found name in the N.R.C. Whereas The districts which are far away from the Bangladesh Border.They are will found 18% or 20% people have not found their name in the N.R.C. therefore the doubt arises.So, this proves there is no coordination between the government and the N.R.C. works. Which is dangerous for the democracy.

Speaker Sir, I would like to request that some modelities have to be made. So, that we can request Hon'ble Supreme Court of India. This is a contributing process, this is not to be a contract by some particular person. Because it is a Question of our existence . Thank you Sir.

**শ্ৰীপ্ৰফুল্ল মহন্ত, বঢ়মপুৰ ঃ** এখন শুদ্ধ NRC য়ে আমাৰ ৰাজ্যখনৰ কিছু ক্ষেত্ৰত সহায় কৰিব বুলি আমি আশা কৰো। আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী যি শাসক দলৰ সভাপতি তেওঁকৈছে যে গোটেই ভাৰতবৰ্ষতে আমি এন আৰ চি প্ৰস্তুত কৰিম। এতিয়া লিগেচি ডাটা যিবিলাকে দিছে, লিগেচি ডাটাত যদি কাৰোবাৰ সেই সময়ত **১৯৫১** চনত ঘৰ ধৰি লওঁক ধেমাজিত দেখুৱাছে, চিলচৰত দেখুৱাছে আন কৰোবাত দেখুৱাছে, তেতিয়া হ'লে তেওঁলোকে তাত গৈ সাক্ষ্য দিয়াৰ প্ৰয়োজন আছে আৰু সেইটো কোৰ্টৰ নিৰ্দেশ মৰ্মে চলিছে আৰু সেইকাৰণে তেওঁলোক যাব লগীয়া হৈছে, তেওঁলোক ভাৰতীয়া নাগৰিক হওঁক বা নহওঁক। আৰু লিগেচি ডাটা চোৰ কৰাৰ অভিযোগো বিভিন্ন ঠাইত উত্থাপিত হৈছে। গতিকে লিগেচি ডাটা যাতে চোৰ কৰিব নোৱাৰে বা temparing কৰিব যাতে নোৱাৰে তাৰ কাৰণেও চৰকাৰ বিষয়া সকলে, কৰ্মচাৰী সকলে এক বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। মই বিশেষ নকও যে এখন শুদ্ধ এন আৰ চি সকলোৰে কাম্য আৰু শুদ্ধ এন আৰ চি খনৰ

জৰিয়তে ইয়াত ভাৰতীয়া নাগৰিক সকলৰ এখন পঞ্জিভুত তালিকা প্ৰস্তুত হৈ উঠিব বুলি আমি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয় আলোচানা হৈছে, এই বিষয়টো যিহেতু Suprem Court ৰ প্ৰত্যক্ষ তত্বাবধানতে চলি আছে আৰু Chief Coordinator জনক Suprem Court য়ে এটা সময়ত কৈছে যে বিভিন্ন পক্ষৰ হস্তক্ষেপ থকাৰ বাবে তেখেতক বন্ধৰ সময়ত যিকোনো কথাখিনি Suprem Court ক অৱগত কৰিবলৈ কৈ আহিছে। যিহেতু কিছুমান সময়ত বিভিন্ন ধৰণৰ হেচা প্ৰয়োগ কৰা বুলি সেই সময়ত অভিযোগ উথাপন হৈছিল। সেই গতিকে এই বিষয় Suprem Court ৰ direct monitoring থকা অৱস্থাত নতুন কিবা এটা হ'ব লাগে বুলি আমাৰ দলে অনুভৱ নকৰো, যেনেধৰণে চলি আছিল। অৱশ্যে এই ক্ষেত্ৰত বহুখিনি অসুবিধাও আছিল উদাহৰণ স্বৰূপে **১৯৯১** চনৰ এন আৰ চি শিৱসাগৰ জিলাৰ বহু অঞ্চলত নাই, ভোটাৰ লিষ্ট নাই বিভিন্ন জিলাত। তথাপিতো যিকেইটা প্ৰচেচ দিয়া হৈছিলে কেইখনমান লিগেচি ডাটাৰ কাৰণে বা supporting document কেইটামান দিয়া হ'ল। আৰু পৰবৰ্তী সময়ত যিখিনি আছে, সেইখিনিৰ ভিত্তিত field verification, office verification, hearing আৰু বিভিন্ন খিনি কৰা হ'ল। সেই গতিকে এতিয়া যিখিনি কৰা হ'ল আৰু শেহতীয়া ভাৱে Suprem Court ৰ তথ্যও ওলালে যে **২৭ শতাংশ** verification হৈছে। আৰু বিষয়টোলৈ বিভিন্ন ধৰণৰ, অসম চুক্তিখনৰ কথাটোও একেবাৰে জৰিত কাৰণ **৫** নং দফাত আছিল বিদেশী সমস্যাটোৰ সম্পৰ্কে। আন্দোলনটো আছিল বিদেশী বহিস্কাৰ বিষয়ে। **৬** নং দফাত আছিল আমাৰ বিভিন্ন ধৰণৰ সুৰক্ষা বিষয়ে। সেই গতিকে **৫** নং দফাটোৰ ক্ষেত্ৰত এন আৰ চি খন জৰুৰী। সেই গতিকে এন আৰ চি খন শুদ্ধভাৱে হ'ব লাগে। যিটো বস্তু ভাৰতবৰ্ষত কতো নাই যে doubtful citizen, সেই কথাটো নাইকিয়া হ'ব লাগে। এইখিনি মানুহক সন্দেহ জনক বুলি কৈ থকা হৈছে। এই পৰিষ্টিতি অৱসান ঘটাবলৈ। সেই গতিকে এই সময়ত কোনো delaying technic যাতে কোনেও নলগাই, তাৰ বাবে আমি যন্ত কৰিব লাগে। Suprem Court তো যিহেতু আমাৰ অসমীয়া মূখ্য ন্যায়াধিশ আছে, আমি দলৰ ফালৰ পৰা ভাৰো যে বৰ্তমানৰ প্ৰচেচটো ঠিকে আছে আৰু অন্য কোনো ইয়াত নতুন প্ৰস্তাৱৰ প্ৰয়োজন নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বিপিএফ দলৰ পৰা কব লাগে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, কোকৰাঝাৰ পশ্চিম ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জাতীয় জীৱনৰ সকলোতকৈ গুৰুত্বপূৰ্ণ যিটো এতিয়া NRC upgradation ৰ কাম চলি আছে। মই ভাৰো অসমৰ জাতীয় জীৱনৰ কাৰণে ইয়াতকৈ আৰু বেছি গুৰুত্বপূৰ্ণ কাম এই মূহুৰ্তত হ'বই নোৱাৰে। ছয় বছৰিয়া অসমৰ আছু বড়ো সংগ্ৰাম পৰিষদৰ নেতৃত্বত বিদেশী মূক্ত কৰিবৰ কাৰণে যি ঐতিহাসিক জাতীয় আন্দোলন অসম আন্দোলন কৰা হৈছিল , সেই অসম আন্দোলনৰ **৮০০** জনৰো অধিক শ্বহিদ সকলৰ তেজৰে জন্ম হোৱা প্ৰক্ৰিয়া বুলি আজি আমি কবলৈ বাধ্য। ইয়াৰ কাৰণে আমি এই এন আৰ চি খন অসমৰ জাতীয় জীৱনৰ যোগ যুগান্তৰ ধৰি সুদুৰ ভৱিষ্যতৰ কাৰণে আমাৰ ৰক্ষা কবচ হিচাপে গণ্য কৰিছো। অসম খনক ৰক্ষা কৰাৰ কাৰণে,অসমৰ খিলঞ্জীয়া মানুহবিলাকৰ জাতীয়া জীৱনৰ আমাৰ ভৱিষ্যতৰ সেইটো ডাঙৰ এটা হাথিয়াৰ। এই NRC upgradation ৰ প্ৰক্ৰিয়া Suprem Court ৰ নিৰ্দেশত যদিওবা যুগুত কৰি থকা হৈছে, এই প্ৰক্ৰিয়াটো লৈ লেপাই বহুত বাক-বিতণ্ড বহুত বিতৰ্ক বহু ধৰণৰ ঘটনা হৈ গ'ল। ইয়াৰ মাজতো আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ

সোণোৱাল ডাঙৰীয়াৰ দেৱৰ নেতৃত্বত আমাৰ মিত্ৰ দলৰ চৰকাৰৰ বলিষ্ঠ পদক্ষেপত আজি যিটো NRC upgradation ৰ প্ৰক্ৰিয়া এতিয়া সমাপ্ত হোৱাৰ প্ৰক্ৰিয়ালৈ আহি পৰিছে। সেই পৰ্য্যায়টো অহাৰ লগে লগে অসমৰ সকলো শ্ৰেণীৰ নাগৰিকৰ, সকলো দল সংগঠন জাতীয় জীৱনত এতিয়া বহল ভিত্তিত এটা চৰ্চা হৈছে। সকলোৰে মনত এটা ডাঙৰ প্ৰশ্ন উদয় হৈছে যে সচাঁকৈ আমি শুদ্ধ NRC পাম নে নাপাম। আমি সকলোৱে কব খোজে যে শুদ্ধ NRC আমি পাব লাগিব। এবাৰ NRC প্ৰকাশ পোৱাৰ পিছত আমাৰ স্থায়ী সাংবিধানিক legalize এটা দলিল হব। সেই দলিল খনত কোনো প্ৰকাৰে আমাৰ খিলঞ্জীয়া মানুহবিলাকৰ নাম বাদ পৰি যাব নালাগে। কোনো আমাৰ অসমৰ বৈধ নাগৰিক সকলে তেওঁলোকৰ নাম NRC বঞ্চিত হোৱাতো আমি কেতিয়াও নিবিচাৰো। সেইটো অন্যায় হ'ব, কিন্তু আমি NRC প্ৰস্তুত কৰিবলৈ গৈ যিটো প্ৰক্ৰিয়া এতিয়া চলি আছে বা শেষ পৰ্য্যায়লৈ আহিছে, সেই NRC দ্বাৰাই কোনো পৰিনাম বা অবৈধ নাগৰিকৰ নাম অন্তৰ্ভূক্ত হোৱাৰ দ্বাৰাই legalize কৰাৰ এটা প্ৰক্ৰিয়াৰ দলিল হিচাপে প্ৰকাশ নাপাই সেইটো অসম বাসী ৰাইজে বিচাৰো। গতিকে যিটো NRC হবলৈ গৈ আছে, আমি এই NRC দ্বাৰাই অসমবাসী ৰাইজে বিদেশী মুক্ত অমস হোৱাতো বিচাৰো। অসমৰ অসমীয়া খিলঞ্জীয়া মানুহ বিলাকৰ ভৱিষ্যতৰ অস্তিত্ব ৰক্ষণা-বেক্ষণাৰ ৰক্ষাকবচৰ সপোনলৈ যিটো অসম আন্দোলনৰ আৰম্ভ কৰা হৈছিল, চুক্তি কৰা হৈছিল, সেই মুল উদ্দ্যেশ্য, লক্ষ্য আজি সফল হব লাগিব। আমি অসমবাসী ৰাইজে আজিৰ দিনত এইটোকে বিচাৰিছো। কোনো প্ৰকাৰে এই NRC ত বিদেশীৰ নাম অন্তঃভূক্ত হলে, এইটো অন্যায় হ'ব, প্ৰতৰনা কৰা হ'ব আৰু আমাৰ শ্বহীদ সকলক অপমান কৰা হ'ব। অসমবাসী, অসম ৰাজ্যক, ইয়াৰ দ্বাৰা প্ৰতৰণা কৰাৰ বাদে একো বেলেগ কৰা নহব। গতিকে শুদ্ধ NRC যাতে হয়, তাৰ কাৰণে চোকা নজৰ ৰাখিব লাগিব। যিবিলাক মেচিনাৰী, যিবিলাকে আমাৰ agency হিচাপে কাম কৰিছে, তেখেতসকলে কোনো প্ৰকাৰে, কোনো ক্ষেত্ৰতে যাতে manipulate কৰিব নোৱাৰে, ইয়াৰ কাৰণে শুদ্ধ NRC প্ৰস্তুত কৰিবৰ কাৰণে চৰকাৰে চোকা দৃষ্টি ৰাখে, নজৰ ৰাখে। এইখিনিকে আশাৰাখি আমাৰ অসমৰ খিলঞ্জীয়া মানুহবিলাকৰ ভৱিষ্যতৰ ৰক্ষা ইয়াৰ দ্বাৰাই হয়। অসমখন এই দলিল পৰাই যাতে বিদেশী মুক্ত হব পাৰে। এই উদ্দ্যেশ যাতে সফল হয় এইখিনিকে আশা ৰাখি আমাৰ বিপিএফ দলৰ যিটো মত ইয়াতে প্ৰকাশ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য নৰুল হুদা।

**শ্ৰী নৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা **৩০.০৭.২০১৯** তাৰিখৰ ``অসমীয়া প্ৰতিদিন'' কাকতত প্ৰকাশিত **১৯৫১** চনৰ NRC ত নাম থকাৰ পিছতো বিদেশী ঘোষণা। মানসিক চাপত ভূগি মৃত্যুক সাৱতি লয় জুৰিয়াৰ নজৰুল হকে। এই ভিউটো উত্থাপন কৰিবৰ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ আৰু কৃতজ্ঞা জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, নজৰুল হক ৰূপহীহাট সমষ্টিৰ জুৰীয়া থানা এলেকাৰ লালুঙ গাঁৱৰ এজন স্থায়ী বাসিন্দা। তেওঁৰ নাম **১৯৫১** চনৰ NRC ত সন্নিবিষ্ট আছে। **১৯৫১** চনত তেওঁৰ বয়স আছিল **১** বছৰ। আৰু **১৯৭০** চনৰ ভোটাৰ লিষ্ট তেওঁৰ নাম সন্নিবিষ্ট হৈছে। সেইসময়ত তেওঁ প্ৰাপ্ত বয়স্ক হৈছিলে। তেওঁৰ দেউতা আয়ত আলি, তেখেতৰ নাম **১৯৬৫** চনৰ ভোটাৰ তালিকাত আছে। **১৯৫১** চনৰ NRC ত আছে, **১৯৭০** চনৰ ভোটৰ তালিকাত আছে। আৰু যিজন নজৰুল, তেওঁৰ নিজৰ নাম **১৯৭০,১৯৭১** চনৰ বৰ্তমানলৈকে তেওঁৰ আছে। এই নজৰুল হকে **০৬/০১/১৯৭১** চনত মাটি ক্ৰয় কৰাৰ দলিলো আছে। তেওঁৰ নামত ৰেচন কাৰ্ড আছে। তেওঁ ভাৰতীয় নাগৰিক হয় বুলি প্ৰমান পত্ৰ আছে। গোটেই বিলাক প্ৰমান পত্ৰ থকাৰ পিছত NRC খচৰা যেতিয়া প্ৰকাশ হৈছে, সেই সময়ত দেখা গ'ল যে

নজৰুল হকৰ পৰিয়ালৰ নাম NRC ত সন্নিবিষ্ট হোৱা নাই। তাৰ পিছত কিহৰ কাৰণে হোৱা নাই সেইটো উলিয়াবলৈ গৈ পালে যে **১৯৮৯** চনত বিদেশী ন্যায়াধীশকৰণত তেওঁৰ গোচৰ হৈছিলে। সেই গোচৰত তেওঁক এক পক্ষীয় ভাৱে বিদেশী বুলি ঘোষণা কৰিছিলে। এই ঘোষণাৰ কথাটো তেওঁ জনা নাছিলে। যেতিয়া তেওঁ জানিব পাৰিলে, তেতিয়া তেওঁ বিদেশী ন্যায়াধীশকৰণৰ ওচৰলৈ গৈ তেওঁ certified copy উলিয়ালে। certified copy উলিয়াই লৈ মহামান্য উচ্চ ন্যায়লয়ত তেখেতে আবেদন কৰিলে আৰু মহামান্য উচ্চন্যায়ালয়ে এই বিষয়টো পুনৰ বিবেচনাৰ কাৰনে বিদেশী ন্যায়াধীকৰনলৈ পঠিয়াই দিলে , বিদেশী ন্যায়াধীকৰনে জুৰিয়াত। ৬-৩-২০১৯ তাৰিখে বিদেশী ন্যায়াধীকৰনত তেওঁ হাজিৰ হৈ তেওঁ কৈফিয়ৎ দিলে। তাৰ পাছত গোটেই প্ৰমান পত্ৰবোৰ দাখিল কৰাৰ পাছত তাৰিখৰ পাছত তাৰিখ, তাৰিখৰ পাছত তাৰিখ। বজৰুল হক একেবাৰে দৰিদ্ৰ দুখীয়া মানুহ। মাত্ৰ তেওঁৰ ২ কঠা মাটিত, ভেটিটত ঘৰ আছে। দিন হাজিৰা কাম কৰি খুৱাই মানুহটোয়ে। বাৰে বাৰে যেতিয়া বিদেশী ন্যায়াধীকৰনত যায়, উকীলক ধৰিব লাগে, এই বিলাক খৰচ বহন কৰিব নোৱাৰি হতাশ হৈ পৰে তেওঁ যোৱা ২৮ জুলাই তাৰিখে দেওবাৰে সন্ধিয়া তেওঁ পৰিয়ালৰ লগত বহি আলোচনা কৰি , এই দুই কঠা মাটিৰ ১ কঠা মাটি বিক্ৰী কৰাৰ কাৰনে আলোচনা কৰি আছিল। সেই সময়ত তেওঁ ফৎকৈ আবেগিক হৈ পেলাই, এইখিনি বেছাৰ পাছত মোৰ পৰিয়ালে ক'ত বস-বাস কৰিব? এই কথা কোৱাৰ পাছত তেওঁ মাটিত ঢলি পৰিল আৰু তেওঁ হাৰ্ট টেক হৈ মৃত্যুবৰন কৰিবলগীয়া হ'ল। অধ্যক্ষ মহোদয়, এনেকুৱা ঘটনা আৰু বহুত হৈছে। আজি বিদেশী ন্যায়াধীকৰন সমুহে মোৰ সমষ্টিৰে তজিমন নেচা, ১৯৫৮ চনত জন্মগ্ৰহন কৰিছিল ৰূপহীত। তাতে লিখা পঢ়া কৰিছে, তেওঁৰ দেউতাৰ নাম ১৯৫১ চনৰ NRC ত আছে।১৯৬৫ ৰ ভোটাৰ লিষ্টত াছে ১৯৭০ ৰ ভোটাৰ লিষ্টত আছে। তেওঁৰ বিয়া হোৱাৰ পাছত তেওঁৰ যেতিয়া বয়স ২২ বছৰ, সেই সময়ত ১৯৭৭ চনত তজিমনৰ নাম ভোটাৰ লিষ্টত সন্নিবিষ্ট হৈছে। গোটেইখিন প্ৰমানপত্ৰ থকাৰ পাছতো এই তজিমন নেচাক বিদেশী ন্যায়াধীকৰনে বিদেশী বুলি ঘোষনা কৰিলে। কিহৰ কাৰনে কৰিলে চাৰ জানে? তেওঁ যিটো Schoolৰ Certificate দিছিলে, সেই স্কুলৰ School Certificate prove কৰাৰ কাৰনে সেই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পৰা Admission Register টো নিছিলে। Admission Register ৰত তেওঁৰ নাম সন্নিবিষ্ট আছে। Certificate ও চালে। কিন্তু Certificate তজিমনক যিটো দিলে সেই Certificate ত Head master ৰ সাক্ষৰ কৰা আছে। Counter sign ও কৰা আছে। কিন্তু যিটো বহী অফিচত আছিল সেই বহীত ভুলক্ৰমে প্ৰধান শিক্ষকৰ চহী নাছিল। কিন্তু Counter sign আছিল। এই কাৰনে তজিমনক বিদেশী বুলি ঘোষনা কৰিলে। গতিকে চাৰ, মই এই টোৱে কব বিছাৰিছো, অফিচত থকা বহীখনত Certificate copy খনত প্ৰধান শিক্ষকে চহী নকৰাৰ কাৰনে তজিমনে দায়ী হ'ব পাৰে নেকি? চাৰ এনেকুৱা ঘটনা আৰু বহুত হৈছে, মোৰ বিধান সভা সমষ্টিত।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। গোটেইখিনি কবৰ বাবে সময়তো ন'হব। আপোনাক মুল কথাটো আপুনি কৰিলে। এটা উদাহৰনো দিলে। বাকী কেইটাৰ নাম কওঁক। বৰ্ননা কৰিলে সময়টো আৰু লাগিব।

**শ্ৰীনুৰুল হুদা, সদস্যঃ**- চাৰ, অনুগ্ৰহ কৰি অলপ সময় দিব।

**মাননীয় অধ্যক্ষ** ঃ- আপোনাৰ মনোবেদনাটোত মই একমত। কিন্তু আপুনি, যদি বাকী তেনেকুৱা আছে, নাম কেইটা কওঁক। বৰ্ননা প্ৰত্যেকৰে কৰিব নালাগে। কাৰন আপোনাৰ নটিচখন মই সেই মানুহ গৰাকীৰ কাৰনেই দিছিলো। যি জন মানুহৰ কথা আপুনি কলে যে মানসিক চাপত ভোগী

মৃত্যু হ'ল, NRC ত নাম থকাৰ পাছতো। These are very sensitive. সেই কাৰনে মই দিছিলো।

**শ্রীনুৰুল হুদা, সদস্যঃ-** বিদেশী ন্যায়াধিকৰনে কি কৰি আছে? আপোনাক মই অৱগত কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** বিদেশী ন্যায়াধিকৰন টো মোৰ অধীনত নচলে। আমি High Court ত যাব লাগিব। আপোনালোকেও সহায় কৰিব লাগিব মানুহবিলাকক। সেইবোৰ বৰ দুখীয়া মানুহ, তেওঁলোক হয়তো Court ত যাব নোৱাৰে। আমিও sense of responsibility আমিও ল'ব লাগিব, আমাৰ এৰিয়া বিলাকত তেনেকুৱা হ'লে, কওঁক বেছি নকৰিব।

**শ্রীনুৰুল হুদা, সদস্যঃ-** চাৰ, জয়নালউদ্দিন, মোৰ সমষ্টিৰ। তেওঁ ২০১৬ চনত বিদেশী ন্যায়াধিকৰনত কেছ হ'ল। বিদেশী ন্যায়াধিকৰনে বিদেশী নহয় বুলি ঘোষনা কৰিলে। আকৌ ২০১৭ চনত তেওঁৰ ওপৰত কেচ হ'ল। ২০১৭ চনতো বিদেশী ন্যায়াধিকৰনে কলে যে তেওঁ বিদেশী নহয়। ২০১৮ চনত আঙ্গৌ এই মানুহজনৰ ওপৰত কেচ হ'ল। এজন মানুহক দুবাৰ বিদেশী নহয় বুলি ঘোষনা কৰাৰ পাছত ৩য় বাৰ আকৌ তেওঁৰ নামত কেচ হৈছে চাৰ। আৰু চাৰ এই বিলাক যে হৈ আছে চাৰ, ডিটেনশ্যন কেম্পত ভাৰতীয় নাগৰিক সকলৰ যি মৃত্যু হৈছে আজি ৩ টা বছৰত প্রায় ২৪ জন মানুহৰ মৃত্যু হৈছে। উদিয়মান যুৱক সুব্রত দে ৰ মৃত্যু হৈছে। আমি Tea Garden ৰ মানুহ পুনা মুণ্ডাৰ মৃত্যু হৈছে। আজি ডিটেনশ্যন কেম্পত যি সকল আছে তাৰ ভিতৰত কিছু ভাষিক সংখ্যালঘু,ভাষিক সংখ্যালঘু ডিটেনশ্যন কেম্পত আছে । আজি Tea Garden ৰ মানুহো ডিটেনশ্যন কেম্পত আছে। তাত তেওঁলোকৰ মৃত্যু হৈছে। গতিকে চাৰ, এই যে ডিটেনশ্যন কেম্প আৰু বিদেশী ন্যায়াধিকৰন এই বিদেশী ন্যায়াধিকৰনে যিবোৰ কাম কৰি আছে চাৰ আজি কিছুমান Certificate আপোনাৰ National Emblem থকাৰ প্রমান পত্র তেওঁলোকে reject কৰিছে। National Emblem থকাৰ প্রমান পত্র গাওঁবুঢ়াই দিছে, স্কুলৰ হেড মাষ্টৰে দিছে, কিন্তু National Emblem থকা প্রমানপত্র বিদেশী ন্যায়াধিকৰনে reject কৰিছে। এইটো টো তেওঁলোকে জনাই দিয়া নছিলে। আজি সকলো গাওঁবুঢ়াই national emblem ব্যৱহাৰ কৰিছে। প্রধান শিক্ষকে প্রমান পত্র দিওঁতে National Emblem ব্যবহাৰ কৰিছে। কিন্তু এইটো অজুহাতত যদি এইটো ব্যবহাৰ কৰিব নালাগে, নলগাৰ কাৰনে দায়ী কোন হ'ব? এই যিজনক প্রমান পত্রখন দিব তেওঁ হ'বনে যি জনে দিলে তেওঁ হ'ব? গতিকে তাৰ বাবে দায়ী হয়তো গাওঁবুঢ়া বা হেড মাষ্টৰ হ'ব। সেই মানুহজন হ'ব নালাগে। এইটো অজুহাতত ভাৰতীয় নাগৰিক সকলকো বিদেশী বুলি ঘোষনা কৰিছে। আৰু এটা ডাঙৰ কথা হ'ল বিদেশী ন্যায়াধিকৰনত যি সকল member আছে, তেওঁলোকেটো আচলতে Judgement দিব নোৱাৰে । মতা-মতহে দিব লাগে, আৰু সেই মত-মতটো দিব যাওঁতে আৰু তেওঁলোকৰ চাকৰিটো Contractual হোৱাৰ বাবে মাত্র ১১ মাহৰ কাৰনে তেওঁলোকক নিযুক্তি দিয়া হয়। আৰু ১১ মাহৰ পাছত তেওঁলোকক extension কৰা হয়। extension কিয় বৃদ্ধিকৰা হয়? extension ৰ কাৰনে ৪ টা criteria বান্ধি লৈছে। Excellent, best, better, আৰু good যি দেশী বিদেশীৰ ৰায় দিব পাৰিব, তেওঁৰ selection চাব? তেওঁ আগতীয়াকৈ extension পাব। গতিকে তেওঁলোকৰ চাকৰিটোৰ extension ৰ কাৰনে আজি জধে মধে ভাৰতীয় নাগৰিকক বিভিন্ন ধৰনৰ হাৰাশাস্তি কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ-** এই বিলাক Judiciary কে দিয়া হয়। বিদেশী কোন স্বদেশী কোন চাবলৈ? ভুল কৰিলে আমি আপীল কৰা বাদে আমি বেছিকৈ কৈ লাভ নাই। মই সেই কাৰনে কৈছো

আপোনালোক, আমি সকলোৱে নিজৰ নিজৰ সমষ্টিৰহ প্ৰতি sensitive হ'ব লাগিব। আমি যাতে Legal head টো তেওঁলোকক দিও। it is very difficult. Legal lead টো দিয়াটো বৰ টান। কাৰণ বহুতো সময় লাগে। Even মহিলা সকল যিবিলাক ঘটনাৰ বলি হয়, সেই মানুহ বিলাক পিছুত বৰ অকলশৰীয়া হৈ পৰে। সেই কাৰনে মই ভাবো যে আপুনি যিটো কৈছে আমি Legal কিবা কথা ভাবিব পাৰো। আৰু মই ডিটেনশ্যন কেম্পৰ কথাটো মই এবাৰ পাতিছিলো, we should discuss again. outside the House ও হ'ব পাৰে। মানুহৰ মানবিয়তা ৰক্ষা কৰাটো আমাৰ প্ৰথম কৰ্তব্য। ঠিক আছে। মই ভাবো যে এইখিনি মিনিষ্টাৰে এটা উত্তৰ দিয়ক।

**শ্ৰীনুৰুল হুদা, সদস্যঃ**- চাৰ, মোৰ কথাখিনি শেষ হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ- আজি আলোচনাৰ কাৰনে ৯ খন বিল আছে।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট)ঃ**- চাৰ, মই ভাবো, আপুনিও এজন আইনজ্ঞ, আপুনি এজন অধিবক্তা আছিল। গতিকে আপুনিও জানে, আজি বিদেশী ন্যাধিকৰনত, অধিবক্তা সকল যোৱাৰ কাৰণে নিবিচাৰে। কাৰণ অধিবক্তা সকলে বিদেশী ন্যায়াধিকৰনৰ সদস্য জনৰ পৰা যিটো ব্যৱহাৰ পায়, সেই ব্যৱহাৰৰ কাৰণে কোনো উকীল বিদেশী ন্যায়াধিকৰণলৈ যাব নিবিচাৰে। এই কথাবোৰ চাব লাগিব। গতিকে, মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যে বিদেশী ন্যায়াধিকৰণৰ সদস্যৰ নিযুক্তি সমূহ স্থায়ীকৰণ কৰিব লাগে যাতে extension ত নাযায়। স্থায়ীকৰণ কৰিলে তেওঁলোকে নিশ্চয় নিৰপেক্ষ ভূমিকা ল'ব আৰু ভাৰতীয় নাগৰিক সকল বাৰে বাৰে হাৰাশাস্তিৰ সন্মুখীন নহ'ব। আমাৰ মাননীয় সদস্য দেৱানন্দ হাজৰিকা ডাঙৰীয়াই ডি-ভোটাৰ সম্পৰ্কত ইতিমধ্যে কৈ গৈছে আৰু সদনত NRC সম্পৰ্কতো বিভিন্ন কথাবোৰ উত্থাপন হৈছে। গতিকে মহামান্য উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত নিৰপেক্ষ ভাৱে অসমৰ বৃহৎ স্বাৰ্থৰ খাতিৰত এখন নিখুঁট NRC পাম বুলি আশা কৰিছো । এই ক্ষেত্ৰত আমাৰ মহামান্য উচ্চতম ন্যায়ালয়ৰ ওপৰত গভীৰ বিশ্বাস আছে। গতিকে আমাৰ ইয়াত হয়তো State Coordinator ৰ লগত আলোচনা কৰি উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত কাম সমূহ লগত চলি আছে। গতিকে এজনো বিদেশী লোক অন্তৰ্ভূক্ত নোহোৱাকৈ আৰু এজনো ভাৰতীয় নাগৰিকৰ নাম বাদ নপৰাকৈ এখন নিখুঁট NRC পাম বুলি দৃঢ় বিশ্বাস আছে। ধন্যবাদ।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ বিৰাজমান হয়)

**মাননীয় অধ্যক্ষঃ** এতিয়া আমি অতি স্পৰ্শকাতৰ বিষয় আলোচনা কৰি আছো আৰু এই ক্ষেত্ৰত আগৰ যি সকল সদস্যই বক্তব্য ৰাখিলে সেইখিনিয়েই যথেষ্ট। এই বিষয়ত এতিয়া আৰু আন সদস্যক সময় দিলে অসুবিধা হ'ব।

কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়া, আপুনি বহক। Do not disturb the proceeding. If you disturb like this, unfortunately, I will take action today.

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এই জ্বলন্ত সমস্যাটো সমাধানৰ কাৰণে অসম বিধান সভাৰ সকলো পক্ষৰ বিধায়কে গুৰুত্ব আৰোপ কৰিছে। অসমত এটা বৃহৎ আন্দোলন হৈছিল য'ত সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম গণ সংগ্ৰাম পৰিষদে নেতৃত্ব লৈছিল। সেই আন্দোলনৰ অন্তত, ৭৫৫ জন শ্বহীদৰ তেজৰ বিনিময়ত, অসম চুক্তি হৈছিল। অসম চুক্তিৰ আধাৰতে আজি NRC প্ৰস্তুতৰ কাম আৰম্ভ হৈছে। এই NRC

ৰ যি কাম, সেইখিনি আমাৰ মহামান্য উচ্চতম ন্যায়ালয়ে তত্বাৱধান কৰি আছে। আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত মহামান্য উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত NRC ৰ যি কাম কৰি আছে, সেইখন নিখুঁট হ'ব লাগে। তাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষ তৎপৰতাৰে এই বিষয়টোৰ ওপৰত সঘনাই গুৰুত্ব প্ৰদান কৰি থাকে যাতে কোনো বিদেশী লোক অন্তৰ্ভূক্ত নোহোৱাকৈ আৰু এজনো ভাৰতীয় নাগৰিকৰ নাম বাদ নপৰাকৈ NRC খন প্ৰস্তুত হয়। তাৰ বাবে তেখেতে প্ৰয়োজনীয় দিহা-পৰামৰ্শ দি আছে। ভাৰতবৰ্ষৰ সৰ্বোচ্চ ন্যায়ালয়েই হ'ল মহামান্য উচ্চতম ন্যায়ালয়, গতিকে উচ্চতম ন্যায়ালয়ে সময়ে সময়ে দিয়া নিৰ্দেশক আমি সন্মান জনাই ভালদৰে পালন কৰি আহিছো। উচ্চতম ন্যায়ালয়ৰ যি নিৰ্দেশনা সেইটো আমি পালন কৰিবই লাগিব আৰু সেই হিচাপে অসমত State Co-ordinator ৰ নিযুক্তি হৈছিল। সেই State Co-ordinator ক অসম চৰকাৰে ১২০০ কোটি টকা মুকলি কৰি দিছিল। তাৰোপৰি, অসম চৰকাৰৰ প্ৰতিটো বিভাগৰ মূল কাম-কাজখিনি কৰাৰ উপৰিও অসম চৰকাৰৰ প্ৰায় ৫৫ হাজাৰ dedicated Officer ক এই NRC ৰ কাম কৰিবৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই সন্মতি দিছে। গতিকে এনেদৰে NRC ৰ প্ৰক্ৰিয়া আৰম্ভ হৈ খচৰাখন প্ৰস্তুত হৈছিল। আমাৰ এতিয়া বিধান সভাৰ মজিয়াত মাননীয় সদস্য সকলে শূন্যকালীন ঘণ্টাৰ device ত এই বিষয়টো আনিছে। কিন্তু এই বিষয়টো মহামান্য উচ্চতম ন্যায়ালয়ে তত্বাৱধান কৰি আছে। আমাৰ মাননীয় বিৰোধী দলৰ দলপতিয়ে কৈছে যে, মহামান্য উচ্চতম ন্যায়ালয়ে যি কৰিছে, ঠিকে কৰিছে আৰু NRC খন উলিয়াব দিব লাগে। আমাৰ AIUDF দলৰ পৰা আমিনুল ইছলাম ডাঙৰীয়াইও কৈছে যে তেওঁলোকে যদিও ভিতৰুৱা কথাবোৰ নাজানে, NRC খন কিন্তু সোনকালে উলিয়াব লাগে। আনহাতে, অ.গ.প., বি.পি.এফ, বিজেপিৰ অন্যান্য সদস্য সকলে কৈছে যে আমাৰ NRC খনত কিছু ত্ৰুটি আছে । গতিকে এইখন ভালদৰে verification কৰি ত্ৰুটিমুক্ত কৰিবৰ বাবে অলপ সময় লাগে যাতে শুদ্ধ ভাৰতীয় নাগৰিকৰ নাম অন্তৰ্ভুক্ত হয় আৰু বিদেশী সকলৰ নাম বাদ পৰে।

মাননীয় সদস্য নোমল মমিন ডাঙৰীয়াই কৈছে যে তেওঁ এজন ট্ৰাইবেল মানুহ আৰু তেখেত মেডিকেল কলেজৰ অধ্যাপক আছিল। কিন্তু আজি জন সাধাৰণৰ সেৱা কৰাৰ স্বাৰ্থত অধ্যাপকতা এৰি বিধান সভাত আহিছে। ইয়াত অহাৰ পিছত তেখেতে দেখিলে যে আন্তঃৰাষ্ট্ৰীয় চাৰিসীমাৰ কাষৰ কিছু কিছু জিলাৰ ৯৬% মানুহৰ নাম NRC ত উঠিছে কিন্তু তেখেতৰ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা অঞ্চলৰ ১৫ % মানুহৰ নাম নুঠিলে যিসকল আচলতে অসমৰে ভূমিপুত্ৰ। অসমত আগতে আৰ্য সকলৰ লগতে বাহিৰৰ পৰা আন বহুতো লোক আহিছিল কিন্তু কাৰ্বি সকল অসমৰে ভূমিপুত্ৰ। তাহানিৰে পৰা এওঁলোক ইয়াতেই আছে। গতিকে তেখেতৰ মনৰ দুখটো আমি চাব লাগিব। তেওঁ কিয় দুখ কৰিছে আৰু এই দুখ কিয় হৈছে চাব লাগিব। এই ক্ষেত্ৰত, মাননীয় সদস্য দেৱানন্দ হাজৰিকা ডাঙৰীয়া আৰু শিলাদিত্য দেৱেও কৈছে । শিলাদিত্য দেৱে State Co-ordinator ৰ কথা কৈছে, কিন্তু, সেই বিষয়ে তেখেতে ভালদৰে explain কৰি দিয়া নাই। গতিকে,What I feel or understand is that তেখেতে ক'ব বিচাৰিছে যে, NRC সম্পৰ্কত State Co-ordinator এ মহামান্য উচ্চতম ন্যায়ালয়ক বিপথে পৰিচালিত কৰিছে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** আপোনালোক সকলো বহক। আপোনালোকে প্ৰথমে মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো শুনি লওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো হৈছে যে Concern টো কি হৈছে? শিলাদিত্য ডাঙৰীয়াই কথাটো কৈছে যে ১২ শ কোটি টকা আমি হাজেলা ডাঙৰীয়াক মুকলি কৰি দিলো। আমি ৫৫ হাজাৰ কৰ্মচাৰী তেওঁক দিলো। চুপ্ৰিম কোৰ্টত হাজেলা ডাঙৰীয়াই মিচলিড কৰিছে, সেই কথাটোৰেই তেওঁ কৈছে। তেওঁ যিটো কথা কৈছে আৰু ভূমি-পুত্ৰ হিচাপে নোমল মমিন ডাঙৰীয়াই কৈছে যে আমাৰ নাম নাই। আকৌ ৰমাকান্ত দেউৰী ডাঙৰীয়াই কৈছে যে তেওঁ আমাৰ এম এল এ। কিন্তু তেওঁৰ নামেই NRC ত নাই। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই যিটো Concern, এই Concern টো বাদ দি এখন NRC নহ'ব। এইটো হ'ল ১ নম্বৰ কথা। ২ নম্বৰ কথাটো হ'ল যেতিয়া আমাৰ NRC খনৰ খচৰা প্ৰস্তুত হ'ল, তেতিয়া আমি সকলোৰে জানিলো যে ৪০ লাখ ৭হাজাৰ ১৪ জন মানুহৰ নাম নাই। NRC ৰ পৰা বাদ পৰিল। বাদ পৰাখিনিৰ বাবে তেওঁলোকে Claim and objection দিব। সেইটো ঠিকেই আছে। কিন্তু তাৰ পিছত State Co-Ordinator এ এটা কথা চুপ্ৰিম কোৰ্টত ক'লে যে এই যে ৪০ লাখ ৭হাজাৰ ১৪ জন মানুহৰ নাম বাদ পৰিল তেওঁলোক Claim and objection ল'বৰ বাবে। যিসকলে অবৈধভাৱে সোমাইছে, তেওঁলোকৰ ওপৰত objection দিয়াৰ বাবে আৰু যিসকলৰ নাম সোমোৱা নাই তেওঁলোকে Claim কৰিবৰ বাবে। সেই অনুসৰি Claim and objection দিয়া হ'ল। তাৰ পিছত State Co-Ordinator এ চুপ্ৰিম কোৰ্টক জনালে যে প্ৰায় তিনি লাখ আশী হাজাৰ মানুহৰ Claim নাহিলে। এই ক্ষেত্ৰত দুটা কথা হ'ল। প্ৰথম কথাটো হ'ল যে এই তিনি লাখ আশী হাজাৰ মানুহহে হয়তো গম নাপালে যে তেওঁলোকৰ নাম NRC ত অন্তৰ্ভুক্ত হোৱা নাই। তেওঁলোক হয়তো দুখীয়া খেতি কৰা, হাজিৰা কৰা মানুহ হ'ব পাৰে। সেই ক্ষেত্ৰত এইটো এটা মানৱীয় দিশ আহিল। দ্বিতীয় দিশটো হ'ল যে সেই তিনি লাখ আশী হাজাৰ মানুহে যদি জানিছিল যে তেওঁলোকৰ নাম NRC ত অন্তৰ্ভুক্ত হোৱা নাই, তাৰ পিছতো তেওঁলোকে Claim নকৰিলে। তাৰ মানে তেওঁলোকৰ হয়তো উপযুক্ত নথি-পত্ৰ নাই। তেওঁলোক হয়তো বিদেশী নাগৰিক আৰু তেওঁলোক যদি বিদেশী নাগৰিক হয়, এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কৰ্তব্য আছে। ৰাজ্য চৰকাৰৰ দুটা দিশতেই কৰ্তব্য আছে যে যদি দুখীয়া লোকসকলে নাজানিলে, তেতিয়া চৰকাৰে তেওঁলোকক Claim কৰিবলৈ Legal Aid প্ৰদান কৰিব। আনহাতে তেওঁলোকে যদি তেওঁলোকৰ উপযুক্ত নথি- পত্ৰ নথকাৰ বাবে Claim নকৰে, তেনে ক্ষেত্ৰত চৰকাৰৰ কৰ্তব্য আছে যে তেওঁলোক বিদেশী নাগৰিক আৰু সেই হিচাপে অসমত থকাৰ অধিকাৰ নাই আৰু সেই দিশটোও চৰকাৰে চাব লাগিব। এই গোটেইবিলাক বস্তু যেতিয়া হ'ল তেতিয়া আমাৰ মাননীয় সদস্য শিলাদিত্যদেৰেই হওঁক বা আমাৰ হাজৰিকাদেৰেই হওঁক বা অন্যান্য বিধায়ক সকলে যিটো কথা কৈছে যে আমাৰ State Co-Ordinator এ মাননীয় উচ্চতম ন্যায়ালয়ক চিল ক'ভাৰত যিখিনি দিয়ে, কিন্তু সেইখিনি কথা ৰাজ্য চৰকাৰৰ লগত Share নকৰে। ৰাজ্য চৰকাৰৰ লগত Share নকৰাৰ বাবে বহুতো মাননীয় সদস্যই মোক সুধিছে যে আমাৰ ৰাজ্য চৰকাৰৰ লগত কিয় Share. নকৰে। তেতিয়া মই ক'লো যে মই এই বিষয়ে নাজানো। মই কেৱল জানো চিল ক'ভাৰত দিয়ে আৰু আগৰ পৰা দি আহিছে। তেতিয়া এজন সদস্যই মোক প্ৰশ্ন কৰিছিল যে অসম চৰকাৰখন ভাৰতৰ নহয় নেকি? আমাৰ চৰকাৰখন পাকিস্তানৰ চৰকাৰ নেকি? যে State co-ordinator এ আমাৰ লগত Share নকৰে।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইসকল আমাৰ অসমৰ বিধায়ক নে বেলেগ ৰাজ্যৰ বিধায়ক। তেওঁলোকৰ নাম জনাব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় মন্ত্ৰী পিযুষ হাজৰিকাদেৱে কৈছে, বিনন্দ শইকীয়াদেৱ আৰু গুৰুজ্যোতি দাস ডাঙৰীয়াও কৈছে। আমি মহামান্য উচ্চতম ন্যায়ালয়ক ধন্যবাদ জনাইছো যে তেখেতসকলে Monitoring ত আমাক সহায় কৰিছে। লগতে আমাৰ মাননীয় মুখ্য মন্ত্ৰীক, ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী তেখেত সকলৰ সদিচ্ছাৰ বাবে ধন্যবাদ জনাইছো। কাৰণ অন্তঃত এটা ফাইনেল ড্ৰাফ্টৰ কাৰণে NRC খন আহিছে। কিন্তু প্ৰশ্নটো হৈছে যে NRC ক লৈ মানুহৰ যিটো concern. ইয়াৰ আগতেও NRC Pilot Project হৈছিল। তেতিয়া আমি বিৰোধীত আছিলো। NRC Pilot Project ত গুলীয়াগুলী হৈ বৰপেটাত ৭ জন লোকৰ মৃত্যু হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইবোৰ অতীতৰ কথা। এই বিষয়ে এতিয়া ক'ব নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** অধ্যক্ষ ডাঙৰীয়া, কিন্তু এইবাৰ সকলোৰে সহযোগত এইবাৰ NRC খন হৈছে আৰু আমি বিচাৰিছো যে এইখন এখন নিখুত NRC হয়। আজি নোমল মমিন ডাঙৰীয়াৰ চিন্তাটো কি হৈছে? তেখেতে কি কথা ক'লে? নোমল মমিন ডাঙৰীয়া ভূমি পুত্ৰ হয়। গতিকে নোমল মমিনৰ অধিকাৰ মোতকৈ বেছি আছে ইয়াত। তেওঁ ভূমি পুত্ৰ বুলি কৈছে। গতিকে ভূমি পুত্ৰৰ আজি মৰ্ম্ম -বেদনা কি? ২০১১ চনৰ লোকপিয়ল মতে যি ১২ খন জিলাত abnormal population growth হ'ল সেই abnormal population growth হোৱা জিলাত ৯৬ শতাংশ মানুহৰ নাম NRC ত অন্তৰ্ভুক্ত হৈছে। মাননীয় সদস্য গুৰুজ্যোতি দাসে কৈছিল যে অসম আন্দোলন আৰম্ভ হৈছিল স্বৰ্গীয় হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত। মঙ্গলদৈ সমষ্টিৰ পৰা যেতিয়া ভোটাৰ তালিকা ওলাইছিল তেতিয়াৰ পৰা অসম আন্দোলন আৰম্ভ হৈছিল। এই কথাটোৰেই গুৰুজ্যোতি দাসে কৈছে যে তেখেতৰ সমষ্টিত তেখেতে এম এল এ হোৱাৰ পিছত আৰু এইবাৰ তাৰ পৰা এম পি নিৰ্বাচিত হোৱাৰ পিচত কিমান তাত জনসংখ্যা বৃদ্ধি পাইছে। আমাৰ মূল কথাটো হ'ল যে যিবিলাক জিলাত abnormal population growth হৈছে, সেইসমূহ জিলাত প্ৰায় ৯৬-৯৭ শতাংশ মানুহৰ নাম অন্তৰ্ভুক্ত হৈছে। কিন্তু ভূমি-পুত্ৰসকল থকা কাৰ্বি-আংলং, NC hills ত প্ৰায় ১৮ শতাংশ লোকৰ নাম অন্তৰ্ভুক্ত হোৱা নাই। এই নোসোমোৱা লোকসকলৰ নাম আমি অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ বাবে আমি আমাৰ ফালৰ পৰা মাননীয় উচ্চতম ন্যায়ালয়ক জনাইছো। তাৰোপৰিও ৩ লাখ ৮০ হাজাৰ ৭ শ মানুহ যিসকলে claim নকৰিলে, তেওঁলোকৰ নাম ঠিকনা ৰাজ্য চৰকাৰৰ লগত Share কৰিবলৈ মাননীয় উচ্চতম ন্যায়ালয়ে State co-ordinator নিৰ্দ্দেশ দিছে। কিন্তু নিৰ্দ্দেশ দিয়াৰ পিছতো State co-ordinator ৰে তেওঁলোকৰ নাম ঠিকনা ৰাজ্য চৰকাৰৰ লগত Share কৰা নাই। এইবোৰ কথাই আচলতে concern হ'ব লাগে। আজিৰ দিনৰ কথাটো হ'ল যে অসম চৰকাৰে টকা দিছে, ৫০ হাজাৰতকৈও অধিক কৰ্মচাৰীক অসম চৰকাৰে দিছে। তাৰোপৰিও মাননীয় উচ্চতম ন্যায়ালয়ক সন্মান জনাই তেওঁলোকে কোৱা কথাবোৰ আখৰে আখৰে পালন কৰিছো আৰু পালন কৰি চলিব লাগিব। কিন্তু আজি মাননীয় বিধায়ক সকলে যিটো কথা উত্থাপন কৰিছে যে যদি State co-ordinator ৰে বন্ধ খামত তথ্য দি মাননীয় উচ্চতম ন্যায়ালক Misslead কৰে তেন্তে হয়তো এই NRC খন যিখন ভাৰতবৰ্ষৰ প্ৰথম Constitutional Document হ'বলৈ গৈ আছে, য'ত অসমৰ ভূমি-পুত্ৰসকলৰ নাম বাদ পৰিছে, বিধান সভাত থকা সদস্যৰ নাম নাথাকে, সেইখন এখন ত্ৰুটিপূৰ্ণ NRC হ'ব। এই ক্ষেত্ৰত আমি কি বিচাৰিছো? অসম চৰকাৰ আৰু ভাৰত চৰকাৰে মাননীয়.উচ্চতম ন্যায়ালক এখন Af-

fidavit দিছে । আমি ২০ শতাংশ revison হ'বৰ বাবে অসম চৰকাৰে Affidavit দিছে। ভাৰত চৰকাৰেও একেই Affidavit দিছে। এই NRC খনৰ পুনৰীক্ষণৰ প্ৰয়োজনীয়তা আছে। তেতিয়া State Coordinator এ ক'লে যে এইটো আৰু প্ৰয়োজন নাই। ইতিমধ্যে মই ২৭ শতাংশ কাম কৰিয়ে দিলো। অধ্যক্ষ মহোদয়, যেতিয়া State Coordinator এ ২৭ শতাংশ কাম কৰা বুলি ক'লে after publishing the draft তেতিয়া paper ত এটা advertisement দিব লাগিছিল যে অহাকালিৰ পৰা আমি এটা anomalism পৰীক্ষা কৰিম, verification কৰিম। কোন কোন মানুহৰ নাম বাদ পৰিছে verification ত আপোনালোকে কওঁক বা কোনোবা যদি অবৈধ মানুহৰ নাম তাত অন্তৰ্ভুক্ত হৈছে সেইটো আপোনালোকে objection আনক। এইটো এটা public awerness হ'ব লাগিছিল আৰু public notice হ'ব লাগিছিল। কিন্তু এইবিলাক নহ'ল। যাৰফলত আজি এই অৱস্থাৰ সৃষ্টি হৈছে। আটাইতকৈ ডাঙৰ কথাটো হৈছে যে এই কথাটো কিয় হ'ল ? যদি Supreme Court এ NRC খন Declare কৰিবলৈ দিয়ে আমি কৰি দিম। কিন্তু declare কৰাৰ পিছত যিসকল ভূমিপুত্ৰৰ নাম তাত বাদ পৰি গল তাৰবাবে unrest সৃষ্টি হ'ব। এই unrest টো State Coordinator এ ল'ব নোৱাৰে। এইটো State এ ল'ব লাগিব। কাৰণ Law and order is a state subject. NRC ৰ বাবে আমি পইচাও দিলো ১২ ০০ কোটি টকা।

**মাননীয় অধ্যক্ষ ঃ** আজি আমাৰ আলোচনাৰ এইটোৱে মূল বিষয় আছিল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, Unrest হ'লেতো নহব। এটা error free শুদ্ধ NRC হ'ব লাগিব। আমি বিচাৰিছো যে NRC খন হওঁক কিন্তু তাৰ revision ৰ এটা সুযোগ Supreme Court এ আমাক দিয়ক। This is the concesus of the House.

অধ্যক্ষ ডাঙৰীয়া, এই সম্পৰ্কত আমি এটা কথা ক'ব বিচাৰিছো। আমাৰ "The Assam Tribune" কাকতত এই কথাটো ওলাইছিল যে -------হুলস্থুল--------"No Policy yet on status of persons not figuring in NRC" শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কাম ২০১৩ চনৰ ডিচেম্বৰ মাহৰ পৰা Citizenship (Register of Citizens and Issue of National Identity Cards) Rules 2003, সংশোধিত ২০০৯ ৰ অধীনত চলি আছে। মহামান্য উচ্চতম ন্যায়ালয়ৰ সম্পূৰ্ণ তত্বাবধানত WP(C) 274/ 2009 নং বছৰৰ সন্দৰ্ভত এই প্ৰক্ৰিয়াটো ভাৰতৰ মহাপঞ্জীয়কে (RGI) ৰাজ্যিক সমন্বয়ৰ দ্বাৰা কাৰ্য্যকৰী কৰি আছে। অসমত সৰ্বমুঠ ৩.২৯ কোটি জনতাই NRC ত নাম অন্তৰ্ভুক্তি কৰিবৰ কাৰণে আবেদন জনাইছিল। মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰথম খণ্ড খচৰা ইংৰাজী ৩১-১২-২০১৭ আৰু চুড়ান্ত খচৰা ইং ৩০-৭-২০১৮ তাৰিখে প্ৰকাশ কৰে আৰু ৪০,০৭,৭১৭ জন আবেদনকাৰীৰ নাম চুড়ান্ত খচৰাত অন্তৰ্ভুক্ত নহ'ল ।

চুড়ান্ত খচৰাখন প্ৰকাশ হোৱাৰ লগে লগে বিভিন্ন সংবাদ মাধ্যমতNRC ত বিদেশী ঘোষিত হোৱা ব্যক্তিৰ নাম অন্তৰ্ভুক্ত হোৱা বাতৰিটো প্ৰকাশ পায়। অসম চৰকাৰ WP(C) 274/2009 নং গোচৰৰ এটা ফৈদ হোৱাৰ হেতু উক্ত সংবাদ মাধ্যমৰ বাতৰিসমূহ অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। তথ্য অনুসৰি ১২.১৫ শতাংশ আবেদনকাৰীৰ নাম সম্পূৰ্ণ খচৰাত অন্তৰ্ভুক্ত হোৱা নাই। কিন্তু ৰাজ্যখনৰ এই সামগ্ৰিক গড়ৰ তুলনাত বাংলাদেশৰ সৈতে সীমান্তৱৰ্তী জিলা যেনে দক্ষিণ শালমৰাত NRC ৰ খচৰা তালিকাত বাদ পৰা লোকৰ পৰিসংখ্যা ৭.২২শতংশ। এই পৰিসংখ্যা

ধুবুৰী জিলাত ৮.২৬ শতাংশ আৰু কৰিমগঞ্জ জিলাত ৭.৬৭ শতাংশ। অথচ, থলুৱা জনজাতি অধ্যুষিত জিলা কাৰ্বি আংলংত এই পৰিসংখ্যা ১৪.৩১ শতাংশ আৰু উজনি অসমৰ তিনিচুকীয়া জিলাত এই পৰিসংখ্যা ১৩.২৫ শতাংশ য'ত নেকি ভূমিপুত্ৰ সকলে যুগ যুগান্তৰৰ পৰা বসবাস কৰি আহিছে।

**শ্ৰীমতী অজন্তা নেওগ (গোলাঘাট) ঃ** অধ্যক্ষ মহোদয়, এই কথাবিলাক আমি সদনত আলোচনা কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** অজন্তা নেওগ ডাঙৰীয়ানী, তেখেতক এটা কথাই ক'বলৈ দিয়া হৈছে যে আমাৰ Notice টো আছিলে NRC হোৱাৰ পাছত যিসকল মানুহৰ নাম নুসোমাব, তেওঁলোকৰ ক্ষেত্ৰত এটা policy চৰকাৰে লব লাগে।

**শ্ৰমতী অজন্তা নেওগ (গোলাঘাট) ঃ** অধ্যক্ষ মহোদয় NRC ৰ কথাটো Supreme Court এ ক'ব।

**মাননীয় অধ্যক্ষ ঃ** অজন্তা নেওগ ডাঙৰীয়ানী, আপুনি এজন Senior member হৈ কিয় এনেকুৱা বাক-বিতণ্ডা কৰিছে। ----হুলস্থুল----Minister you please conclude your speech.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰে বিগত ২৭-৮২০১৮ তাৰিখে মহামান্য উচ্চতম ন্যায়ালয়ত এক শপতনামা যোগে NRC ৰ খচৰা তালিকাত সংবাদ মাধ্যমত প্ৰকাশ পোৱা বিসংগতি সমূহৰ লগতে কিছুসংখ্যক প্ৰকৃত ভাৰতীয়ৰ নাম তালিকাৰ পৰা বাদ পৰা আৰু কিছু সংখ্যক অযোগ্য লোকৰ নাম খচৰাত অন্তৰ্ভুক্ত হোৱা বিষয়টো মহামান্য ন্যায়ালয়ৰ দৃষ্টিগোচৰ কৰে আৰু নাগৰিকত্ব বিধিৰ সংশ্লিষ্ট ধাৰাৰ অধীনত উক্ত বিসংগতি সমূহ আতৰোৱাৰ বাবে প্ৰাৰ্থনা কৰে।

পৰবৰ্তী সময়ত মহামান্য উচ্চতম ন্যায়ালয়ে বিগত ইং ২৭-৮-২০১৮ তাৰিখে দিয়া প্ৰয়োজন সাপেক্ষে NRC ৰ খচৰাত অন্তৰ্ভুক্ত ১০ শতাংশ লোকৰ নমুনা পৰীক্ষণৰ পোষকতা কৰে। অসম চৰকাৰে এই আদেশৰ পিছতো দাখিল কৰা শপত নামত মহামান্য ন্যায়ালয়ক উক্ত আদেশৰ ৰূপায়ণৰ বাবে প্ৰাৰ্থনা জনায়।

শেহতীয়াভাৱে অসম চৰকাৰে মহামান্য উচ্চতম ন্যায়ালয়ত এক আবেদনযোগে অসমৰ বাংলাদেশ সীমান্তৱৰ্তী জিলা সমূহত খচৰাত অন্তৰ্ভুক্ত হোৱা নামৰ ২০ শতাংশৰ নমুনা পৰীক্ষণ তথা বাকী জিলা সমূহত ১০ শতাংশৰ নমুনা পৰীক্ষণৰ বাবে আবেদন জনায়। অনুৰূপ আবেদন কেন্দ্ৰীয় চৰকাৰেও ন্যায়লয়ত দাখিল কৰে। কিন্তু এই ক্ষেত্ৰত ৰাজ্যিক সমন্বয়কে মহামান্য ন্যায়ালয়ক জনায় যে ওজৰ ও আপত্তি নিস্পত্তিৰ সময়তেই ২৭ শতাংশ লোকৰ "Incidental Verification" কৰা হয়। ৰাজ্যিক সমন্বয়কৰ এই স্থিতিক তীব্ৰ বিৰোধ কৰি I.A. No. 98512/ 2019 in WP(C) 274/2009 Dated 23-07-2009 তাৰিখে দাখিল কৰে। উক্ত আবেদনত ৰাজ্যিক সমন্বয়কে দাবী কৰা "Incidental Verification" ৰ বিৰোধীতা কৰি নিম্ন বৰ্ণিত তথ্য সমূহ অসম চৰকাৰৰ দ্বাৰা মহামান্য উচ্চতম ন্যায়ালয়ত দাখিল কৰা হৈছিল, কিন্তু মাহামান্য ন্যায়ালয়ে ইয়াক নথিভুক্ত নকৰিলে ঃ

1 . It is submitted first, that the prayer made by the Respondent- State as well as Union of India is for 'sample re-verification'. The SCNR has contended

that in the process of disposing about 3 6 Lacs claims and 2 Lacs objections, there has been 'incidental and automatic' re-verification of approximately 74, 83 , 62 7( 72 ,77 ,8 24 + 2 ,05 ,803 ) other persons/ applicant nts who are 'the other family members or all other users of the same Legacy Data Code' who were required to attend as witnesses . This, according to the SCNR, has resulted in 2 5 % re-verification i.e. more than the quantum prayed for in the Union of India and Respondent - State.

The Respondent – State, however begs to differ with the SCNR. The Respondent-State has approached this Hon'ble Court praying for 'sample' re-verification. In common parlance, a 'sample' would necessarily mean a portion that represents the quality or character of the whole part. Thus, there has to been an element of randomization when a sample is drawn for re-verification. It is respectfully submitted that the lot which is contended by the SCNR as a 'sample' is actually not a random lot but only a lot containing persons related to the claimants/ persons objected against. The object of re-verification being to ascertain the correctness of results of the initial process culminating in drawing up draft final list, cannot be effectively achieved from such an exercise based of un-randomized lot.

To illustrate, suppose an imposter, say Mr. X, has been successful in getting his name and the name of his 10 - member family ( under a common AR N number) entered in the final draft NRC by exercising influence, threat or as a result of some bias etc ., the process of disposition of claims and objections does not have the mechnism to verify the correctness of inclusion of this 1 1- member family at all. This is apparent because the process of disposing claims/ objection is only in respect of persons who have

failed to make it to the final draft NRC and their family members/Users of same LDC. Simply put, most cases of wrong inclusions cannot be re-verified through this re-verifiction process.

2. Moreover, as per the SCNR, the disposal of claims/ objection process required the person and the family members and 'other users of same Legacy Data Code' ( LDC ) to a pear as witnesses. However, as per earlier report of SCNR dated 4.10.2018, it is on record that one Legacy person cannot have more one LDC.

Naturally, if an imposter has used any other LDC of that Legacy Person, that imposter has not been subjected to re-verification in the cla ims disposa l process.

3 . In the proceedings undertaken, as learnt, the attendance of the witnesses was not mandatory and not all witnesses attended the hearings. So, it is not clear whether the number 72,77,824 + 2,05,803 is the number of persons who were issued the notice or who actually attended the hearings.

4. The examination of the witnesses was only in regard to the submissions of the claimants and ascertainment or re-verification of facts done, if any, was not particularly against the witnesses' inclusion. A person who appears as a witness in only a process directed at a decision of claim of a related claimant cannot be himself subjected to verification without notice, in an incidental manner. It appears that there is no Order in respect of each witness ;

5. In the absence of any conclusive record of speaking orders required to be passed in each case as per mandate of Para 4(6) of the Schedule to the Rules, it would be

erroneous to equate any ‘incidental’ checking with re-verification as prayed for by Respondent-State. As per SCNR Report, the additional Draft Exclusion List published on 26.06.2019, contains such Orders, which would only be in thousands, as the said list is of 1,02,462 and also contains other categories of Doubtful Voters, Declared Foreigners and Pending Foreigners Tribunals. As such, it cannot be said that there has been re-verification of 72.78 lakhs.

6. Re-verification as prayed for by Respondent-State and as considered by this Hon’ble court, was meant to be done with great care and due diligence, so as to remove any misgiving about the process and its outcome, which does not appear to be the case in the incidental re-verification done by SCNR.

7. That the SCNR has given district-wise figure and percentage of persons who have been re-verified at Annexure “A” of his report. He states that such re-verification happened to the extent of 29% in Cachar, 38% in Dhubri, 25% in Karimganj and 41% in South Salmara. The persons re-verified, have claimed linkage to the same person from whom the claimant has also claimed linkage. Thus, adding the number of claimants and the persons who, learned SCNR claims to have re-verified, gives an idea of number of persons who have claimed linkage on average from same legacy person in the district. The number of persons excluded gives an idea of number of legacy persons used by the group of claimant as well as other persons claimed to have been re-verified by SCNR.

For example, in case of South Salmara district, percentage of exclusion is 7.22 [The district-wise list of exclusion is at **Annexure-I**].The percentage of claimed re-verification of inclusion is 41 persons, so as an indicator 7.22+41=48.22 persons have claimed legacy from 7.22 persons. Therefore, 48.22/7.22= 6.68 persons have claimed linkage to one legacy person in South

Salmara district. This is assuming that each of the claimant in South Salmara district is not related to other claimant in the district. If it is assumed that 2 out of 7.22 claimed are related to other claimants then the number of legacy persons reduces to 5.22 and the number of people claiming linkage with these legacy person remain 48.22. Then the average number of persons claiming linkage to one legacy person jump to 9.22.

The table average number of persons claiming linkage in each district of Assam from a legacy person is at **Annexure-II**. The graph of persons claiming linkage from one legacy person in various districts of Assam with percentage of non-inclusion is placed at **Annexure-III**. Hence, it is seen that, in districts where percentage of exclusion is low and large number of persons claimed to be re-verified, there same legacy person is used by larger number of applicants.

From the data, it becomes clear that in bordering districts like South Salmara and Dhubri, the percentage of exclusions is much lower compared to State average and at the same time the average number of persons claiming linkage from one legacy person is highest at 6.68 in South Salmara and 5.6 in Dhubri districts. This shows that the exercise of NRC updation, which should have thrown up, as a common sense, more exclusions in bordering districts, has shown much lower than average exclusions. At the same time, these districts have high usage of same legacy person data, which is more than average in the State or even in other similarly placed districts. Here it needs to be kept in mind that the data of average number of persons claiming linkage from one legacy person in the district has been derived at from the data of claimants/exclusions as well as other persons claiming linkage from same person from whom the excluded persons have claimed linkage. This make huge variation in number of persons claiming linkage from

one legacy persons in various districts, especially border district, an alarming scenario.

8. Therefore, the data shared by learned SCNR in Annexure "A" of his report, when juxtaposed with list of exclusions, confirms what the State Government has been all along stating. That the exercise of NRC updation in bordering districts, the manner in which it has been carried out is far from accurate. The data justifies the fears of rampant misuse of legacy data in border districts like South Salmara and Dhubri. Such startling scenarios will come up if the data of exclusions and the data of persons claimed to be re-verified is juxtaposed for each revenue circle in remaining districts of the State. It is apprehended that in a number of revenue circles in other districts which have experienced unusual growth of population will give similar results.

9. From the above submissions, the following conclusions can be drawn easily.

(i) The rate of exclusions in border districts is much lower than other districts and State average which is worrisome;

(ii) The claim of learned SCNR that around 25% inclusions have been re-verified as an indirect/incidental outcome of hearing conducted for claims is an incorrect exercise.

(iii) The data shared by learned SCNR of the persons so called re-verified along with data of exclusions district wise shows that there has been rampant misuse of legacy data in border districts and this has led to exclusions, much lower than state average in these districts. Similar results will be seen in many revenue circles if such data is analyzed revenue circle wise.

10. As regards the venue of sample re-verification prayed for, it is submitted that the initial updation process and the claims/objections process has primarily been at local venues.

The Hon'ble Court has also, in the order dated 28.08.2018, considered and observed that this Court

should consider sample re-verification by a team of NSK personnel 'from a neighboring district'.

The Respondent – State submits that in the purpose of sample re-verification, when the correctness of the initial updation process and inclusions/exclusions are to be seen, it is of utmost importance that re-verification remains at a non-local venue. Otherwise, the whole object of sample re-verification would be defeated if the venue of such re-verification remains at the local level and the Respondent – State has contended that there is definite possibility of local influence, bias, threat etc. at local level.

11. Further, as regards the prayer of Respondent – State for entrusting the re-verification work to class I officers of the rank of Circle Registrar of Citizenship Registration (CRCR) or above well versed with the NRC updation process, the SCNR in his report is silent on this aspect except for to say, that incidental re-verification have been done by officers other than those originally engaged. This however, in the respectfully submission of the Respondent – State does not guarantee the quality of the re-verification exercise.

উপৰোক্ত তথ্যসমূহৰ পৰা প্ৰতীয়মান হয় যে ঃ

১) হয় যে এন আৰ চিৰ খচৰা তালিকাত বাদ পৰা লোকৰ পৰিসংখ্যাগত শতাংশৰ হাৰ বাংলাদেশ সীমান্তৱৰ্ত্তী জিলা সমূহৰ তুলনাত বাকী জিলা সমূহত খচৰাৰ পৰা নাম বাদ পৰা লোকৰ সংখ্যা বেছি যি অতিশয় চিন্তনীয় বিষয়।

২) ৰাজ্যিক সমন্বয়কে দাবী কৰা মতে "Incidental Verification" সম্পূৰ্ণ অমূলক যিহেতু এই সন্দৰ্ভত অসমৰ জনগনক আস্থাত লৈ তেখেতে কোনো ধৰণৰ জাননী জাৰী কৰা নাছিলে।

৩) ৰাজ্যিক সমন্বয়কে ন্যায়ালয়ত দাখিল কৰা প্ৰতিবেদনৰ পৰ্য্যবেক্ষণৰ পৰা এইটো প্ৰতীয়মান হয় যে বিভিন্ন জিলাত বিশেষকৈ বাংলাদেশ সীমান্তৱৰ্ত্তী জিলা সমূহত Legacy Data ৰ ব্যাপক অপপ্ৰয়োগ হৈছে আৰু এই অপপ্ৰয়োগৰ দ্বাৰা উক্ত জিলা সমূহত তুলনামূলকভাৱে কম সংখ্যক লোকৰ নাম খচৰা এন আৰ চি তালিকাৰ পৰা বাদ পৰিছে। খচৰা তালিকাত বাদ পৰা লোকৰ অসমৰ সমূহ ৰাজহ চক্ৰ ভিত্তিক পৰ্য্যবেক্ষণ কৰিলে অনুৰূপ তথ্যই ওলাব।

মাননীয় বিধায়ক সকলে উপস্থাপন কৰা বাতৰিকাকতৰ বিষয় সন্দৰ্ভত জনোৱা যায় যে এন আৰ চি ৰ চূড়ান্ত তালিকা প্ৰকাশ পৰৱৰ্ত্তী সময়ত মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশমৰ্মে অসমত ২০০ খন অতিৰিক্ত বিদেশী ন্যায়াধীকৰণ অহা ইং ০১-০৯-২০১৯ তাৰিখৰ ভিতৰত

প্ৰতিষ্ঠাৰ বাবে যাৱতীয় পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে।

ইয়াৰ লগত যাৱতীয় নথি সমূহ সংলগ্ন কৰা হ'ল।

গতিকে অধ্যক্ষ মহোদয়, মই ভাৱো যে আমাৰ মাননীয় বিধায়কসকলৰ কনচাৰ্ণটো হ'ল আৰু আমাৰ চৰকাৰৰ কনচাৰ্ণ হ'ল যে আমি এখন ক্ৰুতি মুক্ত য'ত সকলো ভাৰতীয়ৰ নাম থাকিব, বিদেশীৰ নাম নাথাকে তেনেকুৱা এখন এন আৰ চি প্ৰস্তুত কৰাৰ কাৰণে যিহেতুকে এইটো ভাৰতবৰ্ষত প্ৰথম Constitutional document হ'বলৈ গৈ আছে, তেনেকুৱা কৰাৰ কাৰণে আজিৰ বিধান সভাই মহামান্য উচ্চতম ন্যায়ালয়ক অনুৰোধ জনাই যাতে এই ভেৰিফিকেশ্যনৰ টাইমটো বৰ্দ্ধিত কৰি এখন এৰ'ৰ ফ্ৰি এন আৰ চি প্ৰস্তুত কৰিবলৈ দিয়ে।

**শ্ৰী নুৰুল হুডা(ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিদেশী ন্যায়াধিকৰণে হাৰাশাস্তি কৰা কাৰণে ..................

**মাননীয় অধ্যক্ষ ঃ** দুয়োটা একেলগে দিয়া কাৰণে তেখেতে বোধকৰো এইটো এৰি থৈ গৈছে। যিটো জিৰ' আৱাৰৰ থাৰ্ড নুৰুল হুডাৰ আছিলে , “৫১ এন আৰ চিত নাম থকা পিছতো বিদেশী ঘোষণা, মানসিক চাপত ভোগী মৃত্যুক সাবটিলে জুৰীয়াৰ ভদ্ৰলোকে” এই ষ্টেটমেণ্টটো কওঁক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ ষ্টেটমেণ্টটোত আমি কৈছোৱেই। সেইকাৰণে আমি কৈছো যে কোনো মানুহ যাতে এনেকৈ দুঃচিন্তাত ভোগী যাতে আৰু আত্মহত্যা কৰিব নালাগে তাৰকাৰণে এন আৰ চি ৰ ভেৰিফিকেশ্যনৰ সময় extend কৰি দিবলৈ কৈছো।

**শ্ৰী নুৰুল হুডা(ৰূপহীহাট) ঃ** চাৰ, মই কৈ আছো বিদেশী ন্যায়াধিকৰণৰ কথা। বিদেশী ন্যায়ধিকৰণে হাৰাশাস্তি কৰা কথাহে মই কৈছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদেশী ন্যায়ধিকৰণত যদি কাৰোবাক ফৰেইনাৰ বুলি কৈছে, তেওঁ কোৰ্টত যাব পাৰে। চুপৰীম কোৰ্টলৈকে যাব পাৰে। মাননীয় সদস্য গৰাকীক মই অনুৰোধ কৰিম যে সেইজন মানুহে যদি কিবা কাৰণত পৰা নাই, মাননীয় সদস্য গৰাকীয়ে তেওঁক সহায় কৰি দিয়ক যাতে তেওঁ চুপৰীম কোৰ্টলৈকে যাব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম(ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যিক পথ পৰিবহন নিগমৰ ..............

**শ্ৰী নুৰুল হুডা(ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সীমান্ত অঞ্চলৰ মানুহৰ নাম কম বাদ পৰা কাৰণে মন্ত্ৰীয়ে আপত্তি দৰ্শাইছে। সীমান্ত অঞ্চলত থকা ভাৰতীয় মানুহখিনিক অপমান কৰিছে। ..................

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে পজিটিভলী চাওঁক। আপোনালোকৰ তাত যিখিনি নাম দিছে কোনেও কোৱা নাই। কিন্তু যিবিলাক ভিতৰুৱা যেনে নৰ্থ কাছাৰ, তাৰো বস্তুটো কমিব লাগে। ত্ৰুটিপূৰ্ণ বুলি কৈছে । বেলেগ কথা কোৱা নাই।

............সদনত হুলস্থুল.....................

**মাননীয় অধ্যক্ষ ঃ** Zero Hour ত হৈ গ'ল, বহুত হ'ল আজি।

............সদনত হুলস্থুল.....................

**মাননীয় অধ্যক্ষ ঃ** Please, please আপোনালোকে এইটো নকৰিব। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া আপুনি কওঁক।

............সদনত হুলস্থুল.....................

**माननीय अध्यक्ष ঃ** আপোনালোক বহক, বহক, কথাটো আপোনালোকে positively ল'ব, negatively নল'ব। আপোনালোকে negative কথা নকব। It is positive. আপোনালোকৰ তাতযে কমিছে আৰু বাকীবিলাকত যে ইমান বেছি হৈছে সেইটোহে compare কৰিছে। তাতো কমিব লাগে। আপোনালোকক দিম। আমিনুল ইছলাম আপুনি কবনে মই পৰবৰ্তীজনলৈ যাম?

**শ্ৰী আমিনুল ইছলাম ঃ** এইটোমানে পৰিৱেশটোৰ কাৰণে মই কব পৰা নাই।

**माननीय अध्यक्ष ঃ** আপুনি কওঁক।

............সদনত হুলস্থুল.....................

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ্য ঃ** এটা কথা কম চাৰ।

**माननीय अध्यक्ष ঃ** এতিয়া নাপায়। আমিনুল ইছলাম আপুনি কওঁক।

**শ্ৰী আমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, বিষয়টো সামৰা উচিত।

............সদনত হুলস্থুল.....................

**माननीय अध्यक्ष ঃ** উচ্চতম ন্যায়ালয়ৰ বিৰুদ্ধে একো কথা হ'ব নোৱাৰে। মই এইটো চাম, মই নিজেই check কৰিম। আমিনুল ইছলাম ডাঙীৰায়ই কবলৈ ইচ্ছা কৰা নাই, বৃন্দবন গোস্বামী ডাঙৰীয়া আপুনি কওক। ৩০১।

............সদনত হুলস্থুল.....................

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, মইতো কবলৈ ।

**माननीय अध्यक्ष ঃ** আপুনি কবলৈ ইচ্ছা কৰা নাই।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** माननीय अध्यक्ष মহোদ।

**माननीय अध्यक्ष ঃ** বৃন্দাবন দা আপুনি অকমান বহক তেখেতে কি কব বিচাৰিছে কওঁক।

**শ্ৰী আমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, মই আজি ৫৪ ত যিটো কথা কব বিচাৰিছো অসম ৰাজ্যিক পথ পৰিবহণ নিগমৰ শ্মশান যাত্ৰা, এইটো অতি দুখৰ বিষয়। কাৰণ এই খন অসমত এক শিঙীয়া গড়ৰ প্ৰতীকচিহ্ন থকা ৰঙা এ এচ টি চি বাচ এটা সময়ত আমাৰ অসমবাসীৰ গৌৰৱৰ প্ৰতীক আছিল। যেতিয়া অসমৰ মানুহে এই ৰঙা বাচ বোৰ দেখিছিল যে তেতিয়া কৈছিল যে এইটো আমাক গৌৰৱৰ প্ৰতীক। কিন্তু এতিয়া লাহে লাহে এই এক শিঙীয়া গড়ৰ প্ৰতীকচিহ্ন থকা ৰঙা এ এচ টি চি বাচবোৰ নোহোৱা হোৱাৰ উপক্ৰম হৈছে। যি সময়ত সমগ্ৰ ভাৰতবৰ্ষৰ পঞ্জাৱ, হাৰিয়ানা আদি ৰাজ্য বোৰত চৰকাৰী পৰিবহণ ব্যৱস্থা ইমান উন্নত যে যিয়ে সমগ্ৰ বিশ্ববাসীৰ দৃষ্টি আকৰ্ষন কৰিবলৈ সক্ষম হৈছে। সেই একেই সময়তে আমাৰ অসম চৰকাৰে আমাৰ অসমৰ পৰিবহণ ব্যৱস্থাটো ৰক্ষা কৰিব পৰা নাই, যিয়ে শ্মশান যাত্ৰা আৰম্ভ কৰিছে আৰু এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। এতিয়া দেখা গৈছে যে অসমত পৰিবহণ বিভাগৰ আস্থানবোৰ এটা এটাকৈ বন্ধ হ'বলৈ গৈ আছে। আনকি বহু আস্থান বেদখলৰ কবলত পৰিছে, যিহেতু সেইবোৰ ব্যৱহাৰ হৈ থকা নাই, গতিকে বহুতে সেইবোৰ বেদখল কৰিবলৈ সুবিধা পাইছে। ইয়াৰোপৰি এক সময়ৰ প্ৰাক্তন তথা প্ৰয়াত পৰিবহণ মন্ত্ৰী স্বৰ্গীয় অঞ্জন দত্ত ডাঙৰীয়া পৰিবহণ মন্ত্ৰী হৈ আছিল তেতিয়া অসমৰ এই মৃতপ্ৰায় পৰিবহণ বিভাগটোক পুনৰ জীৱিত কৰিছিল, এই কথা অসমবাসীয়ে আজিও স্বীকাৰ কৰে। তেখেত যোৱাৰ পিছৰ পৰা আকৌ লাহে লাহে এই পৰিবহণ বিভাগটো শ্মশান যাত্ৰা আৰম্ভ হৈছে আৰু বৰ্তমানে এনেকুৱা হৈছে যে প্ৰায় ৯০ শতাংশ আস্থান বন্ধ হৈ যোৱাৰ উপক্ৰম হৈ গৈছে। যোৱা কিছুদিন পূৰ্বে মোৰ সমষ্টিতো অনুৰোধ কৰি দুটামান নতুনকৈ গুৱাহাটীৰ লগত যোগাযোগৰ বাবে নতুন বাচৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু দেখা গ'ল এইটো এক মাহ, দুইমাহো চলা

নাই আকৌ বন্ধ কৰি দিয়া হ'ল। গতিকে এই পৰিবহণ নিগমৰ দূৰঅৱস্থাৰ এটা প্ৰধান কাৰণ হ'ল যে বহুকেইখন বাচ আজি মেৰামতিৰ অভাৱত বা মেৰামতিৰ নামত এক বৃহৎ সংখ্যক বাচ আজি পৰি আছে। আজি অসম বিধান সভাত মোৰ এটা তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰত চৰকাৰে জনালে যে এতিয়া ৭০২ খন বাচ চলি আছে, ২৫৬ খন বাচৰ মেৰামতি চলি আছে আৰু ৩০০ খন বাচ মেৰামতি কৰিলেও লাভ নহয়, গতিকে সেইকেইখন পাইকেৰী দৰত ওজন কৰি বিক্ৰী কৰা পৰ্য্যায়লৈ গুচি গ'ল। গতিকে আৰু অতি ভয়ংকৰ কথা মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নিশ্চয় মনত আছে যোৱা বছৰ বাজেট অধিবেশনত মই এই পবিত্ৰ সদনত প্ৰশ্ন উত্থাপন কৰিছিলো যে বৰ্তমান যোৱা ২ বছৰত পৰিবহণ নিগমৰ কিমানখন বাচ মেৰামতি কৰা হ'ল আৰু কোন কেইখন বাচৰ নামত কিমান টকা খৰচ কৰা হ'ল আৰু এই টকা খৰচ কৰাৰ পিছত কিমান কেইখন বাচ এতিয়া আকৌ চ লাচলৰ উপযোগী হ'ল? তেতিয়া অসম বিধান সভাত যিটো তথ্য দিয়া হৈছিল, তাত দিয়া হৈছিল কিছু কিছু বাচৰ বিপৰীতে ৫ লাখ, ৭ লাখ, ১৩ লাখ, ১৭ লাখ টকালৈকে এই এক বছৰত মেৰামতিৰ নামত খৰচ কৰা হ'ল আৰু তাৰ পিছতো বাচ কেইখন আকৌ পৰিবহণৰ বাবে উপযোগী হৈ নুঠিল। যিদিনা অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নিত প্ৰশ্নটো সদনত উঠিছিল সেইদিনা ৰাতি ৰূপনগৰৰ আস্থানৰ য'ত বাচ বিলাক মেৰামতিৰ কাৰণে আছিল ৰাতি তাত অগ্নিকাণ্ডত প্ৰায় ৪২ খন বাচ সেইদিনা জুইত জাহ গৈছিল। অৰ্থাৎ দিনৰ ৯.৩০ বজাত মোৰ প্ৰশ্নটো সদনত টেবুলত আহিব আগদিনা ৰাতি কিন্তু তাত কাণ্ডটো হৈ গ'ল। ৰূপনগৰৰ সেই বাচ আস্থানত এই বাচ বিলাক জ্বলি গ'ল, যিবিলাক মেৰামতিত ১৫ লাখ, ১৭ লাখ, ১৯ লাখলৈ একবছৰত যিবিলাক বাচৰ মেৰামতিৰ নামত খৰচ কৰা হ'ল সেইবোৰ ৰাতি কিন্তু জুই লাগি জ্বলি গ'ল আৰু দিনৰ ৯.৩০ বজাত সদনত মোৰ প্ৰশ্নৰ উত্তৰটো আহিল যে এটা এটা বাচত ইমান টকা খৰচ কৰা হৈছিল। এইটো কিন্তু এটা ৰহস্যজনক কথা। এই কথাটো যোৱাবাৰ বাজেট অধিবেশনটো আলোচনা হৈছিল। তাৰ পিছতো দেখা গ'ল যে এই বাচ বিলাক বন্ধ হোৱাৰ আৰু এটা কাৰণ হ'ল তাত যিবিলাক বাচৰ ভাড় টিকত চিচটেমত হ'ব লাগে তাত পৰিচালকে বহুত সময়ত হয় কি যাত্ৰী ইমান এলাৰ্ট নাথাকে টিকত নলয়, তেওঁলোকে ভাড়া বিলাক কেছত লয় টিকত নিদিয়ে অৰ্থাৎ কিমান টকা সংগ্ৰহ হ'ল কিমান টকা জমা হ'ল তাৰ মাজত এটা বহু ডাঙৰ ফাক থাকে। গতিকে এই বিভাগে যেতিয়া ৰাজহ সংগ্ৰহটো বহুত কম হ'ব আৰু যোৱা চৰকাৰৰ দিনত আকৌ নতুনকৈ প্ৰায় ২০০ তকৈ অধিক লোকক নিযুক্তি দিয়া হৈছিল বিভাগটোত এতিয়া হৈ গ'ল কি যিসকলক নিযুক্তি দিয়া হ'ল তেওঁলোকক দৰমহা দিব লাগে আকৌ সেই আস্থান বিলাক যে চলাই আছে সেইবিলাক সবকে দৰমহা দিব লাগে। কিন্তু বাচৰ যিটো উপাৰ্জন হয় সেইটো বহুত কম। কম এইকাৰণেই তাত প্ৰত্যেকজন যাত্ৰীক টিকত দিয়া নহয়, আৰু তাত control নাই। পৰিচালক সকলে যে টিকত দি তেওঁলোকে এনেকৈ পইচা লব লাগে আৰু তাৰ পিছতে, এতিয়া চৰকাৰে কি কৰিছে বহুত ব্যাক্তিগত মালিকনাধীন গাড়ী বিলাক আকৌ সেই আস্থান বিলাকত ৰখাই ৰখাই ৫ বা ১০ মিনিট পিছত প্ৰত্যেক খন আস্থানৰ পৰা ব্যাক্তিগত মালিকনাধীন গাড়ী বিলাক এতিয়া চলি আছে। সেই বিলাক যদি প্ৰত্যেক ৫, ১০ মিনিট পিছে পিছে এখন আস্থানৰ পৰা চলি থাকিব পাৰে, এতিয়া জনসাধৰণে প্ৰশ্ন কৰি আছে যদিহে তাত ব্যাক্তিগত মালিকনাধীন গাড়ী বিলাক নচলাই যদি আমাৰ সেই ৰঙা গাড়ী বিলাক, একশিঙিয়া গড়ৰ ছবি থকা বিলাক ৫, ১০ মিনিট পিছে পিছে চলাব পৰা গ'ল হেতেন গোটেই ৰাজহটো তেতিয়া কিন্তু আমাৰ চৰকাৰে পালে হেতেন। এইটো অতি দূৰ্ভাগ্যজনক কথা। মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে এই কথাটো আপোনাৰ জৰিয়তে এইটো চৰকাৰৰ

দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে এই পৰিবহণ নিগমটোক পুনৰ সঞ্জিৱীত কৰিব পাৰিব নে এনেকৈ লাহে লাহে এইটো মৃত্যুমূখী যাত্ৰাটো অব্যাহত থাকিবলৈ দি এটা সময়ত অসম ৰাজ্যিক পৰিবহণ নিগমটো এটা ইতিহাস হিচাপে, যাতে ইতিহাসত আমাৰ নতুনপ্ৰজন্মৰ ছাত্ৰ-ছত্ৰী সকলে ভৱিষ্যৎ প্ৰজন্মই যাতে ইতিহাসত পঢ়িব পাৰে যে অসমত এটা নিগম আছিল, তাৰ নাম আছিল অসম ৰাজ্যিক পৰিবহণ নিগম। গতিকে সেইটো ইতিহাস কৰিব নে সেইটো বাস্তৱ হিচাপে চলাই নিব এই কথাটো মই বিচাৰিছো আৰু এটা কথা অতি ভয়ংকৰ যে উজনি অসমত য'ত তেলৰ দিপু বিলাক প্ৰত্যেক আস্থানৰ নিজস্ব দিপু সেই দিপু বিলাকত তেল নভৰাই বেলেগৰ পৰা যেতিয়া তেল ভৰাব লগীয়া হয় তাত এখন এখন গাড়ীৰ নামত লাখ লাখ টকা সেই দিপুত তেলৰ বাকী। তেওঁলোকে জোৰ দি আছে গাড়ী চলাই গলে তেওঁলোকে ধৰিব বিচাৰে। সেইবিলাকো আদাই দিব পৰা নাই মানে ব্যৱস্থাটো এনেকুৰা হৈ গ'ল য'ত কোনো control নাই। There is no any control of the State Government. Conductor য়ে নিজৰ মতে কৰি আছে, কোনে ক'ত তেল ভৰাইছে ক'ত পইচা দিয়া হ'ল, ক'ত দিয়া হোৱা নাই এটা অৰাজকতা। মানে আৰু বেছি দিন বাকী নাই যে অসম ৰাজ্যিক পৰিবহণ নিগমটো এটা ইতিহাস হ'বলৈ গৈ আছে। গতিকে আমি উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে চৰকাৰৰ মই চকু খুলিবলৈ, চকু মেলখুৱাবলৈ এটা আশা কৰিছো আৰু আশা কৰিছো যাতে চৰকাৰৰ চকু মেল খায় আৰু অসম ৰাজ্যিক পৰিবহণ নিগমটোক যাতে গতিশীলতা প্ৰদান কৰে। জীয়াই ৰাখি আমাৰ ভৱিষ্যৎ প্ৰজন্মক যাতে এই গাড়ী বিলাক চাবলৈ এটা সুবিধা দিয়ে এইটো অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো, উপাধ্যক্ষ মহোদয় আপোনাক ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই দৈনিক অগ্ৰদুত কাকতত অসম ৰাজ্যিক পথ পৰিবহন নিগমৰ শ্মসান যাত্ৰা এইটো শীৰ্ষক বাতৰি যি উত্থাপন কৰিছে, এই ক্ষেত্ৰত মই এইটো কথা কওঁ যে হয় আমাৰ যিটো ASTC আমাৰ গৌৰৱ আছিল এটা সময়ত। গড়ৰ চিহ্ন থকা ৰঙা গাড়ী খন আৰু সেই কথা খিনি আমি সকলোৱে অনুভৱ কৰো আজিৰ দিনটোত। এই ASTC টো বিগত দিনত এনেকুৰা এটা পৰ্য্যায়লৈকে গ'ল যে ইমান লোকচানৰ সন্মুখীন হৈছে এই ASTC। যাৰ ফলত আজিৰ দিনটোত ASTC ইতিহাস হ'ব। এইটো ইতিহাস নহয়, মই গেৰান্টি দি কলো । ASTC চলি আছিল আৰু চলি থাকিব । কিন্তু কথা হ'ল যে যিটো গতিত ASTC চলি থাকিব লাগিছিল সেইটো গতিত ASTC চলা নাই। তেখেতে ইয়াত এটা উদাহৰণ দিছে যে প্ৰয়াত অঞ্জন দত্ত ডাঙৰীয়াৰ দিনত এই ASTC টো কিছু ৰিভাইভ হৈছিল বুলি তেখেতে কৈছে । হয় তেতিয়া ৰিভাইভ হৈছিল, কিন্তু সেই ৰিভাইভেলটো এনেকুৰা নাছিল যে নতুনকৈ গাড়ী আনি, নতুনকৈ চিচটেম কৰি ৰিভাইভ হোৱা নাছিল । ৰিভাইভ হৈছিল কি বুলি যে, ভাৰত চৰকাৰৰ পৰা এটা পইচা পাইছিল আৰু সেই পইচাটো পোৱাৰ লগে লগে তেওঁলোকে ASTC ৰ যিমান কৰ্মচাৰী আছে তেওঁলোকক কৈছে যে কোনবাই ভোলেন্টাৰি ৰিটাইৰমেন্ট ললে ইমান-ইমান বেনিফিট লৈ যাব পাৰে। তেতিয়া প্ৰায় ৪ হাজাৰ কৰ্মচাৰী ASTC ৰ পৰা ভিআৰএছ লৈ পইচা লৈ তেওঁলোকে নিজে ব্যৱসায় আৰম্ভ কৰি দিলে । ৪ হাজাৰ কৰ্মচাৰী যেতিয়া কৰ্পৰেশ্যনত কমি যাব, নিশ্চিত ভাবে এইটো ৰিভাইভেল । আজি যদি আপোনালোকে বিধান সভাত সকলোৱে কয় যে আমাৰ যিমান কৰ্মচাৰী আছে, যি কেইটা লাগে সেইকেইটাক ৰাখি বাকী কেইটাক ভিআৰএছ দি দিয়ও আপোনালোকে। তেতিয়াহ'লে

এইটো অহা ৬ মাহৰ ভিতৰত ৰিভাইভেল হৈ যাব । কিন্তু ২টা কথা আছে এই কৰ্মচাৰী সকলক খেদিব নে এওঁলোকক ৰাখি পেলায় ASTC চলাব । ASTC টো এটা profit organisation নে public service organisation সেইটো চাব লাগিব । এতিয়া ভাৰতীয় ৰে’ল সেৱা লাভ হওঁক বা লোকচান হওঁক চলিয়েই আছে। ASTC চলিয়েই থাকিব । এই মানুহ বিলাকক খেদি কেনেকৈ কৰিব পাৰিম । অজন্ত দত্ত ডাঙৰীয়াৰ দিনত সেইটো VRS scheme লৈছিল। যদি আজি সদনে মোকো অনুমতি দিয়ে তেতিয়া হ’লে আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াক কম যে এই খিনি পইছা দিওঁক আমি ASTC ৰ পৰা ৬ হাজাৰ কৰ্মচাৰী খেদি পঠিয়াম । গতিকে অধ্যক্ষ ডাঙৰীয়া, কথাবিলাক তেনেকুৱা। এই বিলাক বেয়া হোৱাৰ ক্ষেত্ৰত কৰ্মচাৰী সকলোৰো দোষ আছে । কিয়নো গাড়ী এখন বেয়া হ’লে দেখিব যে কেতিয়াবা ক্লাচ ডিস্ক বেয়া, কেতিয়াবা দেখিব চকা নাই গতিকে এইবিলাক কাৰণত গাড়ী খন পৰি থাকে আৰু পিছত বিক্ৰী কৰিবলগীয়া হয় । এইটো আমাৰ কৰ্মচাৰীৰ ও দোষ আছে । সেই কাৰণে আমাৰ ASTC ক কৈছো যে যিবিলাক গাড়ী পৰি আছে সকলো বিলাক অক্সন কৰি বিক্ৰী কৰি দিব লাগে । সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া মই আজি এটা কথা কওঁ আমি কিছুমান সংশোধন আনিছো এই ASTC ৰ কাৰণে। আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে টিকটৰ কথা । হয়, এতিয়া টিকেত কি হ’ব যে যিজন কণ্ডাক্টৰ টিকত ইছু কৰে ১০ টা, পেচেঞ্জাৰ আছে ৪০ টা। এই ক্ষেত্ৰত কণ্ডাক্টৰ জনৰ মিনিমাম কৰ্তব্য নাই নেকি যে কৰ্পৰেচনটো চলিব লাগিব। তেওঁৰ লগৰ কৰ্মচাৰী সকলে দৰমহা পাব লাগিব । দ্বায়িত্ব আমি সকলোৰে পালন কৰিব লাগিব । আৰু আমাৰ পেচেঞ্জাৰ সকলেও যেতিয়া উঠে তেতিয়া তেওঁলোকে ও নিজে ক’ব লাগে যে আমাক টিকত দিয়ক কাৰণ আমি পইছা দিছো । এইটো কৰ্তব্য। টিকেটতো দিলে কি হয় আমাক পাব্লিকে সহায় কৰিব পাৰে। এতিয়া ASTC ৰ ৰিফোৰ্ম কৰাৰ বাবে আমি মোবাইল সেৱা আমি কৰিছো । ইতিমধ্যে আৰম্ভ কৰা হৈছে । এই মোবাইল সেৱাৰ জৰিয়তে যাত্ৰী সকলে বাছৰ স্থিতি সঠিক ভাবে নিৰ্ণয় কৰিব পাৰিব । এতিয়া আমি মোবাইল এপচ্ এটা কৰিছো, য’ত যাত্ৰী সকলে কোন খন বাছ কোন ঠাইত চলি আছে সেইটো দেখা পাব। আৰু ই-টিকেটৰ ব্যৱস্থা আমি কৰিছো গুৱাহাটী মহানগৰীত পাইলট হিচাপে ব্যৱস্থা কৰিছো, যিটো আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে টিকত নিদিয়ে। গতিকে আমি চলো নামৰ এপচ্ এটাৰ জৰিয়তে ই-টিকেটৰো ব্যৱস্থা কৰিছো । এই এপচ্ টোৰ জৰিয়তে কি হ’ব যে পাকঘৰত থাকিও টিকেত বুকিং কৰিব পাৰিব, পেমেন্ট কৰিব পাৰিব ঘৰত থাকিয়েই । শ্বিলং আৰু ইটানগৰলৈকে আমি ভল্ভো আৰু চাৰ্টাৰ্ড বাছ আমি ব্যৱহাৰ কৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ কথাটো হৈছে কি যে আমাৰ চৰকাৰ অহাৰ পিছত আমি আজিলৈকে বাছ এখনো কিনা নাই । গতিকে আমি ভল্ভো বা অন্যান্য বাছ কোম্পেনীৰ লগত টাইআপ কৰি লৈছো। তাত তেওঁলোকে আমাৰ বাছ আস্থান বিলাক ব্যৱহাৰ কৰিব পাৰিব, আমাৰ ৰাস্তা বিলাক ব্যৱহাৰ কৰিব পাৰিব, গাড়ী তেওঁলোকৰ ড্ৰাইভাৰ তেওঁলোকৰ, তেল তেওঁলোকৰ কিন্তু তাৰ পৰা যিটো লাভ হ’ব তাৰেই এটা অংশ আমাৰ। আনকি ASTC টো কেনেকৈ বচাওঁ তাৰ কাৰণে মই উদ্যোগ মন্ত্ৰী হিচাপে মোৰো সুযোগ আছিল। গতিকে মই আমাৰ অ’ এন জিচিৰ লগত কথা পাতি তেওঁলোকক ASTC ৰ পৰা গাড়ী খিনি ল’বলৈ কলো। SBI ৰ লগত MoU এখন কৰিছো। ষ্টেট বেংক, অ’এনজিচি আৰু ASTC ৰ লগত চুক্তি কৰি ASTC ৰ যিমান গাড়ী লাগে আমি দি দিছো আৰু তাৰ পৰা প্ৰতি মাহে আমাৰ ডেৰ কোটি টকা আমাৰ লাভ আহে তাৰ পৰা । সদনত এটা কথা ক’ব বিচাৰিছো যে আটাইতকৈ ভাল মাটি খিনি অসমৰ সকলোতে ASTC ৰ আছে । যেনে- বোকাখাত, পল্টনবজাৰ

কিমান ধুনীয়া মাটি আছে। গতিকে আমি চিন্তচৰ্চা কৰি আছো যে এই বিলাক মাটি এনে পৰি থকাতকৈ যদি মাৰ্কেট কৰিব পাৰো তেতিয়া নিবনুৱা সকলৰ সমস্যা সমাধান হয় আৰু ASTC ৰো পইছা আহিব আৰু আমাৰ ASTC ৰ মাটি খিনিৰো ব্যৱহাৰ হ'ব । তেতিয়া ASTC য়ে ভালকৈ এটা পইচা পাবলৈ সক্ষম হ'ব । সেইটো ব্যৱস্থা আমি এতিয়া লৈছো । শেহতীয়া ভাবে আমি ই-বাছ আমি আনিছো, কিছুদিন পিছত আমি মুকলি কৰিম। আৰু সমগ্ৰ অসমতেই ই-বাছ চলোৱাৰ এটা পৰিকল্পনা আমি আৰম্ভ কৰিছো। আৰম্ভ হোৱা নাই হ'ব । তাৰ বাবে পাৱাৰ ষ্টেচন বিলাক লাগিব আৰু এইবিলাক কোম্পানীয়ে বনাব । তাৰোপৰি, এতিয়া গোটেই বস্তু বিলাক খেলিমেলি হৈ আছে। তাৰ কাৰণে Integrated Electronic Ticketing Solution এই পদ্ধতি প্ৰয়োগৰ ফলত বাছ পৰিচালক সকলে পৰিবহন নিগমৰ নগৰ সেৱা তথা দীৰ্ঘ দূৰত্বৰ বাছ সেৱাত আমূল পৰিৱৰ্তন সাধন কৰিব । এই পদ্ধতি সকলো ধৰণৰ মাধ্যম যেনে- নগদ, কাৰ্ড আৰু মোবাইলৰ জৰিয়তে একত্ৰিত পৰিবহন সেৱা আৰু প্ৰকৃত ৰাজহ সংগ্ৰহ কৰাৰ লগতে যোগাযোগৰ ক্ষেত্ৰত এক প্ৰভাৱি পদক্ষেপ ল'ব। মোবাইল এপ্লিকেচনৰ জৰিয়তে যাত্ৰী সকলে কোনো ধৰণৰ আস্থানলৈ নোযোৱাকৈ বা কোনো ধৰণৰ ভিৰৰ সন্মুখীন নোহোৱাকৈ ঘৰতে বহি অনলাইনত টিকেত সংগ্ৰহ কৰিব পাৰিব । এই ক্ষেত্ৰত স্মাৰ্ট কাৰডৰ কাৰণেও পদক্ষেপ হাতত লোৱা হৈছে। বাছ সমূহৰ গতি বিধি লক্ষ কৰাৰ কাৰণে ভেহিকল ট্ৰেকিং চিচটেমৰ ব্যৱস্থা কৰা হৈছে । যিটোৱে পৰিবহন নিগমৰ মুখ্য কাৰ্য্যালয়ৰ কামাণ্ড চেন্টাৰত প্ৰত্যক্ষ ভাবে অৱগত হৈ থাকিব। যাত্ৰী সকলৰ ভ্ৰমণ কৰা বাছৰ স্থান সম্পৰ্কে মোবাইল এপ্লিকেচনৰ জৰিয়তে জানিব পাৰিব । মুখ্য কাৰ্য্যালয়ৰ কামাণ্ড চেন্টাৰত বাছৰ অৱস্থান সম্পৰ্কে প্ৰকৃত সময়, ষ্টেচন সমূহৰ দিয়া টিকেট, প্ৰতিচো ই টি এম ৰ পৰা সংগ্ৰহীত ৰাজহ, ই টি এম যন্ত্ৰৰ সুব্যৱস্থা আৰু অৰ্থনৈতিক তথ্য সমূহ যোগান ধৰিব । এই ক্ষেত্ৰত যাত্ৰী সকলে সন্মুখীন হোৱা যিকোনো সমস্যাৰ সঠিক সময়ত সঠিক সমাধানৰ কাৰণে ব্যৱস্থা ল'বলৈ এখন হেল্প ডেস্কৰ ও ব্যৱস্থা লোৱা হ'ব । এই ব্যৱস্থা সম্পৰ্কীয় প্ৰতিবেদন আৰু তথ্য সমূহ সংশ্লিষ্ট প্ৰতিটো ডিপু আৰু নিগমৰ উচ্চস্তৰীয় কৰ্তৃপক্ষই সময় সাপেক্ষে শুদ্ধ সিদ্ধান্তৰ বাবে ব্যৱস্থা লোৱাত সহায় কৰিব । উক্ত কামৰ বাবে ভেণ্ডৰ নিৰ্বাচন কৰা হৈছে আৰু কাম চলি আছে ।

ইয়াত যিটো কথা আছে- যে আমি চাই আছো যে কেনেকৈ এ এচ টি চিটো Revive কৰিব পৰা যায় , আমি knowledge partner এটাও লৈছো যে কেনেদৰে আমি এইটো উন্নত মানৰ কৰিব পাৰো। আমাৰ কথাটো হ'ল লোকচান যিটো হৈছে এইটো ৩ বছৰত হোৱা নাই আগৰে পৰা হৈ আছে। ৫০০ কোটি টকা যদি এটাCorporation লোকচানত থাকিব লাগে। তেন্তে কেনেকৈ চলিব চিন্তা কৰক। তথাপি চৰকাৰে Bus বিলাক চলাই আছে কিয় লোকচানেই হওক বা লাভেই হওক Public য়ে সেৱাখিনি পাই আছে। কালি যদি A S T C যদি উঠি যায় নিয়ন্ত্ৰন নোহোৱা হ'ব। আপোনালোকে দেখিব ভিতৰুৱা অঞ্চলত যিমান বাছ চলি আছে সকলোখিনি প্ৰায় চৰকাৰী বাছ। Private Party এতিয়া বাছ বন্ধ কৰি দিছে। কাৰন২০১১ চনত বাছৰ ভাৰা নিৰ্দ্ধাৰিণ হৈছিল। ২০১১ চনৰ পৰা ২০১৯ চনলৈকে Petrol ৰ দাম বৃদ্ধি হ'ল, insurence cost, parts ইত্যাদি বাঢ়িল। গতিকে আজিৰ তাৰিখত Private Party য়ে ২০১১ চনৰ Rate ত বাছ চলাব নোৱাৰে। গতিকে লোকচান হ'লে আমি বাছ চলাই আছো। গতিকে মই আপোনালোকক আশ্বাস দিব বিচাৰিছো 'শ্মশান যাত্ৰা' যিটো কৈছে- এই ঠিকেই লিখিছে যদিও কম যে A S T C জীয়াই থাকিব । আপোনালোকৰ সকলোৰে ইয়াত সহযোগিতা লাগিব। লগতে A S T C যিখিনি Conductor- Driver সকলোৰে সহযোগিতা লাগিব। Ticket

দিব ৫ টা Passenger আনিব৪০জন । সেই কাৰনে আমি সোনকালে enforcement কৰাৰ সিদ্ধান্ত লৈছো যে Sudden Checking কৰা হ'ব Busত। যদি মানুহ আৰু টিকটৰ মিল পোৱা নাযায় লগে লগে উক্ত Conductor- Driver ক চাকৰিৰ পৰা চাটাই কৰা হ'ব। আমাৰ Parts Station বিলাকৰ অলপ সমস্যা আছে এইবিলাক এতিয়া বনাবলৈ ব্যৱস্থা লৈছো। যোৱা কালি জলেশ্বৰ সমষ্টিৰ বিধায়ক গৰাকী দুখেৰে মোক কৈছিল Untied Fund ত তেখেতৰ সমষ্টিৰ নামেই নাই। লগতে বাহিৰত তেখেতে কৈছে যে জলেশ্বৰ একমাত্র সমষ্টি য'ত এ এচ টি চিৰ বাছেই নাই। আজি তেখেতে মোক ক'লে যে আপোনাক কোৱাৰ পিচত আজিৰ পৰা বাছ চলিছে। গতিকে এই বিলাক চলিব অলপ ধ্যৰ্য ধৰিব লাগিব। কিন্তু এইটো কথা কোৱা ঠিক নহ'ব যে, অঞ্জন দত্তৰ দিনত ঠিক আছিল আজি বেয়া হৈছে। তেওঁৰ দিনত ভাল হৈছিল কাৰন তেও ৬ হাজাৰ কৰ্মচাৰীক V R S দিছিল। গতিকে উপাধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে আশ্বাস দিছো যে এতিয়া A S T C reform অনা হৈছে। আগন্তুক দিনত ভালকৈ যাব বুলি আশা কৰিছো। আমাৰ দেবানন্দ হাজৰিকা ডাঙৰীয়া ইয়াত আছে, আপুনিও আছিল উপাধ্যক্ষ ডাঙৰীয়া এইবাৰ আমি বাছত বাংলাদেশৰ চিলেট লৈ গলো। আপোনালোকে নিজে কৈছিল যে বাছত উঠা আৰু এৰোপ্লেনত উঠা একো ফিলেই নকৰিলো । একেই comfort । গতিকে সেই চাৰ্টাড ভলভো অসমত চলি আছে। যি বাছত আপোনালোকে Travel কৰিছিল তাত কৈও ভাল বাছ আহিব অসমত।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্রী বৃন্দাবন গোস্বামী ডাঙৰীয়াই অসম বিধান সভাৰ প্রক্রিয়া আৰু প্রক্রিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং দভাৰ অধীনত ২০১৯ চনৰ ৯ জুন তাৰিখ ৰ ''আসাম আদিত্য '' কাকতত প্রকাশিত অসমীয়া গৌৰৱৰ প্রাচীন কৃতি চিহ্ন সমূহক উপযুক্তভাবে সংৰক্ষন কৰক শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত সাংস্কৃতিক পৰিক্ৰমা মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষন কৰিব ।

**শ্রীবৃন্দাবন গোস্বামী, তেজপুৰ ঃ** অভিনন্দন জনাইছো আপোনাক উপাধ্যক্ষ ডাঙৰীয়া । আজি এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ সূযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। ২০১৯ চনৰ ৯ জুনত এটা বাতৰি প্রকাশ হৈছিল- সাংবাদিক চাংকাকতিয়ে লিখিছিল অসমীয়াৰ গৌৰৱ প্রাচীন কৃতি চিহ্নবোৰ উপযুক্তভাবে সংৰক্ষণ কৰক। তেখেতে আৰম্ভনীতে লিখিছিল অসমৰ প্রাচীন আৰু মধ্যযুগীয়া সভ্যতা সংস্কৃতিৰ গৌৰৱ প্রতিফলিত কৰাৰ কৃতিচিহ্নসমূহ দৌল- দেৱালয়, শিলালিপি- মন্দিৰ, গড় বিভিন্নধৰনৰ শিল্প-ভ স্কৰ্য্যসমূহ এই ঐতিহাসিক কৃতি চিহ্নসমূহ হৈছে অসমীয়া জাতিৰ পৰিচয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় অসমীয়া জাতিসত্তাৰ পৰিচয় বহন কৰা কৃতি চিহ্নসমূহৰ অধিক সংখ্যকে সাপ্রতিক সময়ত উপযুক্তভাবে সংৰক্ষন হোৱা নাই। এই প্রাচীন গৌৰৱসমূহক ৰক্ষনা বেক্ষন দিয়াৰ দায়িত্ব প্রতিজন অসমীয়াৰ আছে যদিও অতি উদ্বেগজনকভাবে অধিকাংশ অসমীয়াই এইবিলাক সৰক্ষন কৰাৰ ক্ষেত্রত চৰম উদাসীনতা প্রকাশ কৰি আহিছে। তেখেতে আৰু এটা গুৰত্বপূৰ্ণ কথা কৈছে চৰকাৰ, নাগৰিক সমাজ একত্র হৈ ৰক্ষা কৰিব লাগিব। যাতে উত্তৰ প্রজন্মই অসমীয়া জাতিৰ শিপাডালৰ পৰিচয় উপযুক্তভাবে বব পাৰে। উপাধ্যক্ষ ডাঙৰীয়া, কিমান প্রচীন আমাৰ এই ইতিহাস, এসময়ত গোদাবৰীৰ পাৰত, ঝিলাম নদীৰ পাৰত, ব্রহ্মপুত্রৰ পাৰতে বোলে মানুহখিনি আছিল আৰু চাৰিওফালে জলাশয়। ইয়াৰে এসময়ত ৰংলাম নামৰ এখন সাগৰ আছিল। গাৰোপাহাৰৰ পৰা বৰ্ত্তমান বাংলাদেশ এইখন ৰংলাম সাগৰ আৰু ফিজি দ্বীপৰ পৰা নাও বাই প্রথমে মানুহ আহিছিল। আমাৰ ব্রহ্মপুত্রৰ পাৰলৈ। এইদৰে প্রথম প্রজাতিৰ মানুহ নেগ্রিটাইট

বিচাৰিলে নগা পাহাৰৰ মাজত পোৱা যাব বুলি কৈছে। এইদৰে মানুহৰ আৱাসস্থল হিচাপে সৃষ্টি হৈছিল এই অঞ্চল। মই টাইমছ অৱ ইণ্ডিয়াত পঢ়িছিলো পৃথিৱীৰ প্ৰথম প্ৰানী হিচাপে ডাইনোছৰ বিলাক আৰু ডাইনোছৰৰ শেষ প্ৰজাতি হ'ল গড়। যদি গড়বিলাক ডাইনোছৰৰ শেষ প্ৰজাতি হয় তেন্তে কিমান প্ৰাচীন হ'ব আমাৰ এই অঞ্চলৰ ইতিহাস। গতিকে কিমানটা যুগ পাৰ হৈ গ'ল। কিমান যুগ- ঘটনা প্ৰবাহ আমিও পাৰ কৰিলো ।এই কাৰণে কব বিচাৰিছো যে আমি কেইবাটাও যুগ এটা প্ৰাগ ঐতিহাসিক যুগৰ সম্পদ আমি দেখা পাম। ইয়াৰ পিছত ঐতিহাসিক যুগৰ বহুত বোৰ আছে। ঠিক সেইদৰে আহোম যুগ - কোছ ৰাজবংশীৰ সম্পদ সমুহ, জয়ন্তীয়া ৰজাৰ জাক মানিক, কৰ্মদ্বাজ সিং কছাৰি ৰজা আদি আমাৰ উত্তৰপুৰীয়া অঞ্চলটো যিসকল মঙ্গোলিয়া সম্প্ৰদায়ৰ লোক আহিছিল একেবাৰে তেওঁলোকৰ কণ্যাৰ লগত বিবাহ হৈছিল মেঘাপ্ৰশন্ন। আজি ঘটতকষ্টে পান্ধৱ পক্ষত ভগদত্তই কৌৰৱ পক্ষত যুজ দিছিলে, এই ইতিহাস বিলাক। গতিকে মুল ভাৰত ভূমিৰ লগত আমাৰ যি সম্পৰ্ক সেই একে সম্পৰ্ক। কাৰণ আমাৰ নৱগ্ৰহে হৈছে জুতিষাৰ মুল চৰ্চা কেন্দ্ৰ। গতিকে ভাৰতীয় সভ্যতাৰ সংস্কৃতিৰ মুল ধাৰাটো আছিল অসমৰ। বৈশিষ্ট মুনি ইয়াত আছিল, আমাৰ কৌশিকমুনিৰ আশ্ৰম এতিয়া কম সময়ৰ ভিতৰত ওলাব হৰগৈৰী মন্দিৰ, শ্ৰৱণ মুনিৰ আশ্ৰম ভোমোৰগুৰিত, এইদৰে বিশাল অঞ্চলটোত বিভিন্ন প্ৰজাতিৰ মানুহ আহিছিল। আজি যিবিলাক কথা উদ্ভৱ হৈছে, অলপ আগতে আমি যিবিলাক কথা পাতিছো, এইবিলাকৰ মিমাংসা সম্ভৱ হ'ব যদি ইতিহাসৰ সঠিক ভাৱে বিশ্লেষণ কৰো। মুছলমান সকল অসমলৈ আহিছিল কেতিয়া আহিছিল **১২০৫** চনত তূৰ্কী সকল। এই সম্প্ৰদায়ৰ লোকসকল এদিন কানাই বৰষিবোৱা শিল, এই শিলটোৰ যিখিনি লিপি অসমীয়া জাতিৰ এটা ডাঙৰ সম্পদ। এই সম্পদখিনি সংৰক্ষণ কৰিব লাগিব। তাৰ লগত অসমীয়া বীৰত্বৰে কেনেকৈ বিহাৰ জয় কৰি আমাৰ ইয়ালৈ অহা, (এতিয়া বিহাৰ তেতিয়া বেলেগ নাম আছিল) তেওঁলোকক পৰাভুত কৰিছিল। সেই ইতিহাস নাইকিয়া হোৱাৰ লগে লগে এদিন আমাৰ শিপাডাল নোহোৱা হৈ যাব। মানুহ আহিছে, আহিব আৰু অহাটোৱে এটা ধাৰা। কিন্তু সেই অঞ্চলটোৰ যি ঐতিহ্য মহিমাময় ৰূপ, সেই ৰূপটোক ৰক্ষণা-বেক্ষণা ৰখাৰ দায়িত্ব আমাৰ। মই অনুৰোধ জনাম আমাৰ চৰকাৰক আৰু চৰকাৰে কামো আৰম্ভ কৰিছে, যিদিনা মই চৰাইদৈউলৈ যাওঁ গছ গছনিৰে ভৰা, শিয়ালৰ মাত আদি। সেই মৈদানসমূহ, সম্পদসমূহ কোনো দিনে ৰক্ষণা-বেক্ষণ দিয়া নাছিল। মই সেই সময়ৰ ৰত্নেশ্বৰ বুঢ়াগোহাই, হেম বুঢ়াগোহাই বিভিন্ন সম্ভ্ৰান্ত ব্যক্তিসকলৰ লগ ললো। মনিৰাম দেৱানৰ পৰিনাতি সমিৰণ বৰুৱাৰ অৱসৰ শিক্ষক সেই সকলৰ লগত আলোচনা কৰিলো আৰু চাইদেউ সংৰক্ষণ কৰিলো। প্ৰথমতে আমাক খাণ্ডিবলৈ দিয়া নাছিল সকলোকে আমি জনালো তাৰ যিটো technology, এই technology টো সকলোৱে জনাৰ দৰকাৰ, সকলোৱে একমত হ'ল। মই এইবাৰ আমাৰ মন্ত্ৰী ডাঙৰীয়াক সংৰক্ষণৰ কাৰণে আৰু অলপ ধন দিব বুলি শুনি ভাল পাইছো কাৰণ এতিয়াও বোলে ফুলেশ্বৰী দিনত থকা বালি মৈদাম এটা আছে। বহুত ধাৰণা দলোগুৰি চাহ বাগিছা, সেইটো খাণ্ডিলে বহুতো ধন সম্পদ ওলাব আৰু যিমানে খাণ্ডিব বালি ওলাই আৰু সোমাই সোমাই যায়। মই কামখিনি সম্পূৰ্ণ কৰিব নোৱাৰিলো । গতিকে মৈদাম সমূহ দূবৰণীৰ সম্পদ। শিৱদৌল, ৰংঘৰ, কাৰেংঘৰ,তলাতল ঘৰলৈ মানুহে গৈ নিজৰ নামটো লিখি থৈ আহে। সেই কাৰণে এইটো আপত্তি কৰিছো যে আমাৰ মানুহৰ সেই সচেতনা খিনি নাই। কমলগোহাই আলিটো নোহোৱা হৈ গ'ল। আজি সেইদৰে গুৱাহাটীত যিকেইটা সম্পদ, মই এতিয়াও ভাৱো আমবাৰীৰ খনন কাৰ্য্যত যিবিলাক সমৃদ্ধি ওলাল, আমাৰ যদি Reserve Bank টো নিৰ্মাণ নকৰিলে হেতেন, এইবিলাক খাণ্ডি দিয়া হলে বহুত সম্পদ ওলাল

হেতেন। আমাৰ যিটো পুখুৰী আছে সেই পুখুৰীটো ব্ৰহ্মপুত্ৰৰ লগত সম্পৰ্ক আছিল। দুৰ্য্যোধনে যেতিয়া ইয়াৰ পানীফুটি তালৈ গ'ল, যেতিয়া ভগদত্তক দিগদাৰ কৰিবলৈ গৈছিল, এইটো যি বাট পথ তাৰে সম্পৰ্ক। আজি নৰকাসুৰ পাহাৰত (আমাৰ মেডিকেল কলেজ) তাত অলপতে এখন বহুত ডাঙৰ ওৱাল ওলাইছে, বহুত পুৰনা ওলাল। সেইখন কোনেও চকু দিয়া নাই। মই আজি এইকেইটা কথা এইকাৰণে কৈছো মাননীয় পুৰাতত্ব বিভাগৰ মন্ত্ৰী মহোদয় যে আমাৰ মেডিকেল কলেজখনৰ ওচৰত থকা পাহাৰখনৰ ওপৰত ডাঙৰ এখন দেৱাল ওলাইছে। তেতিয়াৰ দিনত পাহাৰত এই বিশাল সম্পদ সৃষ্টি কৰা মানুহবিলাক কেনেকুৱা মানুহ হব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এখন চৰকাৰ অহাৰ পিছত মন্ত্ৰী ডাঙৰীয়াই ভালেবোৰ পদক্ষেপ লৈছে মই তেখেতক অনুৰোধ কৰিছো আৰু সৰ্বাধিক গুৰুত্ব দি চৰকাৰেও ইয়াত ধন দিয়ক। আৰু গুৱাহাটীৰ এই ঐশ্বৰ্য্য সম্পদসমূহ যদি আমি সংৰক্ষণ এতিয়া কৰা নাই। আজি কামাখ্যা মন্দিৰত দেশ বিদেশৰ পৰা ভক্ত আহিছে। কামাখ্যাৰ তলত আৰু এটা মন্দিৰ আছে, সেইটো পাৰ হৈ যোৱাই টান। কামাখ্যাক কেন্দ্ৰ কৰি কি বিশাল সম্পদ আৰু তাত যিটো দীৰ্ঘেশ্বৰী মন্দিৰ, সেই দৰে উত্তৰ গুৱাহাটীৰ যিখিনি সম্পদ, এই সম্পদখিনি ঐশ্বৰ্য্য স্বৰূপ। গুৱাহাটীৰ বৈশিষ্ট মন্দিৰৰ পৰা আৰম্ভ কৰি, নৱগ্ৰহৰ পৰা আৰম্ভ কৰি আমাৰ ইতিহাসৰ এক বিশাল সমল। গতিকে দেশ বিদেশৰ মানুহ অহাটো মই বাদে দিছো, আমাৰ নতুন প্ৰজন্মক rich heritage লৈ আমি আমাৰ লৰা -ছোৱালীক সজাগ সচেনত কৰিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰম্ভনিতে কৈছিলো যে আমি কৰা কাম কাজ বিলাকে এটা টাৰ্ম আৰম্ভ হয় আৰু এটা টাৰ্মত শেষ হৈ যায়। আমাৰ সোণোৱাল ডাঙৰীয়াই শেহতীয়া যুগ আৰম্ভ কৰিলে। এইটো যুগৰ কাম কাজে সমৃদ্ধি আনিব নে আকাল আনিব সময়ে কব। মই ভাৱো সমৃদ্ধি আনিব, সমৃদ্ধি অনাৰ কথাষাৰ কোৱাৰ কাৰণে মই ইয়ালৈ আহিছো সেইটো হৈছে ভাৰতবৰ্ষত ৩৭ খন নগৰক heritage city কৰিছে। ঐতিৰ্য্য নগৰ কৰিছে, ১ হাজাৰ কোটিকৈ টকা দিছে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো আমাৰ উত্তৰ পাৰৰ তেজপুৰক কেন্দ্ৰ কৰি তাত ঢেকীয়াজুলি বৰশলা, ৰাঙাপাৰা, ছয়দুৱাৰৰ পৰা আৰম্ভ কৰি, ছয়দুৱাৰত ধণ্ডিদৌল, বৰকালিকা থান, গানমূৰ থান, বিশ্বনাথ মন্দিৰ, নন্দিতাশ্বৰ, নাগশঙ্কৰ, কামাখ্যা মন্দিৰ, মহাভৈৰৱ মন্দিৰ, হেঙ্গেলেশ্বৰ মন্দিৰ, সীঙ্কেশ্বৰ মন্দিৰ, টিংগেশ্বৰ মন্দিৰ, হুদুৰপাৰা থান, হলেশ্বৰ মন্দিৰ আদি অজশ্ৰ মন্দিৰ নগৰি। আমাৰ ভণ্ডামন্দিৰ, শিঙৰী মন্দিৰ আৰু থান আদিৰে পৰিপূৰ্ণ এই অঞ্চলটোত কলিয়াবৰকো সংলগ্ন কৰিলে তাত কামাখ্য মন্দিৰ।

আমাৰ এখন heritage city তাত বিত্ত মন্ত্ৰীও আছে, মন্ত্ৰীসকল আছে, সকলোকে মই অনুৰোধ কৰিছো ৩৭ খন নগৰকলৈ heritage city ঐতিৰ্য্যি নগৰৰ কাৰণে ভাৰত চৰকাৰে এটা ভাল সিদ্ধান্ত লৈ কাম আৰম্ভ কৰিছে। গুৱাহাটীত যিহেতু স্মাৰ্ট চিটি হ'ল, গতিকে মই অনুৰোধ কৰিছো মন্ত্ৰী ডাঙৰীয়াক এখন heritage city পোৱাৰ যিখিনি সময় আছে, সেইখিনি সম্পূৰ্ণ ৰূপে সম্বলখিনি পৰিপূৰ্ণ কৰি, সংৰক্ষণ কৰি তাৰ ভিত্তিতে এখন প্ৰাচীন নগৰ হিচাপে উত্তৰ পূৱৰ গোটেই অঞ্চলটোকে সামৰি আমি এটা প্ৰজেক্ট দিব পাৰো নেকি। যাৰ যোগেদি আমাৰ ঐতিৰ্য্যও স্থায়ী ভাৱে সংৰক্ষণ হব। প্ৰাচীন যুগটোৰ উপৰিও আধুনিক যুগ, বৃত্ৰিশ যূগলৈকে। বৃত্ৰিশ যুগৰ পিছতো স্বাধীন ভাৰতবৰ্ষত অসমত বহুবোৰ ইতিহাস আছে। এই ইতিহাস সংৰক্ষণ আমাৰ হব লাগে। কিন্তু মই যি কেইটা কথা ইয়াত উল্লেখ কৰিলো আমাৰ প্ৰত্যেকটো সম্পদে উপযুক্ত ভাৱে সংৰক্ষিত হওঁক। আজি আমাৰ মন্ত্ৰী ডাঙৰীয়াই তেজপুৰ বিশ্ববিদ্যালয়ত Archaeology শাখা

এটা আৰম্ভ কৰিছে। তাত বহুতো আলোচনা বিলোচনা হৈছে। তাৰ যোগিদে আমি উত্তৰ পূৰ্বাঞ্চালৰ Archaeology সামগ্ৰীসমূহ সঠিক ভাৱে ৰখাৰ বাবে আমি জোৰ দিছো আৰু তাত যথেষ্ট টকাৰ প্ৰয়োজন লগতে এই বিভাগটোত কাৰিকৰী লোকৰো প্ৰয়োজন আছে। তাত এই সম্পদসমূহ কিছুমান Centrally Archaeology, বামুনি পাহাৰ চেন্ট্ৰলে কৰিছে, তাত সংৰক্ষণ ঠিকমতে হোৱা নাই। Archaeology আইন এখনো আমাৰ আছে। বহুত সম্পদ সংৰক্ষণ হোৱা নাই। গতিকে মই আশা কৰিম এই বিশাল বিষয়টো লৈ আমাৰ জাতীয় জীৱনৰ এক এৰাব নোৱাৰা সম্পৰ্ক আৰু আমাৰ ভৱিষ্যত ইতিহাসৰ কৃতি হব। আমাৰ অতিতৰ বিশাল সম্পদ সমূহ, এই সম্পদ সমূহৰ ভেতিতে হওঁক নতুন দিনৰ এক নতুন ইতিহাস নিৰ্মাণ হওঁক। আমি পাই অহা বাধা বিলাকৰ মাজতো সমৃদ্ধি আনিবৰ কাৰণে আমাৰ অতিত ইতিহাসৰ অধ্যায়ণ সংৰক্ষণত সৰ্বাধিক গুৰুত্ব দিবৰ কাৰণে, ইয়াত প্ৰয়োজনীয় ধন দিবৰ কাৰণে আৰু সেই অঞ্চলসমূহৰ ৰক্ষণা-বেক্ষণা দিয়াৰ কাৰণে যিখিনি resource persons ৰ দৰকাৰ সেইখিনি যাতে ব্যৱস্থা কৰে। আৰু প্ৰত্যেকখন চহৰে যেনে গোৱালপাৰা সূৰ্য্য পাহাৰৰ যিটো মুল্য ঠিক সেইদৰে বৰাক ভেলিৰ ভূৱন পাহাৰেই হওঁক, খাছপুৰেই হওঁক আৰু যত চিলাৰায়ৰ অষ্টি বিসৰ্জন দিয়া বদৰপুৰৰ সেই ঘাটখিনিয়ে হওঁক, ঐতিহ্যমণ্ডিত এই বৰাকৰ যি ইতিহাসৰ লগত আমিও ব্ৰহ্মপুত্ৰৰ লগত এক গভীৰ সম্পৰ্ক। আজি বাংলাদেশ দেশ হ'ব পাৰে ঢাকাখনো এসময়ত আমাৰ অঞ্চল আছিল। নৰনাৰায়নে, তাঁলৈকে ৰাজত্ব কৰিছিল, জয়ন্তীয়া ৰাজ্যলৈকে কৰিছিল। আজিৰ নতুন দিনত এই বিলাক কথা কলে দিগদাৰ হ'ব। কিন্তু অতীতৰ যদি ইতিহাস চাওঁ এই বাংলাদেশলৈকে বিস্তৃত অঞ্চললৈকে কোচ ৰাজবংশী সকলৰ ইতিহাস আছিল। গতিকে শেষত মই মন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিছো আমাৰ আদিম যিবিলাক, ইয়াত খিলঞ্জীয়া জনশক্তি যিটো আছে। সেই সকলৰ ভিতৰত বড়োসকল, মিচিং সকল, দেউৰী সকল। ঠিক একেদৰে অৰুনাচলৰ লগতো আমাৰ সম্পৰ্ক আছে। চাৰ্দোক, গালং, ডিচি এই মানুহবিলাকৰ লগত আমাৰ এটা সু-সম্পৰ্ক আছে। আৰু সেই ইতিহাস ধৰি ৰাখিবৰ কাৰনে মই আহ্বান জনাই আটাই কেইগৰাকী, বিত্ত মন্ত্ৰীকে ধৰি সকলো আছে। মই সকলোকে এটা অনুৰোধ জনাইছো সেইটো হৈছে, Heritage City.১০০০ কোটি টকাত এখন চিটি আমাৰ যাতে ভাৰতৰ ৩৭ খনৰ লগত আমিও এখন অন্তৰ্ভক্ত কৰিব পাৰো। আমাৰ প্ৰত্যেকজন বিধায়কে নিজ নিজ অঞ্চললৈ গৌৰৱ কৰে। এনেকুৱা এটা সমষ্টি, এনেকুৱা এটা অঞ্চল নাই, য'ত আমাৰ Heritage নাই। গতিকে we have to protect, we have to preserve for own rich heritage. এই খিনিকৈয়ে মই সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মই পোন প্ৰথমতে এই বিষয়টো আজি আমাৰ ৩০১ ত আনি আলোচনাৰ কাৰনে দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো আৰু ইয়াত এই বিষয়তো আমৰ জেষ্ঠ্য আৰু অভিজ্ঞ মাননীয় সদস্য বৃন্দাৱন গোস্বামী ডাঙৰীয়াই ইয়াক উথাপন খুব সুন্দৰ ভাৱে দাঙি ধৰিছে। গতিকে মই তেখেতলৈও ধন্যবাদ জ্ঞাপন কৰিছো। এই বিষয়টো আলোচনাৰ খুব কমেই সুবিধা পাওঁ। কালিও এটা প্ৰশ্ন আহিছিল, ৭ নম্বৰত, সেই প্ৰশ্নটো তেতিয়া ড০নোমল মুমিনৰ । গতিকে সেই প্ৰশ্নটো নাহিল, সময়ৰ কৰানে। ঠিক তেনেকৈ বিশেষ ধৰনে ইয়াত আলোচনা বিলোচনা হ'বলৈ স্থান পোৱা নাছিলো। মই এইবাৰ Business Advisory Committee বহোতে কৈছিলো যে Archacology তে cut-motion দিয়ক। ভালকৈ আলোচনা কৰো কিন্তু জলসম্পদটো বেছি গুৰুত্বপুৰ্ণ হৈ আছিল এই সময়ত সেই কাৰনে

ন'হল। গতিকে মই এটা কথা অনুৰোধ কৰিবলৈ বিচাৰিছো, মোৰ ফালৰ পৰা , মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় অধ্যক্ষ মহোদয়লৈ, যে বিভিন্ন ধৰনে তেখেতে ইয়াত কাৰ্য্যসুচী লৈছে, অধ্যক্ষৰ ফালৰ পৰা। এই বিষয়টোও এদিন ভবিষ্যতে সদনত আলোচনাৰ কাৰনে লোৱাটো উচিত বুলি মই ভাবিছো।

( মাননীয় অধ্যক্ষ মহোদয় অধ্যক্ষৰ আসনত )

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ- সদনত এই বিষয়টো এই কাৰনেই আলোচনা হ'ব লাগে এইকাৰনেই হোৱা দৰকাৰ আমাৰ ৰাজ্যখনৰ আৰু জাতিটোৰ যিটো ঐতিহ্য আৰু গৌৰৱ, এই ঐতিহ্য আৰু গৌৰৱৰ কথা কেতিয়াও আমি পাতিবলৈ সুবিধা পোৱা নাই। গতিকে ঐতিহ্য আৰু গৌৰৱৰ কথা যিটো আমাৰ পৰিচয়, আমাৰ পৰিচয় সকলোৰে সেইটোৱেই, আমাৰ অতীতটোৰ যিখিনি আমাৰ ঐতিহ্য সেই খিনি লৈয়ে আমাৰ জাতিৰ পৰিচয়। বা ৰাজ্যখনৰ পৰিচয়। এই পৰিচয়টোৰ ক্ষেত্ৰত আমি সদায় আলোচনা কৰাৰ ক্ষেত্ৰত আমি পিচপৰি আছো। মই এতিয়া সময়টো যথেষ্ট কম মই যিমানখিনি কথা কম বুলি আহিছিলো হয়তো গোটেইখিনি কথা কবলৈ সময় নাপাম, গতিকে মই তাৰ ভিতৰতে চমু কৰি হ'লেও ক'বলৈ বিচাৰিছো। অসমৰ পত্নতাত্বিক স্থান প্ৰায় ৪০০ ৰো অধিক আছে। তাৰে ৪০০ ৰো অধিক প্ৰত্নত্বাত্তিক স্থানৰ আমি অসম চৰকাৰৰ archaeology Department য়ে ১৩৫ টা স্থানত এতিয়া আমি কাম কৰি আছো। বাকী সকলো স্থানৰ কাৰনে আমি প্ৰস্তাৱ দিছো, প্ৰক্ৰিয়া হৈ আচে। এইখিনি আমাক আনুস্থানিকভাৱে hand over কৰিবৰ কাৰনে, আৰু ASI, Archaeological Survey of India কেন্দ্ৰীয় চৰকাৰে আমাৰ ইয়াৰ ৫৫ টা স্থান তেখেত সকলে লৈছে, আৰু তেখেত সকলে তাত সংৰক্ষণৰ কাম বা restoration ৰ কাম কৰি আছে। এতিয়া এই কাখিনিৰ ক্ষেত্ৰত াামি যথেষ্ট অসুবিধা পাওঁ। অসুবিধা পাওঁ এনেকে ধৰক, আমাৰ দেশ স্বাধীন হোৱাটো ৭০ বছৰেই হ'ল। কিন্তু কথাটো এনেকুৱা হৈছে, যে এই স্থান বিলাক আমি সেই সময়ত চৰকাৰীভাৱে চিহ্নিত কৰি যদি অন্ততঃ চৰকাৰৰ কতৃত্বলৈ আনি থলো'হেতেন, তেতিয়া নিশ্চয় টকা-পইচা হ'লে কাম কৰি থাকিব পাৰিলো হেতেন। কিন্তু বহু স্থান এতিয়া বেদখলৰ কৱলত আছে। আপোনালোকে এটা উদাহৰণ দিলে, আচৰিত হ'ব এইটো হৈছে 'মোমাই কটা গড়'। এইএটা সকলোৰে জানে, লাচিত বৰফুকন আমাৰ গৌৰৱ। মোমাই কটা গড় ইয়াতে জালুকবাৰীত। সেই মোমাই কটা গড়,ৰ বিষয়ে এইখন সদনত আগতে বহুবাৰ আলোচনা হৈছে। বহুবাৰ বিভাগে এই ক্ষেত্ৰত জিলা উপায়ুক্তক স্থানখিনি archaeology Department ক চমজাই দিবৰ কাৰনে আবেদন নিবেদন কৰিছে। কিন্তু আজিকো পতি আমাৰ সেই স্থানটো আনিব পৰা নাই। ইয়াৰ আগতে বিধান সভাত এখন কমিটি হৈছিল। ১৯৯৯ চনত কমিটি হৈছিল। কমিটিখনত আজিৰ এই বিষয়টো অনা আমাৰ বক্তা বৃন্দাৱন গোস্বামী ডাঙৰীয়াক চেয়াৰমেন হিচাবে দি কমিটিখনত আছিল দিলীপ কুমাৰ শইকীয়া, ডেৰহাগ্ৰা মোছাহাৰী, বিমলেন্দু ৰয়, পুলকেশ বৰুৱা, অমিয় গগৈ, ৰেণুপমা ৰাজখোৱা, পদ্ম হাজৰিকা, শ্বেখ আব্দুল হামিদ আৰু দেৱানন্দ কোৱৰ। এই কমিটিখনে গোটেই স্থান পৰিদৰ্শন কৰিলে। মোমাই কটা গড়ৰ গোটেইখিনি চাই-চিতি এই Assembly Committee য়ে বহি এই Assembly ত এই Sub-Committee খনে ইয়াৰ এটা report দিলে Report টো মোৰ হাতত আছে। এই চৰকাৰী প্ৰশাসনীয় বিভাগৰ দ্বাৰাটো কাম ন'হলেই, বিধান সভাই কৰি দিয়া Assembly Committee যেও এই মোমাই কটা গড়, এতিয়ালৈকে Archaeology sight বিলাকলৈ যাওঁ সদায় বহুতৰ বেদখল দেখো। কোনোবাই আহি মন্দিৰ সাজিছে তাত, কোনোবাই অন্যান্ন ধৰনে বেদখল কৰিছে, কোনোবাই

ঘৰ সাজিছে। গতিকে তেনেকুৱা ধৰনৰ। আজি কিছু দিন আগত, মোৰ দায়িত্ব লোৱাৰ পিছত তিনিচুকীয়াৰ যিখিনি মৰাণ মটকৰ অঞ্চল, সেই অঞ্চলখিনিলৈ গৈ পেলাই চালো, তেওঁলোকৰ গোটেই কথাটো কোনো ধৰনে আজি ইমান যুগ যুগ লাগি মৰাণ মটকে লাগি লাগি সেইখিনি চৰকাৰৰ কতৃত্বলৈ আনিব পৰা নাছিল। তাৰ পাছত আমি আমাৰ কেবিনেট খনক ধন্যবাদ দিছো, সেই প্ৰস্তাৱটো আমি কেবিনেটত আমি উঠালো। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া, ড০ হিমন্ত বিশ্ব শৰ্ম্মা আছে, পাটোৱাৰী ডাঙৰীয়া আছে। এই সকলোৱে সেই দিনা এই গোটেইখিনি মৰাণ-মটক জাতিক স্বীকৃতি দিবৰ কাৰণে। সেইখিনি কৰিলে আৰু খুব কম সময়ৰ ভিতৰতে আমাৰ কতৃত্বলৈ আহিল। পোনপতীয়া দখললৈ অহা নাই, যদিও চৰকাৰী ভাৱে অধিসূচনা হ'ল। গতিকে এনে ধৰনে ক'ৰবাত ক'ৰবাত আমি লৈছো, তেনেকে শিৱসাগৰত যিটো নপুখুৰী প্ৰায় ৭০০ বিঘা মাটি, সেইটো বেদখল হৈ আছিল। এতিয়া সেই বেদখল মুক্ত হৈছে আৰু আমাৰ কতৃত্বলৈ সেইটো আহিছে। তথাপিও আকৌ দখল কৰিবলৈ আছে। তাৰ নামত পুঁজি এনেকুৱা নাই যে আমি তাক বেক কৰি দিম। সেই কাৰনে আমাৰ কিছু কথাত আমি এই কাম কৰি যোৱাত কিছু অসুবিধা পাইছো।

**মাননীয় অধ্যক্ষ** ঃ- চমু কৰি দিব লাগিব। উপায়টো নাই। আপুনি ষ্টেটমেন্ট এটা লে কৰি দিব পাৰে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ- গতিকে এই যিখিনি মই মাননীয় অধ্যক্ষ মহোদয়, আপুনি সোমোৱাৰ আগতে এটা অনুৰোধ কৰিছিলো এই বিষয়টো এদিন আপোনাৰ initiative ত এই সদনত হলেও আলোচনা কৰিবলৈ দিয়ক যি হেতু এইটো আমাৰ জাতিৰ ঐতিহ্য আৰু পৰিচয়, আৰু এইখিনি আমাৰ সংৰক্ষণ কৰাটো প্ৰয়োজন। কেইবাটাও কথা তেখেতে কৈ গৈছে মই প্ৰত্যেকটো কথাৰ উত্তৰ দিবলৈ প্ৰস্তুত। কিন্তু তেখেত যেতিয়া শিক্ষামন্ত্ৰী আছিল, তেতিয়া শিক্ষা বিভাগৰ লগত Archaeology বিভাগটোও আছিল। সেই সময়ত তেখেতে কেইবাটাও পদক্ষেপ লৈছে কিয়নো মই যেতিয়া চৰাইদেও লৈ গৈছিলো, তেতিয়া সেই সময়ত চৰাইদেওৰ সকলোৱে মাথো বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ কথাই কৈছিল যে তেখেতে চৰাইদেওৰ কাৰণে বহুতো কাম কৰিছে। তেতিয়াই মই গম পাইছিলো যে তেখেতৰ দিনত Archaeology বিভাগত বহুতো কাম হৈছে। কিন্তু তাৰ পিছত বহুতো কাৰণত ই পিছ পৰি ৰ'ল। আমাৰ সন্মানীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ দিনত চৰকাৰ অহাৰ পিছত নৱ কুমাৰ দলে' ডাঙৰীয়াইও এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি বহু ঠাইলৈ গৈছে। গতিকে, এই বিভাগটোত কিছু কাম আৰম্ভ হৈছে। আমি প্ৰাক-ঐতিহাসিক যুগৰ পৰা বৃটিছৰ দিনলৈকে থকা ঐতিহ্যখিনি তালিকাভূক্ত কৰিছো। এইখিনিৰ ওপৰত কাম কৰিবৰ বাবে চৰকাৰৰ অন্য বিভাগৰ ওচৰত Archaeology বিভাগৰ পৰা অনুৰোধ জনাইছো।

আপোনালোকে ডিমা-হাচাও, কাৰ্বি আংলঙৰ কথা কৈছে। এটা কথা শুনি আপোনালোক আচৰিত হ'ব যে, ডিমা-হাচাওত যি Stone Jar অৰ্থাৎ শিলৰ বস্তু আছে সেইখিনি পৃথিৱীৰ ভিতৰত কেৱল ডিমা-হাচাও আৰু লাউচত আছে। ইয়াৰ বাহিৰে পৃথিৱীৰ আন কোনো দেশতে পোৱা নাযায় কিন্তু ডিমা-হাচাওত এনে শিল অসংখ্য আছে। গতিকে কাৰ্বি আংলং আৰু ডিমা-হাচাও এই দুখন জিলাত আমাৰ যথেষ্ট ঐতিহ্য আছে। ঠিক তেনেদৰে হোজাইৰ ডবকাত ৰাজ্যৰ ঐতিহ্য সম্পূৰ্ণ ভাৱে আছে। আনফালে, দেওপানী থানৰো ঐতিহ্য আছে। গতিকে, এনেকুৱা আন যথেষ্টখিনি ঠাই আছে যাৰ তথ্য মই আনিছিলো যদিও আজি সময়ৰ অভাৱৰ বাবে উল্লেখ কৰিব নোৱাৰিম। এইবাৰ দিল্লীত যেতিয়া নতুন চৰকাৰ গঠন হ'ল, এই বিভাগটোৰ মন্ত্ৰীৰ দায়িত্ব লৈছে- প্ৰহ্লাদ সিং পাটেল। তেখেতক আমাৰ বিভাগৰ ফালৰ পৰা দুবাৰকৈ লগ কৰা হৈছে। এবাৰ তেখেতক

মন্ত্ৰী হিচাপে লগ পালো আৰু আনবাৰ তেখেতৰ বিভাগৰ উচ্চ পৰ্যায়ৰ সকলো বিষয়াৰ লগত মিটিং কৰোতে লগ পাইছো। গতিকে, তেখেতক এনে ধৰণে লগ পোৱাৰ বাবে আমাৰ বিভাগেও সহাৰি জনাইছে। তেখেতে আমাক লিখিত ভাৱে আশ্বাস দিছে যে অসম চৰকাৰক যিমানখিনি সহযোগ কৰিব লাগে তেওঁলোকে কৰিব। তাৰোপৰি, এই আগষ্টৰ প্ৰথম সপ্তাহতে তাৰ পৰা এটা দল পঠিয়াব বুলিও কৈছে। আমি চৰাইদেওৰ মৈদামক বিশ্ব ঐতিহ্যৰ স্থান হিচাপে পাবৰ বাবে তেখেতক বিশেষভাৱে অনুৰোধ কৰিছিলো। কিয়নো বিশ্ব ঐতিহ্যৰ স্থানটো নিৰূপণ কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ এটা Cell আছে । তাৰ বাবে আমি ভাৰত চৰকাৰৰ Archaeology বিভাগৰ মানুহক লগ কৰিছো আৰু লোকসভাৰ অধিবেশন শেষ হোৱাৰ লগে লগে তেওঁলোকৰ দল এটা চৰাইদেওৰ মৈদাম চাবলৈ আহিব। চৰাইদেওৰ ক্ষেত্ৰত আমাৰ বিত্ত বিভাগে সুকীয়াকৈ ২৫ কোটি টকা দিছে। ইয়াৰ প্ৰস্তুতিৰ কাৰণে আমি ঠিক কৰিম। ইয়াৰ লগতে এটা কথা আপোনালোকৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে আমাৰ এইবাৰ 'অসম দৰ্শন' আঁচনিত ৫৫ টা ঐতিহ্যপূৰ্ণ স্থানক ৫০ লাখকৈ আৰু ১৬ টা স্থানক ১০ লাখকৈ টকা দিছে । গতিকে এইখিনি কাম কৰিবলৈ আমি সুবিধা পাইছো। ইয়াৰোপৰিও কেইটামান অঞ্চলত আমি টকা দিছো। কিন্তু, আপোনালোকে শুনিলে আচৰিত হ'ব যে আমাৰ মূল বাজেট বুলি ক'লে মাত্ৰ ২ কোটি ৭৪ লাখ টকা দিছে আৰু এইখিনিৰেই আমি এই বিভাগৰ কাম কৰিব লাগিব। কিন্তু, আমি চৰাইদেওৰ বাবে সুকীয়াকৈ টকা পাইছো আৰু 'অসম দৰ্শন' হিচাপে কাম কৰিবলৈ সুবিধা পাইছো। এই ধৰণে আমি আগ বাঢ়িব পাৰিম বুলি আশা কৰিছো।

আমি যদি কেন্দ্ৰীয় চৰকাৰৰ এই বিভাগৰ অন্তৰ্গত site এটাত যাওঁ তেন্তে তাত দেখা যায় যে এটা site তে প্ৰায় ১০০ জন মান কৰ্মচাৰী নিয়োগ হৈ আছে । কিন্তু আমাৰ উত্তৰ গুৱাহাটীত যদি ১০ টা site আছে, সেই ১০ টা স্থান এজন মানুহেই চাব লগীয়া হয়। Site টো তেখেতেই সংৰক্ষণ কৰিব, তাৰ বন তেখেতেই চিকুণাই ৰাখিব আৰু চাফাও তেখেতেই কৰিব। গতিকে, ইয়াত যিমান কৰ্মচাৰী থাকিব লাগে সিমান নাই আৰু আমি outsourcing ও কৰিব নোৱাৰো কাৰণ ইয়াত দক্ষ মানুহ লাগিব। গতিকে, এনে ধৰণৰ কিছু অসুবিধা আছে। আজি মই সেই অসুবিধা সমূহ সময়ৰ অভাৱত ক'ব নোৱাৰিলো। কিন্তু, মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে এই বিষয়টো 301 ত আনিছে যাৰ ফল স্বৰূপে আমি এই বিষয়টোত অলপ আলোচনা কৰিব পাৰিলো । লগতে, এই বিষয়ে এটা বিস্তৃত আলোচনা আৰম্ভ কৰাৰ বাবে শ্ৰদ্ধেয় বৃন্দাৱন গোস্বামী ডাঙৰীয়াকো ধন্যবাদ জনাইছো । আমাৰ ফালৰ পৰা আশা কৰিছো ভৱিষ্যতেও যাতে এই বিষয়ে আলোচনা কৰিবলৈ সুবিধা পাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** কাৰ্যসূচী নং ৪।

এতিয়া মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক, 'The Assam Repealing Bill, 2019' বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ 'The Assam Repealing Bill, 2019' সদনত দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে- 'The Assam Repealing Bill, 2019' be taken into consideration.

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি

সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কৰ ২ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই । মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-

২ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ' ল।

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিছো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল।

এতিয়া মই মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ 'The Assam Repealing Bill, 2019' সদনত পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে- 'The Assam Repealing Bill, 2019' be passed.

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত হৈছে।

ইয়াৰ পিছত **কাৰ্যসূচী নং ৫**

'The Societies Registration (Assam Amendment) Bill, 2019' ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে **২০১৯** চনৰ

২৪ জুলাই তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Societies Registration (Assam Amendment) Bill, 2019' be taken into consideration by the Assam Legislative Assembly."

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক 'The Societies Registration (Assam Amendment) Bill, 2019' বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Societies Registration (Assam Amendment) Bill, 2019' বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হৈছে- 'The Societies Registration (Assam Amendment) Bill, 2019' be taken into consideration.

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই ।

এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-

২ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ' ল।

মই সদনৰ অলপ সময় বঢ়াই লৈছো। সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)।

এতিয়া বিধেয়খনৰ ৩ নং দফাত মাননীয় সদস্য হাফিজ বচিৰ আহমেদ, আমিনুল ইছলাম, শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী, শ্ৰী অনন্ত কুমাৰ মালো, শ্ৰী নজৰুল হ'ক আৰু শ্ৰী সুজাম উদ্দিন লস্কৰৰ নামত এটা সংশোধনী আছে। মই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিলো আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** Hon'ble Speaker Sir, I will beg to move the word 'one month' appearing in the line 2 of sub -section 3C and Clause 2(i) shall be substituted by the words 'three months'.ঃ এই প্ৰস্তাৱটো আমি এই কাৰণে আনিছো যে এই দফাটোত কোৱা হৈছে যে পঞ্জীয়ক বা Register

জনে কোনোবা এটা NGO, যিটো Society Registration Act ৰ অধীনত পঞ্জীভুত হৈছে। যদি তেওঁলোকৰ পঞ্জীয়নৰ ম্যাদ উকলি যোৱাৰ পাছত যেতিয়া Renewl ৰ কাৰণে Apply কৰিব লাগে, তেতিয়া যদি তেওঁলোকে ম্যাদ উকলি যোৱাৰ এক মাহৰ ভিতৰত আকৌ তেওঁলোকে Renewl ৰ কাৰণে Apply নকৰে, তেনে ক্ষেত্ৰত Register এ হয়তো তেওঁলোকৰ আবেদন গ্ৰহণ কৰিবলৈ নাকচ কৰিব পাৰে। এই ক্ষেত্ৰত আমাৰ আপত্তি কৰিবলগীয়া একো নাছিল। কিন্তু আমি Registration কৰোতে দেখিছো যে বহু তথ্য-পাতিৰ দৰকাৰ হয় যে Annual Report, Activity Report, Chartered Account ৰ Balance Sheet, তাৰ পিছত Cash Book Maintainence আদি বহুত তথ্যপাতিৰ দৰকাৰ হয়। প্ৰথমবাৰ Registration কৰোতে যিমান document ৰ দৰকাৰ হয়, Renewal কৰিবলৈও একেখিনি documents ৰ দৰকাৰ হয়। মোৰ মতে এই সকলোবোৰ কৰিবলৈ এক মাহ সময় পৰ্য্যাপ্ত নহয়। সেয়েহে তিনিমাহমান consider কৰা হয় তেনেহলে সেই NGO বিলাকে হয়তো গোটেই তথ্যপাতি, নহ'লে refuge হ'লে তেওঁলোকৰ Registration টো cancel হৈ যাব। সেইকাৰণে একমাহটো মোৰ মতে মতে sufficient নহয়, তিনিমাহটো কৰিলে ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য আদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো সত্য যে আমাৰ 3(C) ত এটা ৰখা হৈছে- "A Society registered under Section 3 shall on application made to registered within the validity period of registration or within one month of expiration of the validity referred Section 3 (B) on payment of fees as fixed under Section 3 and filing required documents as specified be entitled to have its certificate registred renewal.এইটো হ'ল Section 3C. কিন্তু Section 2 ত কোৱা হৈছে যে Provided the Register may condone the delay in filing the application for renewal by society up to one year. অৰ্থাৎ নৰ্মেল টাইম এক বছৰ। কিন্তু কাৰোবাৰ যদি কাগজ-পত্ৰ জমা নহয়, তেনে ক্ষেত্ৰত Register এ এক বছৰলৈ ৰেহাই দিব পাৰে। Delay condone কৰিব পাৰে। গতিকে মাননীয় সদস্য গৰাকীয়ে ৩ মাহ সময় বিচাৰিছে আমি ১ বছৰ লিখি ৰাখিছো। আপুনি Section 3(2) টো চালে তাত স্পষ্টকৈ লিখা আছে। গতিকে মই ভাৱো যে ১ বছৰ Delay condone কৰাৰ অধিকাৰ পঞ্জীয়কক দিয়াৰ পিছত আৰু ১ মাহ automatic power থকাৰ পিছত ১৩ মাহ পোৱাৰ পিছতো যদি কোনোবাই এই সুযোগ নলয় তেতিয়াহ'লে মই ভাবিম যে সেই NGO টোক আমি serious NGO বুলি ভাবিব নোৱাৰো আৰু তেতিয়া আমি তেওঁলোকৰ নাম strike down কৰিম। সেইবাবে মই ভাৱো ইয়াত আমি চৰকাৰে যি নতুন সংশোধনী আনিছো তাতকৈ আৰু অধিক সংশোধনীৰ প্ৰয়োজন নাই।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই কথটো মই পঢ়িছো যে, under special consideration of Register মানে ১ বছৰলৈকে ও পাৰে যদি তেওঁলোকে উপযুক্ত কাৰণ দেখুৱাব পাৰে। Normal period টো ১ মাহলৈকে দিয়া আছিল, এইটো মই ৩ মাহৰ কথা কৈছিলো। তথাপিও যিহেতু Register ৰ বিবেচনাৰ ওপৰত provision টো আছে । গতিকে সেইটো তেওঁলোকে avail কৰিলে ভাল হ'ব। গতিকে মই ভৰো এই প্ৰস্তাৱটো মই প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। যিহেতু বিধেয়কৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে গতিকে সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যাহাৰ কৰা বুলি মই ঘোষণা কৰিছো। এতিয়া সেয়ে মই প্ৰস্তাৱটো কৰিব খুজিছো যে দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা এই দফাটোৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৪, ৫, ৬ আৰু ৭ নং দফা কেইটাত সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ এই গেটেই কেইটা দফা সদনৰ মজিয়াত উত্থাপন কৰিছো।

৪,৫, ৬ আৰু ৭ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফা কেইটাৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

৪, ৫, ৬ আৰু ৭ নং দফা কেইটা বিধেয়কখনৰ অংশ হৈছে।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেইয়ে মই প্ৰস্তাৱটো উত্থাপন কৰিছো। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফা কেইটাৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে।

এতিয়া মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Societies Registration(Assam Amendment) Bill, 2019" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰস্তাৱৰ সপক্ষে যিসকল আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

প্ৰস্তাৱ পাৰিত হৈছে।

বিধেয়কখন ও পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

এতিয়া কাৰ্য্যসূচী নং ৬ ঃ

ৰাজভৱনৰ পৰা "The Assam Taxation(On Specified

Lands)(Amendment) Bill, 2019, বিলৰ ওপৰত সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবৰ বাবে এটা বাণী পঠিয়াইছে। Under the provision of Article-207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that THE ASSAM TAXATION (ON SPECIFIED LANDS)(AMENDMENT) BILL, 2019 be taken into consideration by the Assam Legislative Assembly.

মই বিত্ত মন্ত্ৰীক সদনত এই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Taxation(On Specified Lands)(Amendment) Bill, 2019" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে "The Assam Taxation(On Specified Lands)(Amendment) Bill, 2019, be taken into consideration.

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

প্ৰস্তাৱটো গৃহীত হৈছে।

**কাৰ্য্যসূচী নং ৬ ঃ**

বিধেয়কখনৰ ২ নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত উত্থাপন কৰিছো যে বিধেয়কখনৰ ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

২ নং দফাটো বিধেয়কৰ অংশ হৈছে।

এতিয়া বিধেয়কৰ ১নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই।

সেয়ে মই প্ৰশ্নটো কৰিছো যে বিধেয়কৰ ১নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

বিধেয়কৰ ১নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

এতিয়া মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ চাহ উদ্যোগৰ যিটো

বৰ্তমান সংকট, তাৰ প্ৰতি লক্ষ্য ৰাখি আমি দুটা ব্যৱস্থা গ্ৰহণ কৰাৰ কথা আমাৰ বাজেটত উল্লেখ কৰিছিলো। আমি ২০১৬ চনৰ বাজেটখনত কৈছিলো যে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে আমি প্ৰতি হেক্টৰত যি ৪০ পইচাকৈ লওঁ তাক আমি প্ৰত্যাহাৰ কৰিম ৩ বছৰৰ ভিতৰত। তাৰপিছত আমি ২০১৬ চনত এই টেক্স আমি ১০ পইচা হ্ৰাস কৰো ২৫ পইচা লৈ। যোৱা বছৰ আমি বাকীখিনিও হ্ৰাস কৰো আৰু ফলত ক্ষুদ্ৰ চাহ খেতিয়কৰ ওপৰত বৰ্তমান কোনো টেক্স নাছিলে। আজিৰ দিনটোত আমি আন এটা পদক্ষেপ ল'ব খুজিছো। সেইটো হ'ল যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ যিসকল ৪০ হেক্টৰৰ ওপৰত tea garden আছিল, তাৰমানে big tea garden. তেওঁলোকে প্ৰতি কেজিত ৪০ পইচাকৈ টেক্স দিব লাগিছিল আৰু বৰাক ভেলীৰ গাৰ্ডেনে প্ৰতি কেজিত ৩৫ পইচা টেক্স দিব লাগিছিল। আজিৰ সংশোধনীটো অনুমোদিত হৈ যোৱাৰ পিছত আমাৰ চাহ উদ্যোগে আৰু কোনো টেক্স দিব নালাগে। ক্ষুদ্ৰ, মজলীয়া, বৃহৎ তিনিটা পৰ্য্যায়কে আমি টেক্সৰ আওঁতাৰ পৰা বাহিৰ কৰি দিলো আৰু এই যিটো আমি relief দিছো for period of three years. আমি ভাৱিছো ৩ বছৰৰ ভিতৰত উদ্যোগটোৱে গা কৰি উঠিব আৰু চৰকাৰে ক্ষুদ্ৰ, মজলীয়া বা বৃহৎ চাহ খেতিয়ক বা চাহ উদ্যোগ ২ টাকে ৰেহাই দিয়া বাবে এতিয়াৰ পৰা প্ৰতি বছৰত আমি ১০০ কোটি টকাকৈ ৰাজহ হেৰুৱাম। অন্যহাতে আমি ১০০ কোটি এই শিতানত পাই আছিলো। কিন্তু ইয়ে আমাৰ ৰুগ্ন আৰু সংকটত পৰি থকা চাহ উদ্যোগক কিছু পৰিমাণে সকাহ দিব বুলি আমি আশা কৰিছো। মই মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমতি অনুসৰি "The Assam Taxation(On Specified Lands)(Amendment) Bill, 2019, পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

চৰকাৰে ক্ষুদ্ৰ , মজলীয়া আৰু বৃহৎ চাহ খেতিয়ক বা চাহ উদ্যোগ এই দুয়োটাকে ৰেহাই দিয়াৰ বাবে এতিয়াৰ পৰা প্ৰতিবছৰে আমি ১০০ কোটি টকাকৈ ৰাজহ হেৰুৱাম। আগতে আমি প্ৰতিবছৰে এই শিতানত ১০০ কোটি টকাকৈ পাই আছিলো। কিন্তু ই আমাৰ ৰুগ্ন আৰু সংকট অৱস্থাত থকা চাহ উদ্যোগক কিছু পৰিমাণে সকাহ দিব বুলি আমি আশা কৰিছো। মই মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমতি অনুসৰি "The Assam Taxation on Specified Land Amendment Bill, 2019" খন পাৰিত কৰাৰ বাবে পবিত্ৰ সদনত প্ৰস্তাৱ উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ কৰিছে, সেই প্ৰস্তাৱটো "The Assam Taxation on Specified Land Amendment Bill, 2019" be passed. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হৈছে বুলি মই ঘোষণা কৰিলো।

ইয়াৰ পিছত "The Assam Electricity Duty Amendment Bill, 2019" এই ক্ষেত্ৰত ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াইছে - "Under the provision of Article 207(3) of the Constitution of India, I, Professor Jagdish Mukhi, Governor of Assam, recommend that 'The Assam Electricity Duty Amendment Bill , 2019' be taken into consideration by the Assam Legislative Assembly."

মই এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Electricity Duty

Amendment Bill , 2019" বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**माननीय অধ্যক্ষ ঃ** বিধেয়কখনত এটা Amendment আছে। মই প্ৰথমতে প্ৰস্তাৱটো এতিয়া দাঙি ধৰো। "The Assam Electricity Duty Amendment Bill , 2019" be taken into consideration. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কখনৰ দুই নং দফাত মাননীয় সদস্য হাফিজ বচিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধন আছে। এইটো উত্থাপন কৰা হৈছে বুলি মই ধৰি লৈছো। এতিয়া আপোনালোকে ইয়াৰ ওপৰত বক্তব্য ৰাখক।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰস্তাৱটো আনিছিলো Bill খনত যিটো explanation দিছে তাৰ ওপৰত। Individual person or organization generating energy য়ে যিটো energy charge ল'ব সেইটো APDCL আৰু AERC য়ে বান্ধি দিয়া ৰেটমতে pay কৰিব লাগিব। কোনো চৰ-চাপৰি বা কোনো remote area ৰ কোনো উদ্যমী লোকে যদি কিবা modern technology লৈ power generate কৰে আৰু তাত যদি তেওঁলোকৰ খৰচটো অলপ বেছি বা কম হয়, তেতিয়া তেওঁলোকে পৃথক ৰেটত service দিব পাৰিব যিটো হয়তো আমাৰ চৰকাৰে দিব পৰা নাই। তেনেকুৱা কিছুমান বিশেষ কেচত ৰেটটো কম বেছি কৰাৰ কাৰণে চৰকাৰে এটা provision ৰখাটো ভাল। নহলে তেওঁলোকে কোনোপধ্যে APDCL ৰ rate টো ইফাল সিফাল কৰিব নোৱাৰিব। সেইটো আমি আনিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই provision টো আমি যোৱাবাৰ বিধানসভাতে Section 3 টো অনুমোদন কৰিছিলো। এটা সৰু explanation ৰ প্ৰয়োজন আছিল। মোৰ ঘৰত মই electricity consume কৰিলো, APDCL বা Regulatory Authority এ যিটো rate fix কৰি দিয়ে মই সেইটো দিম। কিন্তু ডাঙৰ Industry বিলাকে যেতিয়া captive energy produce কৰে, সেই captive energy টোৰ elecrticity duty কি পৰ্য্যায়ত দিব ? তেতিয়া আমি explanation ত এটাই কথা কৈছো যে Electricity Board এ যদি ৫ মেগাৱাট দিয়ে সেইটোত আপুনি Electricity duty যি ৰেটত দিব সেই একেই ৰেটত যদি Industry টো generate কৰে, আপুনি সেই level ৰ consumer ক সমান rate ত দিব। তাতকৈ তলত দিব বুলিও কোৱা নাই আৰু ওপৰত দিব বুলিও কোৱা নাই। তাৰমানে আমি বুজাইছো যে normal মানুহে Electricity Board ৰ connection ল'লে যি tax দিব, same connection আপুনি generator পৰা বা captive ৰ পৰা produce কৰিলে সিমানেই দিব। ইয়াত Solar টো নাই। অকল captive ৰ কথা কৈছো যিটো Industry বিলাকে ব্যৱহাৰ কৰে। এইটো বুজাত অসুবিধা হোৱাৰ কাৰণে explanation note দি আমি explain কৰিছো। ইয়াত কোনো নতুন tax লগোৱা হোৱা নাই।

Special consideration শব্দটো ইয়াত এই কাৰণেই নাহে কাৰণ যদি কাৰোবাক special consideration লাগে, আজিৰ নিয়ম হ'ল যে Regulatory Authority ত গৈ তেওঁলোকে apply কৰিব লাগে। চৰকাৰ বা বিধানসভাই তেখেতসকলক কোনো concession নিদিয়ে। তেওঁলোকে তাৰবাবে এখন petition দিয়ে Regulatory Authority ক। APDCL বা generating authority য়ে ইয়াক support কৰে বা oppose কৰে তাৰ

ওপৰত এটা hearing হয়। Regulatory Authority এ যি judgement দিয়ে সেইটো Board এ মানিব লাগে। গতিকে Special Consideration ত যদি কাৰোবাৰ eletricity revenue কমাব লাগে বা বঢ়াব লাগে, that power is already vested with the Assam Electricity Regulatory Authority. তাৰ Act খনত সেই power টো আছেই। মাত্ৰ petition দিব লাগিব, তাৰ ওপৰত hearing হ'ব লাগিব, argument হ'ব লাগিব আৰু judgement হ'ব লাগিব। ইয়াত সেইটো প্ৰয়োজন নাই।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইটোৱে বিচাৰিছিলো যে এই explanation ত যাতে সেই ৰাস্তাটো বন্ধ হৈ নাযায়। যিহেতু এইটো আছেই বুলি জনাইছে তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** গতিকে এই সংশোধনীটো প্ৰত্যাহাৰ কৰা বুলি মই ঘোষণা কৰিছো।

এতিয়া দফা নং দুই বিধেয়কখনৰ অংশ হ'ব। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ দুই নং দফা বিধেয়কৰ অংশ হৈছে।

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণিত কোনো সংশোধনী প্ৰস্তাৱ নাই সেয়ে মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰৰ আৰম্ভণি বিধেয়কৰ অংশ হ'ব বুলি উত্থাপন কৰিছো। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰৰ আৰম্ভণ বিধেয়কৰ অংশ হৈছে।

এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Electricity Duty Amendment Bill ,2019" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হৈছে "The Assam Electricity Duty Amendment Bill ,2019" be passed. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

**ইয়াৰ পিছত ৮ নং কাৰ্য্যসূচী।** মাননীয় ৰাজ্যিক মন্ত্ৰী ৰাজহ আৰু দুৰ্যোগে "The Assam Land and Revenue Regulation Amendment Bill, 2019" সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰিব।

**শ্ৰী ভবেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Land and Revenue Regulation Amendment Bill, 2019" সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো -"The Assam Land and Revenue Regulation Amendment Bill, 2019" be taken into consideration.যিসকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যিসকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাৰো, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কৰ দুই নং দফাত , দুটা সংশোধনী আছে। আজিজ আহমেদ মই আপোনালোক সংশোধনী দুটা move কৰা বুলি ধৰি লৈছো আৰু সংশোধনীৰ ওপৰত ক'বলৈ অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। ইয়াত এটা নতুন Chapter, Chapter 11সংযোজন কৰা হৈছে Principal Bill ৰ লগত আৰু 'Protection of Land of Religious Institution' নাম দি এই Chapter ৰ সংযোজন কৰা হৈছে। Section172 টোত কোৱা হৈছে যে যিবিলাক ধৰ্মীয় অনুষ্ঠান ১০০ বছৰতকৈও অধিক কাল ধৰি আছে, সেই ধৰ্মীয় অনুষ্ঠানৰ যদি মাটি encroachment হৈছে সেইবিলাক বেদখলমুক্ত কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমি বিচাৰিছো যে যিটো 'not less than 100 years' আছে সেইটো 'not less than one year' কৰিব লাগে। এবছৰ পুৰণি ধৰ্মীয় অনুষ্ঠানেই হওঁক বা ১০০ বছৰ পুৰণি ধৰ্মীয় অনুষ্ঠানেই হওক, ধৰ্মীয় অনুষ্ঠানৰ নামত থকা মাটি যাতে কোনেও বেদখল কৰিব নোৱাৰে।

অধ্যক্ষ মহোদয়, এই explanation ত দিয়া আছে 'religious institution means an istitution the primary purpose of which relates exclusively to religious teaching of worship or advancement of religion irrespective of dinomination আৰু ইয়াতে আমি দুটামান word লগাব দিছো including wakf properities. সেই religious institution ৰ যিমান মাটি বেদখল হৈছে সেইখিনিও বেদখলমুক্ত কৰিব লাগে আৰু wakf property খিনিও বেদখলমুক্ত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, অতি চিৰিয়াচ কথা যে অসমত আজি ভঙাগড়, লাখটকীয়াৰ পৰা আৰম্ভ কৰি গোটেই অসমত শিলচৰ, নগাওঁ আদি বিভিন্ন ঠাইত যিমান wakf property বেদখল হৈ আছে সেই মাটিখিনি যদি বেদখলমুক্ত কৰা হয় তেনেহ'লে এইখন অসমত আৰু তিনিখন বিশ্ববিদ্যালয় আৰু ১০০ খন ম'ডেল স্কুল চলাব পৰা খৰচ ওলাই যাব। এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে মই ভাৰিছো সেই religious institution ৰ লগত wakf property খিনিও এই বিলখনত অৰ্ন্তভুক্ত কৰা হওঁক আৰু বেদখলমুক্ত কৰি সেই টকাখিনি সৎ কামত ব্যৱহাৰ কৰা হওঁক আৰু শৈক্ষিক ক্ষেত্ৰত এটা বিপ্লৱৰ সূচনা কৰিব পৰা যাব। লগতে ১৭৩ চেকশ্যনত কোৱা হৈছে যে যিসকলে বেদখল কৰি আছে তেওঁলোকক কিমান সময় ধৰি বেদখল কৰি আছে সেইটো নহয় , তেওঁলোককো উচ্ছেদ কৰিব লাগে। কিন্তু এনেকুৱা কিছুমান আছে যিসকলে স্বাধীনতাৰ বহু আগৰ পৰাই আছে। কিন্তু মাটি ৰেজিষ্টাৰ কৰা নাছিল। কিন্তু পিছত হয়তো কোনোবাই তেওঁলোকৰ লগত শত্ৰুতা কৰি কোনোবা অনুষ্ঠানৰ নামত দি দিছে। তেওঁলোকে নাজানে যে তেওঁলোকে ৫০ বছৰ ধৰি বসবাস কৰি থকা মাটিৰ দাগ নম্বৰ তেওঁলোকৰ নামত পঞ্জীয়ণ হোৱা নাছিল, অন্য কোনোবাই যদি তেওঁলোকৰ অনিচ্ছাত কৰিছে সেইখিনিৰ যাতে বিবেচনা কৰা হয় আৰু যি সকলে অনুষ্ঠানৰ নামত থকা মাটি আহি বেদখল কৰিছে সেইসকলক উচ্ছেদ কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো সংশোধনী আনিছে সেইটো গ্ৰহণ কৰিব পৰা নাযাব। কোঁচ ৰজা, আহোম ৰজা, কছাৰী ৰজা সকলে বিভিন্ন সময়ত এই মাটি বিলাক দি থৈ গৈছিল আৰু বিভিন্ন সময়ত আমি মিডিয়াৰ জৰিয়তে হওঁক বা অন্যান্য ধৰণে হওঁক গম

পাওঁ যে মাটি বিলাক বেদখল হৈ আছে আৰু এইবিলাক বেদখলমুক্ত কৰিব লাগে। তাৰবাবে এচ ডি ও, চিভিল ডি চি ক এম্পাৱাৰ কৰিবৰ কাৰণে এই আইনখন অনা হৈছে। তেওঁলোকে কোৰা ধৰণে হয wakf property আছে। Wakf Board য়ে যদি জনাই আমি পিছত পৰ্য্যালোচনা কৰিম। তেখেতে কোৰা এডভাৰ্চৰ ক্ষেত্ৰটো আমি কৰিবলৈ বিচাৰিছো। ২৫ বছৰ তেওঁলোকে যিটো কৈছে সেইটো গ্ৰাহ্য কৰিব পৰা নাযাব কাৰণ সেইখিনিৰ ডিমাণ্ড আছে। এই মাটিখিনি বেদখলমুক্ত কৰিব লাগিব যিহেতু এই চৰকাৰখন জাতি, মাটি, ভেটীৰ চৰকাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত চলি আছে। এইটো ও কওঁ যে মাননীয় সদস্য গৰকীয়ে যিটো দিলে আমি এইটো গ্ৰহণ কৰিব নোৱাৰিম কিন্তু Wakf Board ৰ কথাখিনি আমি স্পেচিয়েলী চাম। ২০১০ ৰ এখন এক্ট আছে আৰু ইয়াৰ দ্বাৰা চিভিলক অনিষ্ট কৰি আমি উচ্ছেদ কৰিব নোৱাৰি যাৰ বাবে ডি চি সকলৰ বাবে অসুবিধা হয়। সেয়ে আমি ভাৰিছো ডি চি বা চিভিল এচ ডি ও য়ে হওঁক যাতে তেওঁলোকে এমাহৰ ভিতৰত যাতে অবৈধ বেদখল খিনি মুক্ত কৰিব পাৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি সন্তুষ্ট হৈছে নে ?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম যিটো আছিলে যে যিবিলাক ধৰ্মীয় অনুষ্ঠান ১০০ বছৰ হৈছে সেইবিলাক অনুষ্ঠানৰ মাটি বেদখলমুক্ত কৰিব বুলি কৈছে। আমি কৈছো যে অনুষ্ঠানটো যদি ১ বছৰ ও হয় বা ১০-২০ বছৰ ও হয়, এই বিলৰ দ্বাৰা এইটো বুজা গৈছে যে যদি ৯৯ বছৰ ও হয় আৰু তাৰ মাটি বেদখল কৰিছে সেইটো আমি উচ্ছেদ কৰিব নোৱাৰিম অৰ্থাৎ ১০০ বছৰ হ'ব লাগিব। গতিকে এই কথটো ইমান যুক্তিপূৰ্ণ নহয়। মোৰ কথা হ'ল ১ বছৰ হ'লেও যদি এইটো এটা অনুষ্ঠান আৰু তাৰ মাটি কোনোবাই বেদখল কৰিছে, সেই অনুষ্ঠানটোৰ বয়স নধৰি সেই অনুষ্ঠানটোৰ মাটি বেদখলমুক্ত কৰিব লাগে। আকৌ Wakf Board য়ে বিচাৰিলে ও লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন বিভাগেই বিল আনিব লাগি ।

**Hon'ble Speaker :** You mean to say that which has been in existance for not less then one hundred years. Minister please.

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনীটো আমি আনিব নোৱাৰো কাৰণ আপোনালোকে জানে যে ৰজা-মহাৰজাই মাটি দি থৈ গৈছে। তেওঁলোকে কি উদ্দেশ্যত মাটি দিছিল সেইটো আমি বুজাৰ প্ৰয়োজন আছে।

**শ্ৰী হাফিজ বছিৰ আহমেদ(পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Wakf Board ৰ প্ৰপাৰটিটো সম্পূৰ্ণৰূপে ৰিলিজিয়াচ হয়। গতিকে এইটো ইয়াৰ লগত যোগ দিয়াত কোনো আপত্তি থাকিব নোৱাৰে। এই ধৰ্মীয় প্ৰপাৰটিটো বহুত মানুহে বেদখল কৰি খায় আছে। এইক্ষেত্ৰত এই কথাটো অলপ বিবেচনা কৰি চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** বুজিছো, আপোনালোকে wakf property বিলাক কেনেদৰে বেদখলমুক্ত কৰিব পাৰি সেইটো চিন্তা কৰি কৈছে। তেওঁ বেলেগ কিবা এখন আইন আছে বুলি কৈছে। আজি মই বিশদভাৱে নাযাওঁ। আপোনালোকে পইণ্ট কেইটা নোট কৰি ল'ব আৰু মন্ত্ৰীয়েও নোট কৰি ল'ব। ১০০ ৰ কথাটো নোট কৰি ল'ব দৰকাৰ হ'লে ভৱিষ্যতে আকৌ আনিব।

যিহেতু তেওঁলোকে প্ৰস্তাৱটো উইদ্ৰ কৰিব বিচৰা নাই মই সদনৰ মজিয়াত দিব বিচাৰিছো যে সংশোধনী দুটা আছিল -

1. The word 'hundred' appearing in line 3 of Section 172 of Clause 2 of the proposed Bill shall be deleted.

After the word 'denomination' appearing in line 6 of Section 172 of Clause 2 in explanation of the proposed Bill, the words 'including Wakf Properties' shall be inserted.

2. The words 'whether adverse or not' appearing in the lines 4 and 5 of Section 173 of Clause 2 of the proposed Bill shall be substituted by the words 'if he/she has not entered into possession for less than 25 years'.

যিসকল মাননীয় সদস্য/সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে
তেখেত সকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'
মই ভাৱো 'নহয়' ৰ সপক্ষে 'নহয়' সপক্ষে, 'নহয়' সপক্ষে
সংশোধনী প্ৰস্তাৱ দুটা নাকচ হ'ল।
** দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব ।
যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে
তেখেত সকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'
মই ভাৱো 'হয়' ৰ সপক্ষে 'হয়' সপক্ষে, 'হয়' সপক্ষে
২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল
বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো
সংশোধনী প্ৰস্তাৱ নাই,
এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ
সদনৰ মজিয়াত দাঙ ধৰিলো।
প্ৰশ্নটো হ'ল -
বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব
যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে
তেখেত সকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'
মই ভাৱো 'হয়' ৰ সপক্ষে 'হয়' সপক্ষে, 'হয়' সপক্ষে
বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ
বিধেয়কখনৰ অংশ হ'ল।

**শ্ৰী ভবেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Land and Revenue Regulation (Amendment) Bill, 2019' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে 'The Assam Land and Revenue Regulation (Amendment) Bill, 2019' be passed. যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো

পাৰিত কৰা হ'ল। এতিয়া Item No 9. ৰাজ্যিক নগৰ উন্নয়ন মন্ত্ৰীয়ে 'The Assam Municipal (Amendment) Bill, 2019' বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Amendment) Bill, 2019' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিছো 'The Assam Municipal (Amendment) Bill, 2019' বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়কৰ ২ নং দফাত।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, কিবা কব পাৰি নেকি?

**মাননীয় অধ্যক্ষ ঃ** নাই, আমি ইতিমধ্যে কলোৱে নহয়, নালাগে এতিয়া, একেলগে ক'ব, এতিয়া তেনে নকৰিব, এতিয়া মানে Amendmentটো লৈ লও, দেৰি হৈছে নহয় আজি, আপুনি Amendmentৰ সময়ত কিবা কলে কৈ দিব, মই অকমান সেইটো allow কৰিম। বিধেয়ক খনৰ ২ নং দফাত মাননীয় সদস্য আমিনুল ইছলাম আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী আছে, মই সেইটো প্ৰস্তাৱ হৈছে বুলি ধৰি লৈছো আৰু আপোনাক কবৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানে বিল খনত যিটো Candidate সকলৰ কাৰণে যিটো criteria আনা হৈছে আমি সেইখিনি, বাকীখিনি মানি লৈছো ঠিকেই আছে দুজন সন্তানৰ কথা বা sanitary toilet থকাৰ কথা বা তেওঁলোকৰ শিক্ষাগত অৰ্হতা। এতিয়া তাতে এটা criteria, চৰ্ত এটা আমি বঢ়াব খুজিছিলো যে The Candidate who has been disqualified or suspended from the Board earlier for corruption or any other anti social activities and convicted under any law.

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই আছে কথাটো।

**শ্ৰী আমিনুল ইছলাম ঃ** তাৰমানে যিজনে আগতে সদস্য আছিলে Municipality Board ত, থকাৰ পিছত কিবা দূৰ্নীতি বা anti social activities ৰ কাৰণে suspended কৰা হৈছিল বোৰ্ডৰ পৰা তেওঁ disqualified হ'ব লাগে, যাতে তেওঁ আৰু Candidate হ'ব নোৱাৰিব আৰু convicted under any law, যিকোনো আইনত যদি convicted হৈছিল তেওঁলোক Candidate হ'ব নোৱাৰিব, সেইটো আমি সংযোজন কৰিব বিচাৰিছো। বাকীকেইটা আমি মানিছো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, disqualification ৰ কথাটো আগৰ বোৰ্ড খনে যদি কাৰোবাক suspend কৰিছে, তেতিয়া নহ'ব, কিন্তু conviction, যদি conviction হৈছে, কোৰ্টে যদি কাৰোবাক convict কৰিছে ভৱিষ্যতে আমি এই Rule টো আনিম যাতে যিজন convicted তেওঁ Election খেলিব নোৱাৰিব বা disqualified হব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম ঃ** ভৱিষ্যতে আনে যদি মন্ত্ৰী মহোদয়ে এইটো আজি মানি ললে মই ভাৱো ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আৰু এখন আছে নহয়।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** আছে, আমাৰ কিছুমান নিয়ম আছে, মই গোটেইখিনি details ত

যাব খোজা নাই। যদি মই পঢ়ি দিব লাগে পঢ়ি দিম আৰু কোনোবা যদি conviction হৈছে, কাৰোবাৰ যদি উপাৰ্জন, আমি যিখিনি MLA খিনিয়ে বা MP খিনিয়ে যি দিওঁ affidavit সেই affidavit যদি কোনোবাই নিদিয়ে, যদি ভুল দিয়ে তেতিয়াতো disqualified হয়ে। গতিকে এইখিনি নিয়ম ইতিমধ্যে আছে। কিন্তু আৰু পৰৱৰ্ত্তী সময়ত আমি এই সদনলৈ যদি কিবা কৰিবলগীয়া আছে definitely কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কোৰা প্ৰস্তাৱটো তাৰমানে তেওঁ লৈছে, কিন্তু এতিয়া নহ'ব পৰৱৰ্ত্তী সময়ত হ'ব।

**শ্ৰী আমিনুল ইছলাম ঃ** ঠিক আছে মন্ত্ৰী মহোদয়ে আশ্বাস দিছে পৰবৰ্ত্তী সময়ত সেইটো আমি মানি লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, সংশোধনীটো প্ৰত্যাহাৰ কৰা হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া মই কব বিচাৰো যে বিধেয়কৰ ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। গতিকে যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই, মই বিধেয়কখনৰ এই গোটেইকেইটা ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভণ সদনৰ মজিয়াত উত্থাপন কৰিলো যে এই গোটেইকেইটা বিধেয়কখনৰ অংশ হ'ব যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভণ বিধেয়কৰ অংশ হৈছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Amendment) Bill, 2019' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনৰ অনুমোদৰ বাবে উত্থাপন কৰিছো 'The Assam Municipal (Amendment) Bill, 2019' be passed. যি সকল মাননীয় সদস্য/ সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া Item No 10, Guwahati Municipal Corporation ৰ এখন বিল আছে, এই ক্ষেত্ৰত মই গুৱাহাটী উন্নয়ন মন্ত্ৰীক বিলখন উত্থাপন কৰিবৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Guwahati Municipal Corporation (Amendment) Bill, 2019' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিছো 'The Guwahati Municipal Corporation (Amendment) Bill, 2019' be taken into Consideration. যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়কৰ ২ নং দফাটোৰ সংশোধনী প্ৰস্তাৱ নাই। গতিকে

২ নং দফাটো বিধেয়কৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ৩ নং দফাত এটা সংশোধনী আছে। মই সংশোধনীটো উত্থাপন কৰিছে বুলি ঘোষণা কৰিছো আৰু ইয়াৰ বক্তব্য ৰাখিবৰ কাৰণে শ্ৰী হাফিজ বছিৰ আহমেদ বা তেখেতৰ সহযোগী সকলক অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো Amendment আমি দিছো এইটো আগত যিটো Municipal Corporation (Amendment) Bill সেই তাৰ লগত একেই।

**মাননীয় অধ্যক্ষ ঃ** বিষয়টো একেই, গতিকে প্ৰশ্নটোৰ তেখেতে উত্তৰ দিছে যাতে আগলৈ একেলগে consider কৰিব।

**শ্ৰী আমিনুল ইছলাম ঃ** নাই এইটো যিহেতু Guwahati Development টো বেলেগ আৰু ইয়াতো আমি সেইটো ভাৱিছো যে convicted under any law ত যদি কোনোবা আছে তেওঁক disqualified কৰিব লাগে। এইটো Guwahati Development টো বেলেগও ল'ব পাৰে চাৰ, সেইকাৰণে মন্ত্ৰী মহোদক জনালো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিটো তেখেত সকলে Amendment আনিছে, সেই Amendmentটোৰ সম্পৰ্কে বিশেষ কবলৈ নাই। কিন্তু ইয়াত এটা কথা হৈছে যে তেখেত সকলে আগতে আগৰ যিখন কমিটি থাকিব তেখেত সকলে যদি তেনেকুৱা ধৰণৰ Corruption বা সেনেকুৱা সেইটোৱে বুজাব বিচাৰিছে নে আপোনালোকে, কাৰণ স্পষ্ট হোৱা নাই আপোনালোকৰ যিটো Amendment.

**শ্ৰী আমিনুল ইছলাম ঃ** আগত যদি disqualified কৰিছে Corruption বিলাক কৰাৰ কাৰণে বা বোৰ্ডে suspended কৰিছে, disqualified, সেইজন আৰু যিসকল convicted under any law.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** ঠিক আছে, এইটোৰ wording টো এনেকৈ কৰিব পাৰি তেতিয়াহলে ''If he/she has been disqualified previously for corruption or if he/she had been convicted for any act under any provision of law''. এইটো যদি হয় তেতিয়াহলে বেছি ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ইছলাম ডাঙৰীয়া। ঠিক আছে আপেনালোকৰ Suggestion টো তেখেতে লৈছে গতিকে এতিয়া মই আপোনালোকে এইটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিব বিচাৰিছো।

**শ্ৰী আমিনুল ইছলাম ঃ** এতিয়া বৰ্তমান গ্ৰহণহে কৰিছে, অৰ্থাৎ আমাৰ সংশোধনী মাননীয় মন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই আছে আপোনালেকৰ সংশোধনীটো মন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰিছে। গতিকে মই সেয়েহে কব বিচাৰিছো যে দফা নং ৩ বিধেয়কৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে ৩ নং দফাটো বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ৪ নং দফাটোত সংশোধনীৰ কোনো প্ৰস্তাৱ নাই। গতিকে ৪ নং দফাটো বিধেয়কৰ অংশ হ'ব বুলি মই ক'ব বিচাৰিছো, যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়

আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে ৪ নং দফাটো বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই কব বিচাৰিছো যে বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভণ বিধেয়কৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভণ বিধেয়কৰ অংশ হৈছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়ক খন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Guwahati Municipal Corporation (Amendment) Bill, 2019' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে 'The Guwahati Municipal Corporation (Amendment) Bill, 2019' be passed. যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া Next Item লৈ যাওঁ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** Sir, Point of Order. এটা কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, কথাটো হৈছে কি আমাৰ বৃন্দাবন গোস্বামী ডাঙৰীয়াই যিটো বৰাক ভেলীৰ কথা কৈছিলে ultimately, আমাৰ বিশিষ্ট চিত্ৰ সাংবাদিক মনিন শৰ্মা, তেওঁৰ কেইদিনমান আগতে গাড়ী এখনৰ খুন্দাত মৃত্যু হৈছে, even আমৰ কৰিমগঞ্জত এটা accident হৈছে অধ্যক্ষ মহোদয়, মানে এইটো লৈ বৰাক ভেলীৰ জনজীৱনৰ মাজত এটা বিৰাত প্ৰতিক্ৰীয়াৰ সৃষ্টি হৈছে। সেয়েহে আমি এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে কিবা এটা positive step লয়। ..

**Hon'ble Speaker** : কাৰ্য্যসূচী নং ১১। মই মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক"The Assam Private Placement Agencies for Recruitment of Works(Regulation) Bill, 2019" সদনত প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

Shri Chandra Mohan Patowary, Minister : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ "The Assam Private Placement Agencies for Recruitment of Works(Regulation) Bill, 2019" দফাই দফাই সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

Hon'ble Speaker : এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিব বিচাৰিছো "The Assam Private Placement Agencies for Recruitment of Works(Regulation) Bill, 2019"be taken into consideration. যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হৈছে । এতিয়া বিধেয়কৰ ২, ৩, ৪, ৫, ৬, ৭, ৮ আৰু ৯ নং দফাত কোনো

সংশোধনৰ প্ৰস্তাৱ নাই। গতিকে মই গোটেই কেইটা দফা বিধেয়ক খনৰ অংশ হৈছে বুলি ক'ব বিচাৰিছো। যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে উল্লেখিত দফা কেইটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো। বিধেয়কৰ ১০ নং, ১১ নং দফাত দুটা সংশোধনী পাইছো মই দুয়োটা একেলগে উত্থাপন কৰা বুলি ভাবিছো আৰু একেলগে ক'বৰ কাৰণে মই অনুৰোধ কৰিছো ।

Shri Aminul Islam, Member : মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰথম যিটো সংশোধনী প্ৰস্তাৱ দিছো Clause-10 তাত sub-section-7 ৰ পিছত sub-section-8 নং ত এটা সংযোজন কৰিব দিছো আৰু ইয়াত কোৱা হৈছে "Every Private Placement Agency shall submit a copy of agreement with employer to the Inspector or Labour Commission তাৰ মানে যি সকল Private Placement Agency আছে, এই সমূহে যি সকল যুৱকক তেওঁলোকে বিভিন্ন কৰ্মস্থানত নিয়োগ কৰে, নিয়োগ কৰোটে তেওঁলোকে সেই পাৰ্টিৰ লগত agreement কৰে যে এওঁৰ দৰমহা মাহিলি ৯ হাজাৰ বা ১০ হাজাৰ। ধৰক গুৱাহাটী চিটিত ১০০জন মানুহ, কিছুমান হাউচ গাৰ্ড বা গেট কিপাৰ এনেকে দিলে, সেই ১০০ জনৰ লগত agreement কৰিব কিন্তু তেওঁলোকৰ দৰমহা বিলাক direct agency বিলাকে লয় আৰু তেওঁলোকক দিয়ে ৩,০০০, কিন্তু লয় ১০,০০০। গতিকে মিনিমাম লেবাৰৰ যিটো ৰেজেজ আছে লেবাৰ ডি পাৰ্টমেন্টৰ সেই কাৰণে এই ৮ নং দফাটো এইটো সংযোজন কৰিব বিচাৰিছো যে সিহতে এই পাৰ্টীৰ লগত যিটো এগ্ৰিমেন্ট কৰে সেই এগ্ৰিমেন্টৰ কপিটো লেবাৰ ইঞ্চপেক্টৰ বা কমিচ'নাৰক দিব লাগিব যে আমি এইটো Placement কৰাৰ এগ্ৰিমেন্ট কৰিছো । সেই কাৰণে এইটো নতুনকৈ সংযোজন বিচাৰিছো । তাৰ পিছত যিটো section-11 ৰ Clause 3 ত এইটো উঠাই দিয়াৰ কথা কৈছো অধ্যক্ষ মহোদয়, যে ইয়াত দিয়া হৈছে No, court shall take cognizance of any offence punishable under this Act, except on a complaint made by the controlling authority appointed under this Act, or made by an Inspector appointed under this Act এই বস্তুটো ন্যায় নোহোৱা যেন লাগে । এইটো only controlling authority or Inspector ৰ বাহিৰে বেলেগৰcognizible নহ'ব । আমি ভাবো এইটো উঠাই দিব লাগে । কাৰণ এইটো আৰু অলপ larger scale ত থাকিলে ভাল।

Hon'ble Speaker : Thank you.

Shri Chandra Mohan Patowary, Minister : অধ্যক্ষ মহোদয়, আচলতে আমাৰ যিখন original বিল, সেই বিল খনত এইটো কথা আছে Clause 10, Sub-Section 7 তাত এইটো কথা কোৱা হৈছে যে other functions and duties of the Private Placement Agencies shall be such as will be prescribed from time to time by the Government অধ্যক্ষ ডাঙৰীয়া যিকোনো এখন আইনে হওঁক বা যিকোনো এটা বিষয় বস্তুৰেই হওঁক এটা appelate authority থাকিব লাগে নিয়ম মতে আৰু আমাৰ এই Sub-Section 7 ত সেই appelate authority হিচাপে Labour Commission আছে। কোনোবা এটা প্ৰাইভেট কোম্পানীত যেতিয়া কাম কৰে, তেওঁ যদি minimum wages maintain কৰা নাই, গতিকে appelate authority হিচাপে Labour Com-

mission ত থাকিব। গতিকে এই Labour Commission বা Labour Inspector যদি আমি তেওঁলোকক part by part হিচাপে যদি কোম্পানীৰ লগত আৰু লেবাৰ ডিপাৰ্টমেন্ট এই যদি আমি গোটেই কেইটা কৰি দিওঁ তাৰ পিছত যদি তেওঁলোকে wages ত satisfied বা তেওঁলোকে যিখিনি বেনিফিট পাব লাগে কৰ্মচাৰী হিচাপে তাত যদি তেওঁলোকে satisfied নহয় তেতিয়া হ'লে অধ্যক্ষ ডাঙৰীয়া তেওঁলোকৰ appelate authority নাথাকিব । গতিকে তৎক্ষানিক ভা বে এই যে appelate authority Labour Commissioner আছে মই ভাবো যিটো আমাৰ বিলত আছে Clause 10, Sub-Section 7 ঠিক আছে Government য়ে time to time notify কৰি থাকিব । গতিকে এটা progressive outlook থাকিব লাগিব । গতিকে I don't think that the amendment is deferred.

Hon'ble Speaker : হ'বনে ?

Shri Aminul Islam, Member : মাননীয় অধ্যক্ষ মহোদয়, বিলখনত এটা নতুনত্ব আনিছে, আমি ভাল পাইছো যে যি সকলক প্লেচমেন্ট দিয়া হ'ব সেই সকলকৰ একাউন্টত পইচাটো ট্ৰেঞ্চফাৰ কৰাৰ বাবে সুবিধাটো আছে । কিন্তু এগ্ৰিমেন্টতো গোপন থাকি যায়। সেই কাৰণে এই বিষয়টো দৃষ্টি আকৰ্ষণ কৰিলো।

**Hon'ble Speaker :** ঠিক আছে। এনেই placement agencies বিলাকে কিবা এটা পইচা পাব লাগীব। নহ'লে তেওঁলোকে এইবোৰ কিয় কৰিব । সেইটো ক্ষেত্ৰত নিশ্চয় কিবা এটা কথা আছে। ঠিকে আছে তেখেতে এই কথাটো চাব বুলি কৈছে গতিকে এইটো প্ৰত্যাহাৰ কৰা বুলি ভাবিছো। গতিকে সদনৰ সন্মতি সাপেক্ষে সংশোধনী কেইটা প্ৰত্যাহাৰ কৰা হৈছে আৰু সেয়েহে মই ১০ আৰু ১১ নং দফা দুয়োটা এই বিধেয়ক খনৰ অংশ হ'ব বুলি মই ঘোষণা কৰিব বিচাৰিছো। যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ১১ নং দফা বিধেয়কৰ অংশ হৈছে । ইয়াৰ লগতে ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮ দফা কেইটাত সংশোধনী প্ৰস্তাৱ নাই । সেয়েহে মই গোটেই কেইটা দফা সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো য়ে এই উল্লেখিত দফা কেইটা বিধেয়কৰ অংশ হ'ব । যি সকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কৰ ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব । এতিয়া বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম আৰু পৰিসৰত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে এই গোটেই কেইটা বিধেয়ক খনৰ অংশ হ'ব বুলি মই ঘোষণা কৰিব বিচাৰিছো। যি সকলে ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰৰ আৰম্ভন বিধেয়কৰ অংশ হৈছে । এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

Shri Chandra Mohan Patowary, Minister : মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ "The Assam Private Placement Agencies for Recruitment of Workers (Regulation), Bill, 2019" পাৰিত কৰাৰ বাবে সদনত

প্ৰস্তাৱ উত্থাপন কৰিলো ।

Hon'ble Speaker : এতিয়া প্ৰস্তাৱটো হৈছে "The Assam Private Placement Agencies for Recruitment of Workers (Regulation) Bill, 2019 be passed. যি সকলে ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত কৰা হ'ল বুলি ঘোষণা কৰিলো । এতিয়া last item আছে বিলৰ "The Assam Right to Publice Services (Amendment) Bill, 2019. ৰাজভৱনৰ পৰা এই সম্পৰ্কত এটা বাণী আহিছে, মই পঢ়ি দিছো

RAJ BHAVAN
GUWAHATI,
July 26,2019

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that THE ASSAM RIGHT TO PUBLIC SERVICES (AMENDMENT) BILL, 2019 be taken into consideration by the Assam Legislatve Assembly.

(Prof. Jagdish Mukhi)
Governor of Assam

Hon'ble Speaker : এতিয়া মই মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিল খনৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

Shri Chandra Mohan Patowary, Minister : মাননীয় অদ্যক্ষ মহোদয়, মই অমসৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ "The Assam Right to Publice Services (Amendment) Bill, 2019" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

Hon'ble Speaker : মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো "The Assam Right to Publice Services (Amendment) Bill, 2019" be taken into consideration. যি সকলে সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি ঘোষণা কৰিলো । বিধেয়কৰ ২নং আৰু ৩ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই। সেই কাৰণে মই দুয়োটা দফা বিধেয়কৰ অংশ হ'ব বুলি ঘোষণা কৰিছো। যি সকলে ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ২ আৰু ৩ নং দফা দুটা বিধেয়ক অংশ হৈছে বুলি ঘোষণা কৰিলো । এতিয়া বিধেয়কৰ ৪ নং, ৫নং আৰু ৬ নং দফা তিনিওটাত আপোনালোকৰ সংশোধনী আছে। মই তিনিওটা একেলগে উত্থাপন কৰা বুলি মই ঘোষণা কৰিছো আৰু লগতে তিনিওটাৰ ওপৰতে আপোনালোকৰ বক্তব্য দিবলৈ অনুৰোধ কৰিছো ।

**শ্ৰীআমিনুল ইছলাম, বিধায়ক ঃ**মাননীয় অধ্যক্ষ মহোদয়, এইটো শেষ বিল। গতিকে ইয়াতো আমি তিনিটা সংশোধনী দিছো যে অতি সংক্ষিপ্তত কৈ আছো। প্ৰথমটো ৪ নং Clause ত যিটো দিছো - ৮ - ১ ইয়াতে ৩০ days to 45 days কৰিব দিছো। right to public Service ত কোনো অভিচত আবেদন কৰিলে, R T I টো যেনেকৈ আমি সকলোৱে বুজি পাও তেনেকৈ আমি বহুতে R T P S টো আমি কমকৈ জানো। R T I টো আমি সকলোৱে জানো যে ১ মাহৰ ভিতৰত information দিব লাগিব নহ'লে Higher Authorityক আমি appeal কৰিম। ২০১২- ১৩ চনত আমি অসম বিধান সভাত R T P S পাছ কৰিছিলো যে, কোনো অফিছত যদি কোনো information বিচাৰি আমি আবেদন কৰো , জমা দিয়াৰ ১ মাহৰ ভিতৰত কামটো কৰিব লাগিব বা তথ্য দিব লাগিব যদি নিদিয়ে আমি আকৌ Higher Authorityক আমি appeal কৰিম। তাতো নহ'লে আমি Second Appeal Authorityৰ ওচৰত গুছি যাম। এইটো বহুতে নজনাৰ কাৰনে নকৰে কিন্তু ৩০ দিনৰ ভিতৰত ইয়াত যিটো দিয়া হৈছে- যে appeal যে কৰিব within 30 days from the expiry of date, যিটো ডেট দিয়ে জুন মাহত নিৰ্দ্দিষ্ট তাৰিখে আপোনালোকে তথ্য পাব। যদি নাপালে ১ মাহৰ ভিতৰত Higher Authorityক appeal কৰিব লাগিব নহ'লে Justice নাপায়। কিন্তু বহু ক্ষেত্ৰত মানুহখিনি নজনা কাৰনে তেওলোকৰ টাইমটো পাৰ হৈ যায় পিছত গম পালেও আপিলটো কৰিব নোৱাৰে। গতিকে আমি ভাবিছো এই ৩০ days টো বঢ়াই 45 days কৰিলে ভাল হয়। আৰু এটা Amendment Clause-5 ত দিছো। তাত দিয়া হৈছে ৬০ বছৰটো ৭০ বছৰ কৰিব লাগে। এইটো এই কাৰনে কৰিব বিচাৰিছো যে, যিজন Chief Appellate Authority সেই জন Chief Commissioner বুলি কোৱা হৈছে। সেই চীফ কমিশ্যনাৰজন Retired Chief Secretary or Retired Commissioner ৰ পৰা লোৱা হ'ব। সেই Retired ব্যক্তিজন যদি ৬০ বা ৬৩ বছৰ বয়সতChief Commissioner হিচাপে ইলেক্ট হ'ল আৰু Term থাকিব ৫ বছৰ , গতিকে যদি ৬৫ বছৰত যদি অফিছ এৰিব লাগে তেন্তে যদি ধৰি লও তেখেত ৬৩ বছৰত ইলেক্ট হ'ল তেখেতে পাব ২ বছৰ। তেখেতে ৫ বছৰৰ টাৰ্মটো সম্পূৰ্ণ কৰিব নোৱাৰে। গতিকে এইটো বৃদ্ধি কৰি ৭০ বছৰ কৰিছো। আৰু ৩ নংটো হ'ল-Amendment Clause-৬ ত যিটো দিয়া হৈছে তাত R T I ৰ দৰে Punishment ৰ ব্যৱস্থা কৰিব বিছৰা হৈছে। অৰ্থাৎ হায়াৰ অথোৰিটিক এপিল কৰাৰ পাছত তথ্য দিয়াত যিমান দিন পলম কৰিব প্ৰতি দিনে ২৫০ টকাকৈ ক্ষতিপুৰন দিব লাগিব। মেক্সিমাম লিমিট দিয়া আছে তাত ২৫,০০০ টকা । গতিকে ইয়াতো same provision কৰাৰ ব্যৱস্থা কৰা হৈছে কিন্তু মেক্সিমাম লিমিটটো বঢ়াব বিচাৰিছো অধ্যক্ষ মহোদয়- প্ৰতি দিনৰ ক্ষতি পূৰন ২৫০ টকাৰ পৰা বঢ়াই ৫০০ টকা আৰু মেক্সিমাম লিমিটটো ২৫,০০০ টকা বঢ়াই ৫০,০০০ টকা কৰিব লাগে। এই খিনিয়ে অধ্যক্ষ মহোদয়।

মাননীয় অধ্যক্ষ ঃ মিনিষ্টাৰ প্লিছ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখন Original Bill আহিছে তেখেতে যিটো শংকা কৰিছে ,সেইটো ইয়াত নাই ক্লিয়েৰলী আছে। এই বিলখন in the line of RTI Act দৰে অনা হৈছে যাতে সুবিধা হয়। দ্বিতীয়তে, RTI Member বা others Institution ৰ যিখিনি মেম্বাৰ থাকে তাৰ age টো ৬৫ বছৰে আছে। এই গোটেই বিষয়টো আগতে ৰুলত আছিল। এতিয়া আমি এইটো আইনৰ ভিতৰত আনিব

বিচাৰিছো। এতিয়া আৰ টি আইৰ যেনেদৰে ২৫০ টকা প্ৰতি দিনে দিব লাগিব, যদি নাপায় তেতিয়া হ'লে মেক্সিমাম লিমিটটো আৰ টি আৰ সেই ২৫,০০০ আছে। গতিকে আমি এইটো RTI লাইনতে কৰিছো। ঠিক তেনেদৰে আমি এইখনত কৈছো আগতে ২০০০ আছিল আৰু এতিয়া আমি ২৫,০০০ কৰিব বিচাৰিছো। in the line of RTI Act. গতিকে মই ভাবো যে এইটো objection থাকিব লগা নাই। দ্বিতীয়তে মই ভাবো যে Appellate Authority of elect provision এই আইনখনত আপুনি যেনেকৈ কৈছে তেনেকুৱা নহয়। Appellate provision থাকিবই appeal provision থাকিব। এইখন এতিয়া Full fladged Commission হ'ব। তাত Chief Commissioner থাকিব। ফাইনটো ২০০০ ঠাইত ২৫,০০০ হ'ব। গতিকে মই ভাবো মাননীয় সদস্য গৰাকীয়ে যেনেকৈ কৈছে তেনেকুৱা নহয়। যদিও প্ৰথম এই বিলখন আনিছো মই ভাবো এতিয়া Amendmentৰ প্ৰয়োজন নাই।

**শ্ৰীআমিনুল ইছলাম, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা বস্তু মই ক্লিয়েৰ কৰিব বিচাৰিছো- মই এনেকুৱা দেখিছো আৰ টি আই কৰা বহু মানুহৰ ক্ষেত্ৰত দেখিছো কমিছনে যেতিয়া গুৱাহাটীলৈ মাতে কেইবাদিনো মাতে , হিয়াৰিং কৰে , পাৰ্টি আহে , কেতিয়াবা নাহে- বহুদিন লগাই দিয়ে তাৰ বাবে তেওলোকৰ খৰছ বাঢ়ি যায় কিন্তু ফাইনটো সেই ২৫,০০০ পাব বেছি নাপায়। খৰছ তাতকৈ বহু বেছি হয় গতিকে কোনেও কৰিব নিবিচাৰিব। গতিকে justice দিব লাগিলে কমেও ৫০ হাজাৰ টকা দিব লাগিব। লগতে ৬৩ বছৰত ইলেক্ট হ'লেও ৫ বছৰৰ টাৰ্মটো যাতে সম্পূৰ্ণ কৰিব পাৰে ৭০ বছৰ হলে ভাল হ'ব।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে। এইটো মিছা নহয়। মন্ত্ৰীয়ে কৈছে হ'ব । দ্বিতীয়তে বয়সৰ যিটো কথা কৈছে ৬০ বছৰতো Retire কৰে সেই হিচাপে ৬৫ কৰিছে। এইটো ক্ষেত্ৰত মন্ত্ৰীয়ে আপোনাৰ suggestion যিমান দুৰ পাৰে consider কৰিব। --- এতিয়া আপুনি বিধেয়কৰ সংশোধনী কেইটা প্ৰত্যাহাৰ কৰা বুলি মই ধৰি লৈছো।- তেতিয়া হ'লে বিধেয়কখনৰ ২ নং- ৩- নং -৪ নং- ৫ নং - ৬ নং আৰু ৭ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব বুলি মই ক'ব বিচাৰিছো।--- যি সকল ইয়াৰ সপক্ষে আছে কওক 'হয়'। -- যি সকল বিপক্ষে আছে কওক 'নহয়' ---- মই ভাবো হয় সপক্ষে- হয় সপক্ষে- হয় সপক্ষে। গতিকে বিধেয়কৰ ২,৫,৭ দফা কেইটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভনত কোনো সংশোধনী প্ৰস্তাৱ নাই , মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভনত বিধেয়কৰ অংশ হ'ব বুলি ক'ব বিচাৰিছো। যি সকল ইয়াৰ সপক্ষে আছে কওক 'হয়'। -- যি সকল বিপক্ষে আছে কওক 'নহয়' ---- মই ভাবো হয় সপক্ষে- হয় সপক্ষে- হয় সপক্ষে। গতিকে বিধেয়কৰ ২,৫,৭ নং দফা কেইটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিতকৰনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে অনুৰোধ কৰিলো।

**মই এতিয়া সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিলো।**